# ভৱানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়, সৰুপেটা



# আলোক

২০১৯-২০ বৰ্ষ

মিতুল দাস, সম্পাদক

প্ৰবোধ কলিতা, ড° দিগন্ত বৰগোহাঁই
তত্ত্বাৱধায়ক

B.H.B. College, Sarupeta



B.H.B. College, Sarupeta

# বছৰেকীয়া আলোচনী

# আলোক

শিক্ষা বৰ্ষ ঃ ২০১৯-২০

সংখ্যা ঃ ৩৭

**বি. এইচ্. বি. মহাবিদ্যালয়**

ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত

*প্ৰীতি আৰু শুভেচ্ছাৰে —*

প্ৰতি, ............................................................

............................................................


সম্পাদক
মিতুল দাস

তত্ত্বাৱধায়ক
প্ৰবোধ কলিতা
ড° দিগন্ত বৰগোহাঁই


B.H.B. College, Sarupeta

# আলোক

# ALOK

Annual Magazine of Students' Union, B.H.B. College
Edited by Mitul Das under guidance and supervision of Prabodh Kalita
Printed at Ashirbad Computer Press, Barpeta - 781301

37th Issue, 2019-20

| সম্পাদনা সমিতি ঃ | Editorial Board : |
| --- | --- |
| ড° বিৰিঞ্চি কুমাৰ দাস, *সভাপতি* | Dr. Birinchi Kr. Das, *President* |
| প্ৰবোধ কলিতা, *তত্বাৱধায়ক* | Prabodh Kalita, *Prof. In-charge* |
| ড° দিগন্ত বৰগোহাই, *তত্বাৱধায়ক* | Dr. Diganta Borgohain, *Prof. In-charge* |
| ড° দুৰ্গেশ্বৰ বৰ্মন, *উপদেষ্টা* | Dr. Durgeswar Barman, *Advisor* |
| মোফাজ্জল হুছেইন, *উপদেষ্টা* | Mofazzal Hussain, *Advisor* |
| মিতুল দাস, *সম্পাদক* | Mitul Das, *Editor* |
| ড° কল্পনা বৈশ্য, *সদস্য* | Dr. Kalpana Baishya, *Member* |
| ড° নমিতা দাস, *সদস্য* | Dr. Namita Das, *Member* |
| স্বস্তিশ্ৰী শইকীয়া, *সদস্য* | Swastishri Saikia, *Member* |
| মৃণাল দত্ত, *সদস্য* | Mrinal Dutta, *Member* |
| বিনাৰাম বড়ো, *সদস্য* | Binaram Boro, *Member* |
| অক্ষয় সৰকাৰ, *সদস্য* | Akshay Sarkar, *Member* |
| নন্দলাল বড়ো, *সদস্য* | Nandalal Boro, *Member* |

বেটুপাত ঃ প্ৰবোধ কলিতা, চাফিকুল হুছেইন
বৰ্ণ সংযোজন আৰু অলংকৰণ ঃ হিতেশ শৰ্মা, ৰাকেশ দাস
প্ৰকাশক ঃ ভবানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়, ছাত্ৰ একতা সভা, ২০১৯-২০ বৰ্ষ
মুদ্ৰণ ঃ আশীৰ্বাদ কম্পিউটাৰ প্ৰেছ, পৰদা বজাৰ, বৰপেটা - ৭৮১৩০১

Disclaimer :
The Editor or the Editorial Board and the publisher are not responsible for the views expressed by the authors. The responsibility of the originality of the articles, other creative writings and views expressed by the authors are abosolutely of their own.

B.H.B. College, Sarupeta

# উছৰ্গা

মহাবিদ্যালয়ৰ আৰম্ভণিৰ পৰা চলিত বৰ্তমান সময়লৈ
যিসকল ব্যক্তিৰ শ্ৰম, ত্যাগ আৰু আদৰ্শৰ বিনিময়ত
বি. এইচ্. বি. মহাবিদ্যালয়খন গঢ় লৈ উঠিবলৈ সক্ষম হৈছিল,
কিন্তু সময়ৰ সোঁতত আমাৰ মাজৰ পৰা হেৰাই যোৱা
সেই নমস্য ব্যক্তিসকলৰ শ্ৰীচৰণত
এই আলোচনীখন উৎসৰ্গা কৰিলোঁ।

B.H.B. College Sarupeta

# কৃতজ্ঞতা স্বীকাৰ

বি. এইচ্. বি. মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় সমন্বিতে শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দ, লেখক-লেখিকাবৃন্দ, বেটুপাত তথা স্থিৰচিত্ৰ আৰু স্কেচ্ছ অংকন কৰা মাননীয় শিল্পীসকল, আশীৰ্বাদ কম্পিউটাৰ প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মকৰ্তাসকলৰ লগতে সমূহ শুভাকাংক্ষীলৈ বি. এইচ্. বি. মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'আলোক'ৰ সম্পাদনা সমিতিৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

B.H.B. College Sarupeta

# শ্ৰদ্ধাঞ্জলি

*যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু নিস্বাৰ্থ সেৱাৰ ফলত বি. এইচ. বি. মহাবিদ্যালয় স্থাপন হ'ল সেইসকল মনীষীৰ পবিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ, লগতে বিগত বৰ্ষত আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱা জ্ঞাত-অজ্ঞাত বিশ্বৰ সকলো ব্যক্তিলৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ সম্পাদনা সমিতিয়ে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।*

B.H.B. College Sarupeta

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

মুখ্যমন্ত্ৰী, অসম
Chif Minister, Assam



# শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত বি. এইচ. বি. মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'আলোক' প্ৰকাশৰ বাবে যো-জা চলাইছে বুলি জানিবলৈ পাই মই আনন্দিত হৈছোঁ।

সাহিত্য আৰু সংস্কৃতি হৈছে এটা জাতিৰ পৰিচয়। সাহিত্যই সদায়ে সমাজখনক মূল্যবোধৰ আধাৰত আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। আনহাতে, বৌদ্ধিক বিকাশৰ দিশত সাহিত্যৰ ভূমিকা অনন্য। সৃজনশীল মনৰ বিকাশ সাধন, চিন্তাৰ নৱ মূল্যায়ন, পৰম্পৰা আৰু ঐতিহ্যৰ সৈতে পৰিচয় আৰু সাম্প্ৰতিক সমাজ ব্যৱস্থাটোক উজ্জীৱিত কৰি ৰখাৰ দিশত সাহিত্যই মাৰ্গদৰ্শন কৰিব পাৰে। সাহিত্যক বিশেষ মাত্ৰা প্ৰদানৰ দিশত শিক্ষানুষ্ঠানৰ একো একোখন আলোচনীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। তদুপৰি, মহাবিদ্যালয়ৰ আলোচনী এখনে নৱ প্ৰজন্মৰ লেখকসকলৰ বাবে বৌদ্ধিক অনুশীলনৰ পৰিবেশও নিৰ্মাণ কৰে। আশা কৰোঁ, আলোচনীখনে বিদ্যাৰ্থী সকলৰ সৃজনীশীল মনৰ উন্মেষ সাধন কৰি ভাষা-সাহিত্যৰ সেৱা কৰাৰ বাবে সুযোগ প্ৰদান কৰিব।

মই আলোচনীখনৰ সফল প্ৰকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

B.H.B. College, Sarupeta



# Message from Principal

The magazine of an educational institution is the reflection of the creative heights that the learners of the educational institution have achieved. While the educational system we have been following for decades has confined learning to mere cramming of some readymade study materials in order to carry good marks in examinations, the changing socio-economic pattern in the twenty first century has made us realize that the purpose of education is much broader than most of us can think and the basic idea about education is to provide scope for overall development of a person, which includes not only earning knowledge in some subjects but also developing one's own creativity, analytical ability and personality. The National Education Policy, 2020 also focuses on achieving holistic development of a person while imbibing in them a sense of social commitment.

How can a magazine of an educational institution help the institution in achieving this goal? There's no denying the fact that all the students who write in the college magazine won't emerge as full-fledged authors in future or pursue writing as their career. But writing any literary piece, be it poem, short story or article, can activate the creative potential of a person, which can help a great deal in widening the mental horizon of them. It is in this way that writing can help a learner in their overall development.

The literary section of the B.H.B. College Students' Union has been publishing a trilingual college magazine since the beginning, and the magazine, titled 'Aalok', has been providing room for writings of the students in three languages – Assamese, English and Bodo. In its trilingual character, the magazine also emerges as a token of the notion of unity and integrity that the college has been propagating for so long.

I appreciate the efforts of Shri Mitul Das, the editor of 'Aalok' for his endeavour to make the magazine a successful venture to reflect properly the true spirit that the magazine has been proved to stand for. I hope 'Aalok' will continue to disseminate light in the educational scenario of the college as the title of the magazine itself so suggests.

B.H.B. College, Sarupeta

**Dr. Birinchi Kumar Das**
Principal
Bhawanipur Hastinapur Bijni College
Sarupeta

# তত্ত্বাৱধায়কৰ একলম



ভৰাতকৈও যেন দ্ৰুতভাৱে সকলো সলনি হৈ পৰিল। কেৱল হোৱাটছ এপ, ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম ইউটিউব.... আৰু বহুতো। আমাৰ জীৱন শৈলী যেন এইবোৰে নিয়ন্ত্ৰণ কৰি পেলালে। আমি ইয়াৰ পৰা পৰিত্ৰাণও হয়তো বিচৰা নিষ্প্ৰয়োজন, কিয়নো এইবোৰ আমি একেবাৰে নসাৎও কৰিব নোৱাৰো- এৰি চলিবও নোৱাৰো। সি যি কি নহওঁক, শেহতীয়াভাৱে ইয়াত উন্নতমানৰ সাহিত্য চৰ্চাও হৈছে- ই সঁচাকৈয়ে ভাল কথা, আশাৰ বতৰা। কিন্তু মনত শংকাৰ উদয় হয়- এনে সাহিত্যৰ স্থায়িত্ব আছেনে! ক্ষণিক সময়ৰ বাবে সৃষ্টি এনে সাহিত্যই সমাজক ভৰা ধৰণে উপকৃত কৰিবনে!

সেইকাৰণে আজিও মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী এখনৰ অপৰিহাৰ্যতাৰ ওপৰত প্ৰশ্ন উত্থাপিত হোৱা নাই। আলোচনী এখন কেৱল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ ভাৱধাৰা আৰু আবেগ-অনুভূতিৰে প্ৰকাশ নহয়। নিশ্চিতভাৱে আলোচনী এখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে শৈক্ষিক, সাংস্কৃতিক, আধ্যাত্মিক, ৰাজনৈতিক, ক্ৰিয়া- সমাজৰ সকলো দিশতেই নতুনত্বৰ সন্ধান আৰু উদ্‌ভাৱনা অব্যাহত ৰাখি আহিছে। এই ক্ষেত্ৰত ব্যতিক্ৰম নহয় বি. এইচ্. বি. মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলো।

'আলোক' - বি. এইচ্. বি. মহাবিদ্যালয়ৰ বিগত বৰ্ষৰ আলোচনী। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাৰ এক সুন্দৰ নিদৰ্শন। এয়া শ্ৰদ্ধাৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসৰ উছাহভৰা তৎপৰতা আৰু আলোচনী সম্পাদক শ্ৰীমান মিতুল দাসৰ আশাসুধীয়া প্ৰচেষ্টাৰ এক ফল। ক'ভিদ পৰিস্থিতি আৰু বিত্তীয় টনাটনিৰ মাজতো 'আলোক' প্ৰকাশ হোৱাতো এক সঁচা অৰ্থত সফলতা। শেষত আলোচনীখন প্ৰকাশৰ পথত সহায়-সহযোগ তথা দিহা-পৰামৰ্শৰ বাবে সকলো পক্ষকে আন্তৰিক কৃতজ্ঞতা জনাইছো।

B.H.B. College Sarupeta

প্ৰবোধ কলিতা
ড° দিগন্ত বৰগোহাঁই
তত্ত্বাৱধায়কদ্বয়
বি. এইচ্. বি. মহাবিদ্যালয় আলোচনী
২০১৯-২০ বৰ্ষ

# সূচীপত্ৰ



## অসমীয়া বিভাগ

### *চিন্তা শিল্প/১-৩৮*


- লীলা গগৈৰ 'নৈ বৈ যায়' উপন্যাস ঃ এটি আলোচনা— *ড° কল্পনা বৈশ্য/১*
- ড° ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প-উপন্যাসত নাৰী— *ড° নমিতা দাস গুৰুং/৫*
- উইলিয়াম শ্বে'পীয়েৰৰ অদ্বিতীয় অৱদান ঃ ট্ৰেজেদি (এটি আলোচনা)— *কুশল পাটগিৰী/১০*
- সাম্প্ৰতিক সময়ত গ্ৰন্থ অধ্যয়নৰ মানসিকতা আৰু আমি— *বুলুমণি কলিতা/১৪*
- অজিৎ বৰুৱাৰ মন-কুঁৱলী সময়— *প্ৰীতিৰেখা দত্ত/১৫*
- অসমৰ বৃহৎ নদী বান্ধ ঃ এটি চমু পৰ্যালোচনা— *দ্বীপজ্যোতি বৈশ্য/১৮*
- বিহু আৰু বিৱৰ্তন ঃ এক চমু আলোচনা— *জ্যোতিধাৰা বৰ্মন/২০*
- ধৰ্ষণ ঃ এক সামাজিক উপলব্ধি— *ইউজিনা বৰ্মন/২২*
- টেলিফ'নৰ পৰা স্মাৰ্ট ফ'নলৈ— *চিন্ময় পাঠক/২৪*
- বন্ধুত্বৰ তাৎপৰ্য— *ভবিতা দাস/২৬*
- অসমীয়া সমাজৰ প্ৰীতিৰ এনাজৰী 'গামোচা'— *সুস্মিতা দাস/২৭*
- আমাৰ গাঁও— *ভবিতা দাস/২৮*
- তাই— *বাহুল কলিতা/২৯*
- এখিলা মৰম— *চন্দ্ৰমোহন তালুকদাৰ/৩০*
- স্মৃতি— *ভৱজ্যোতি তহবিলদাৰ/৩১*
- দুই বন্ধু— *প্ৰিয়ংকা মজুমদাৰ/৩২*
- সংঘাত— *বিভা কলিতা/৩৪*
- এজনী অহংকাৰী ছোৱালী— *কবিণা কলিতা/৩৫*
- এখনি হেৰুওৱা নৈ— *জান্নাত আলী/৩৬*
- অনুভৱৰ দুবাৰদলিত— *মিতালী দাস/৩৭*


B H B College, Sarupeta

*শব্দ শিল্প/৩৯-৫৫*

পঢ়াশালি, শীতল ৰাতি, স্বপ্নীল মন, এতিয়া তুমি আনৰ, তুমি নুসুধিবা, তোমালৈ আজি, সস্ব
তেওঁ এদিন আহিব, তোমাৰ নামত এটি কবিতা, মানৱতা, এভুমুকি, জিঘাংসা, বি. এইচ্. বি
কলেজৰ মিচ বৰষা বৰুৱা, নিসংগতা, ১৯৭১ আৰু ২০১৭, সাহস আৰু শক্তি, কবিতা, মা, অস
কন্যা-আমাৰ গৌৰব, অংক, স্মৰণীয় দিন, উজাগৰী ৰাতিৰ নিসংগতা, তুমি এটি কবিতা হো
অনুভূতি, স্বাধীনতা, প্ৰতাশা, এটি স্মৃতিৰ গান, যন্ত্ৰণাৰ দিনলিপি, জীৱন, মোৰ মন যায়, সেতু
শেষ সীমা বিচাৰি, ৰঙা ফুল মোৰ অপ্ৰিয়, কলেজ, আপোনাৰ প্ৰতি মোৰ অনুভৱ।

## নীলা খামৰ চিঠি ঃ /৫৬ - ৬০

*ভবিতা দাস / ৫৬, ভৱজ্যোতি তহবিলদাৰ / ৫৭, ৰাহুল কলিতা / ৫৭, চন্দ্ৰমোহন তালুকদাৰ / ৫৮, অম্লান দাস / ৫৮, ইউজিনা বৰ্মন / ৫৯, বৰষা দাস / ৬০*

## ইংৰাজী বিভাগ (English Section) : 61 - 71

*Mental Health of Students and Way to Improve It, Prabodh Kalita /61*
*A Cat and a House : An Untold Story, Dr. Diganta Borgohain /64*
*Fake News and Social Media, Samalay R.N. Kashyap /68*

## বড়ো বিভাগ (Bodo Section) : 72 - 73

*बैसागु , मामनि स्वर्गीयारी / 72, सान, दीप स्वर्गीयारी / 72, आइनि अननाय, रजुमा गयारी / 73, सोलोंसा, सुमिता दैमारी / 73*



## সম্পাদকীয় প্ৰতিবেদন.... /৭৫ - ৮৪

*১। সভাপতি*
*২। সাধাৰণ সম্পাদক*
*৩। সহকাৰী সাধাৰণ সম্পাদক*
*৪। আলোচনী সম্পাদক*
*৫। সাংস্কৃতিক সম্পাদক*
*৬। গুৰু খেল সম্পাদক*
*৭। লঘু খেল সম্পাদক*
*৮। তৰ্ক সম্পাদক*
*৯। সমাজ সেৱা সম্পাদক*
*১০। ছাত্ৰী জিৰণী কোঠা সম্পাদিকা*

B.H.B. College, Sarupeta

# চিন্তাশিল্প



আধুনিক সাহিত্যত প্ৰবন্ধ বুলিলে ভাৱসমৃদ্ধ, মননশীল, যুক্তিনিষ্ঠ, নাতিহ্ৰস্ব গদ্য ৰচনাকে বুজোৱা হয়। সাধাৰণতে ই ব্যাখ্যাত্মক হয় আৰু এটা মাত্ৰ বিষয়ৰ প্ৰণালীবদ্ধ আৰু যথাসম্ভৱ বিশদ আলোচনা ইয়াত কৰা হয়।

— ডঃ প্ৰফুল্ল কটকী

B.H.B. College Sarupeta



# চিন্তাশিল্প ১-৩৮

চিন্তা শিল্প/১-৩৮


- লীলা গগৈৰ 'নৈ বৈ যায়' উপন্যাস ঃ এটি আলোচনা— *ড° কল্পনা বৈশ্য/১*
- ড° ভবেন্দ্রনাথ শইকীয়াৰ গল্প-উপন্যাসত নাৰী— *ড° নমিতা দাস গুৰুং/৫*
- উইলিয়াম শ্বে'পীয়েৰৰ অদ্বিতীয় অবদান ঃ ট্ৰেজেদি (এটি আলোচনা)— *কুশল পাটগিৰী/১০*
- সামপ্রতিক সময়ত গ্রন্থ অধ্যয়নৰ মানসিকতা আৰু আমি— *বুলুমণি কলিতা/১৪*
- অজিৎ বৰুৱাৰ মন-কুঁৱলী সময়— *প্ৰীতিৰেখা দত্ত/১৫*
- অসমৰ বৃহৎ নদী বান্ধ ঃ এটি চমু পৰ্যালোচনা— *দ্বীপজ্যোতি বৈশ্য/১৮*
- বিহু আৰু বিবৰ্তন ঃ এক চমু আলোচনা— *জ্যোতিধাৰা বৰ্মন/২০*
- ধৰ্ষণ ঃ এক সামাজিক উপলব্ধি— *ইউজিনা বৰ্মন/২২*
- টেলিফ'নৰ পৰা স্মাৰ্ট ফ'নলৈ— *চিন্ময় পাঠক/২৪*
- বন্ধুত্বৰ তাৎপৰ্য— *ভবিতা দাস/২৬*
- অসমীয়া সমাজৰ প্ৰীতিৰ এনাজৰী 'গামোচা'— *সুস্মিতা দাস/২৭*
- আমাৰ গাঁও— *ভবিতা দাস/২৮*
- তাই— *ৰাহুল কলিতা/২৯*
- এখিলা মৰম— *চন্দ্ৰমোহন তালুকদাৰ/৩০*
- স্মৃতি— *ভৱজ্যোতি ভইবিলদাৰ/৩১*
- দুই বন্ধু— *প্ৰিয়ংকা মজুমদাৰ/৩২*
- সংঘাত— *বিভা কলিতা/৩৪*
- এজনী অহংকাৰী ছোৱলী— *কৰিণা কলিতা/৩৫*
- এখনি হেৰুওৱা নৈ— *জান্নাত আলী/৩৬*
- অনুভৱৰ দুৱাৰদলিত— *মিতালী দাস/৩৭*


B.H.B. College, Sarupeta




# লীলা গগৈৰ 'নৈ বৈ যায়' উপন্যাস ঃ এটি আলোচনা

ড° কল্পনা বৈশ্য
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ একনিষ্ঠ সেৱক, গৱেষক লীলা গগৈ- অসমীয়া সাহিত্য জগতৰ উজ্জ্বল নক্ষত্ৰ সদৃশ। এই গৰাকী ক্ষণজন্মা সাহিত্যিকে ঐকান্তিক ভাৱে নিৰলস সাধনাৰে সাহিত্য-সংস্কৃতিৰ বেদীত নিজকে স্থাপন কৰি বিভিন্ন দিশত মূল্যবান অৱদান আগবঢ়াই সাহিত্যৰ ভঁৰাল মেটমৰা কৰিছে। মূলতঃ পঞ্চাশৰ দশকতে সাহিত্যৰ ক্ষেত্ৰখনত খোজ পেলাই নিৰন্তৰ সাহিত্যসাধনাৰে নিজকে এগৰাকী অক্ষয় বন্তিৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। লোক-সংস্কৃতিৰ গৱেষক, বিশিষ্ট বুৰঞ্জীবিদ, শিশু সাহিত্যিক, ঔপন্যাসিক, গীতিকাৰ, হাস্য-ব্যঙ্গ লেখক, প্ৰবন্ধকাৰ আদি বাৰেৰহণীয়া সাহিত্য সম্ভাৰেৰে নিজৰ চিন্তা-চেতনাক প্ৰসাৰিত কৰি কঠোৰ সাধনা-শ্ৰম আৰু অধ্যৱসায়ৰ জৰিয়তে উজ্জ্বল প্ৰতিভাৰ স্বাক্ষৰ বহন কৰি সাহিত্যৰ ভঁৰাল চহকী কৰাৰ উপৰিও সমাজখনকো উত্তৰণ কৰাত সহায় কৰিছে বুলি ক'ব পাৰি। এই গৰাকী লোক সংস্কৃতিবিদ গৱেষক পণ্ডিতৰ ১৯৩০ চনৰ ২৫ নৱেম্বৰত জন্ম হয়। তেওঁৰ পিতৃ ধনীৰাম গগৈ আৰু মাতৃ আহিলমকমালা গগৈ। গ্ৰাম্য পৰিবেশৰ সৰলতাৰ সমাজখনত ডাঙৰ-দীঘল হোৱা গগৈৰ সাহিত্য সাজিৰ মাজেৰে গভীৰ অনুৰাগ স্বদেশ-জাতিপ্ৰেম, ঐতিহ্যৰ প্ৰতি গভীৰ শ্ৰদ্ধা, অনুৰাগ, বুৰঞ্জীৰ প্ৰতি প্ৰভাৱ, প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা আৰু গ্ৰাম্য জীৱন আদি সকলোৰে পুষ্ট ঐকান্তিক প্ৰচেষ্টা প্ৰতিফলিত হোৱা দেখা যায়। ১৯৫০ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ শিৱসাগৰ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰি ১৯৫৪ চনত অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পদত নিযুক্তি লাভ কৰে। ইয়াৰ দুবছৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা আৰু জনজাতীয় সংস্কৃতি বিভাগত গৱেষকৰূপে নিযুক্তি লাভ কৰে আৰু অধ্যয়নৰ কামো চলাই নিয়ে। ১৯৫৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি শিৱসাগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক, আকাশবাণী গুৱাহাটী কেন্দ্ৰতো চাকৰি কৰি ১৯৬৪ চনত শিৱসাগৰ মহাবিদ্যালয়ত অধ্যাপক ৰূপে নিযুক্তি লাভ কৰে। ১৯৭৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰবক্তাৰূপে নিযুক্তি লাভ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুত সমন্বয় সমিতিৰ সচিব ৰূপে ১৯৭৩ চনত যোগদান কৰে। ১৯৮২ চনত 'অসমীয়া বুৰঞ্জী সাহিত্যৰ সমালোচনাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰাই ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। ১৯৮৩ চনৰ পৰা ১৯৯০ চনলৈ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিবৰূপে কাৰ্যনিৰ্বাহ কৰে। তাৰোপৰি অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ অবৈতনিক সঞ্চালক আৰু ১৯৯০ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপকৰূপে নিযুক্তি লাভ কৰে আৰু অৱসৰো গ্ৰহণ কৰে। এই গৰাকী সাহিত্যিকে নিজৰ পাণ্ডিত্যৰ বাবে অসম সাহিত্য সভাৰ মৰিগাঁও অধিৱেশনৰ সভাপতিৰ পদ অলংকৃত কৰি খ্যাতি ৰাখি গৈছে।[১]

**অসমীয়া সাহিত্যলৈ অৱদান ঃ**

অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনলৈ সুসাহিত্যিক লীলা গগৈৰ অতুলনীয় অৱদান সমূহ এনে ধৰণৰ ঃ[২]

**১। শিশু গ্ৰন্থ ঃ**

খঁৰা শিয়ালৰ বিয়া, সোণতৰা, পোনাকণৰ মৰম, অনুপম কোঁৱৰৰ সাধু, লাচিত বৰফুকন, ৰংমনৰ কথা,

B.H.B College, Sarupeta

জয়মতী কুৱৰী আৰু মুলা গাভৰু, ভাৰতৰ কথা আদি।

২। বুৰঞ্জীমূলক গ্ৰন্থ ঃ

বুৰঞ্জীয়ে পৰশা নগৰ, হেৰোৱা দিনৰ কথা, শৰাইঘাটৰ যুদ্ধৰ কথা, বেলি মাৰ গ'ল, বুৰঞ্জী সাহিত্য, বুৰঞ্জীয়ে কথা কয়, চিন্তাৰ স্বাক্ষৰ, বুৰঞ্জীৰ ৰূপৰেখা ঃ শিৱসাগৰ, হাঁহি আৰু বাঁহী আদি।

৩। সংস্কৃতিমূলক বা বিষয়ক গ্ৰন্থ ঃ

আহোম জাতি আৰু অসমীয়া সংস্কৃতি, টাই সংস্কৃতিৰ ৰূপৰেখা, সাহিত্য সংস্কৃতিৰ বুৰঞ্জী, অসমৰ সংস্কৃতি, বিহু এটি সমীক্ষা আদি।

৪। লোক সাহিত্য বিষয়ক গ্ৰন্থ ঃ

মণিৰাম দেৱানৰ গীত, অসমীয়া লোক-গীতি, জোনবাই এ এটি তৰা দিয়া, অসমীয়ালোক সাহিত্যৰ ৰূপৰেখা, বিহুগীত আৰু বনঘোষা আদি।

৫। ৰম্য বা ব্যঙ্গ ৰচনা ঃ

কপলিং ছিগা ৰেল, বিয়েৰিং চিঠি, বৃকোদৰ বৰুৱাৰ বিয়া, বিশেষ কি লিখিম, ঘেৰ-ঘেৰী বাছ, মুকলি চিঠি আদি।

৬। উপন্যাস ঃ

ডকাইত কোন, সৰগৰ মুকুতা, নীলা খামৰ চিঠি, নৈ বৈ যায় আদি।

৭। গীত আৰু কবিতা ঃ

গীতি মালঞ্চ, জোনাকৰ গীতি, সোণালী আদি।

৮। প্ৰবন্ধ বিষয়ক গ্ৰন্থ ঃ

সাহিত্য-সংস্কৃতিৰ বুৰঞ্জী, সাহিত্য ঃ দুটিমান আলোচনা, চিন্তাৰ স্বাক্ষৰ আদি।

৯। অনুবাদ গ্ৰন্থ ঃ

বংগৰ লোক-সংস্কৃতি।

১০। সম্পাদিত গ্ৰন্থ ঃ

অসমীয়া সংস্কৃতি, অসমীয়া গ্ৰন্থপঞ্জী, কুমৰ হৰণ, কালিয়দমন, চোৰ ধৰা, যতীন্দ্ৰ নাথ দুৱৰাঃ কবি আৰু কবি প্ৰতিভা, আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় আদি।

১১। ইংৰাজী ভাষাত ৰচনা কৰা গ্ৰন্থ ঃ

The Tai Khamties of North-East India, The Buranjis : The Historical Literature of Assam, The History of the system of Ahom Administration আদি। ইয়াৰ উপৰিও লীলা গগৈৰ অৰুণাচলৰ মানুহ আৰু নৃতত্বৰ ওপৰত ৰচনা কৰা 'সীমান্তৰ মাটি আৰু মানুহ' (১৯৬৩) আন এখন উল্লেখযোগ্য গ্ৰন্থ। মুঠতে এইগৰাকী সাহিত্যিকে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনলৈ মুঠ ছাপন্নখন (৫৬) গ্ৰন্থ আগবঢ়াই অন্যতম কৃতিত্বৰ পৰিচয় দিছে। বুৰঞ্জী, লোকসাহিত্য, সংস্কৃতি, শিশু সাহিত্য, লঘুৰচনা অথবা ব্যঙ্গ ৰচনা, উপন্যাস, গীত আৰু কবিতা, অনুবাদ, সংকলন আৰু সম্পাদনা, ইংৰাজী ভাষাত ৰচনা কৰা গ্ৰন্থ আদি বিভিন্ন দিশত নিজৰ সাহিত্যিক প্ৰতিভাৰ পৰিচয় দি গৈছে।

## লীলা গগৈৰ 'নৈ বৈ যায়' উপন্যাসৰ আলোচনা ঃ

সাহিত্যৰ ক্ষেত্ৰখনত বিভিন্ন সাহিত্য ৰচনাৰ জৰিয়তে বিশেষ কৃতিত্ব অৰ্জন কৰা লীলা গগৈৰ 'নৈ বৈ যায়' এখনি সাৰ্থক উপন্যাস। উপন্যাসখনি সমাজ সংস্কৃতিৰ এশ বছৰৰ জীৱন্ত ইতিহাসৰ চিত্ৰ উপন্যাসিকে দাঙি ধৰিবলৈ যত্ন কৰিছে।° ১৯৮৩ চনত প্ৰকাশ হোৱা 'নৈ বৈ যায়' উপন্যাসৰ ভূমিকাত 'পাঠকলৈ একেষাৰ' বুলি এনেদৰে উল্লেখ কৰিছে—" শৰবিদ্ধ ক্ৰৌঞ্চ পক্ষীৰ মৰ্মবেদনা সিক্ত হৈ বাল্মীকি মুনিয়ে ৰচনা কৰিছিল এটি ভাৱব্যঞ্জক শ্লোক, 'মা-নিষাদ প্ৰতিষ্ঠাং.....।' ..... নিজৰ সৃষ্টিৰ প্ৰতি সৰ্তক হৈ কৈছিল— 'কিম্মিদং ব্যাহৃতং ময়া।' 'নৈ বৈ যায়' শিতানৰ কথাখিনি লিখি শেষ কৰি মোৰো ক'বৰ মন গৈছে, 'কিম্মিদং ব্যাহৃতং ময়া' - "মই এইবোৰ কি লিখিলো?"

উপন্যাসখনৰ বেটুপাতত প্ৰকাশকে এনেদৰে উল্লেখ কৰিছে- "ড° গগৈৰ নিপুণ হাতৰ ৰীতি আৰু বিষয়-বস্তুৰে ৰচনা কৰা এটি পূৰঠ ৰহঘৰা, বহুমূলীয়া সংযোজন।"

লীলা গগৈৰ 'নৈ বৈ যায়' এই উপন্যাসখনৰ আধুনিক অসমীয়া কথা-সাহিত্যৰ বুৰঞ্জীত এখনি বিশিষ্ট আসন আছে। "নিমজ ভাষা, সাৱলীল কথা-ৰীতি আৰু গভীৰ আন্তৰিকতাৰে অঙ্কন কৰা গ্ৰাম্য-জীৱনৰ, সাংস্কৃতিক ঐতিহ্যৰ ছঁয়া মৰা ছবিবোৰ নৈখনৰ নিজান পানীত, পাঠকৰ মন-দাপোণত মোহনীয় হৈ জিলিকি উঠিছে।"*

'নৈ বৈ যায়' উপন্যাসখনত মূলতঃ দুই ধৰণৰ প্ৰকাশভঙ্গী ব্যৱহাৰ কৰা হৈছে; যেনে- তৃতীয় পুৰুষৰ বক্তব্য আৰু আত্মভাষণ বা প্ৰথম পুৰুষৰ বক্তব্য। প্ৰধানতঃ আত্মভাষণ প্ৰকাশভঙ্গীয়েই উপন্যাসখনত বিশেষভাৱে গুৰুত্ব লাভ কৰিছে বুলি ক'ব পাৰি। উপন্যাসখনৰ কাহিনীত

B.H.B College, Sarupeta

আৰম্ভ হৈছে — নায়কৰ ডেকা কালৰ সুন্দৰ বৰ্ণনাৰ মাজেৰে। উপন্যাসখনৰ মূল কাহিনী ভাগৰ প্ৰথম দহটা অধ্যায়ত নায়ক-নায়িকাৰ মাজত প্ৰথম সাক্ষাৎ হোৱাৰে পৰা যুগ্ম জীৱনৰ আৰম্ভণিলৈ এক বিস্তৃত বিৱৰণ দাঙি ধৰা হৈছে। বিভিন্ন ঘাত-প্ৰতিঘাত আৰু বাধা বিঘিনিক লেখকে সুন্দৰ ৰূপত দাঙি ধৰা হেতুকে উপন্যাসখনৰ কাহিনী ভাগ পাঠকৰ আকৰ্ষণীয় হৈ পৰিছে। অৰ্থনৈতিক আৰু সামাজিক আভিজাত্যৰ- এই দুয়োটা দিশতে নায়ক-নায়িকাৰ মাজত সামাজিক অৱস্থানৰ অন্তৰায় সৃষ্টি হৈছিল, যদিও পৰৱৰ্তী সময়ত প্ৰত্যাশিত অৱস্থাৰ মাজত ঘৰ দুৱাৰ, সা-সম্পত্তি-আদি দিশবোৰ পৰিচালনা কৰাৰ ক্ষেত্ৰত নায়কেসফল ভূমিকা গ্ৰহণ কৰিছে। উপন্যাসখনত লেখকে অভ্যাসক সমালোচনাৰ দৃষ্টিৰে এনেদৰে বৰ্ণনা কৰিছে-[৮] মানে গৰকি থলপাত কৰি থৈ যোৱা বৰৈ ফুকনৰ ঘৰৰ ল'ৰা বুঢ়া আটাইবোৰৰে উধনীয়া ভেম আছিল। মোৰ বৰদেউতাৰ ল'ৰা কেইটা বৰ ভেমাল।.... আমি বৰদেউতাৰ সৈতে একেঘৰ হৈ একেটা চৰুতে খাইছিলোঁ। তেওঁ বৰ গোঁৱাৰ একুৰীয়া মানুহ আছিল। কাৰো বৰ কথা সহিব নোৱাৰিছিল।.... বৰদেউতাৰ বৰটো পুতেক ভীমবৰ। ভীমবৰ হটঙা ওখ, মাত-কথাটো বৰ হটা। সি তেতিয়াও মৈদামত শুই থকা কোনোবা স্বৰ্গদেৱৰ নপতা ফুকন হৈয়েই আছিল।"

উপন্যাসখনত নায়কে অপ্ৰত্যাশিত এটা অৱস্থাৰ মাজত সোমাই পৰিবলগীয়া হোৱা বাবে বিবাহৰ পৰৱৰ্তী সময়ত নায়কে সকলো দিশ চকু দিবলগীয়া হৈছিল। পাৰিবাৰিক দৃষ্টিভংগী আৰু তৎকালীন সমাজ ব্যৱস্থাৰ আচাৰ-আচৰণৰ বাবেই নায়কৰ মতৰ বিপৰীতে 'নাদুকী' নামৰ ছোৱালীজনীক তেওঁৰ সৈতে বিবাহ পাতি দিয়া হৈছিল। যাৰ বাবে দ্বিতীয় বিবাহে নায়িকাৰ লগত তেওঁৰ পাৰিবাৰিক জীৱনটো সমস্যাৰে পৰিপূৰ্ণ কৰি তুলিছিল। কিন্তু পৰৱৰ্তী সময়ত সকলো লোকৰে কল্যাণ কামনা কৰি কৰ্মত ব্ৰতী হোৱা আৰু বংশৰ উত্তৰ পুৰুষৰ মাতৃ হোৱাৰ জৰিয়তে গোটেই পৰিয়ালটোৰে এটা সুদৃঢ় স্থানত উপনীত হ'বলৈ সক্ষম হৈছিল।[৯]

উপন্যাসখনত মূলতঃ প্ৰধান নাৰী চৰিত্ৰ তিনিটা; যেনে : নায়কৰ মাতৃ, নায়িকা আৰু নাদুকী। এই তিনিওটা নাৰী চৰিত্ৰত উনবিংশ বিংশ শতিকাৰ অসমীয়া গ্ৰাম্য জীৱনৰ নাৰীজাতিৰ সামাজিক আৰু পাৰিবাৰিক অৱস্থাৰ বাস্তৱসন্মত চিত্ৰ নিটোল ৰূপত দাঙি ধৰা হৈছে। নায়কৰ মাতৃ আৰু নায়িকাৰ চৰিত্ৰত ত্যাগ আৰু সহনশীলতাৰ পৰিপূৰ্ণ নাৰী হিচাপে চিত্ৰিত কৰা হৈছে। সেইদৰে 'নাদুকী'ৰ চৰিত্ৰত ট্ৰেজিক পৰিণতি লক্ষ্য কৰা যায়।[১০]

উপন্যাসখনত প্ৰতিফলিত লোক সাংস্কৃতিক উপাদান ঃ

বিশিষ্ট সাহিত্যিক লীলা গগৈৰ 'নৈ বৈ যায়' উপন্যাসখন কাহিনী আধুনিক তথা বিংশ শতিকাৰ যদিও উপন্যাসখনৰ মাজেৰে প্ৰকৃতিনিৰ্ভৰ জনসমাজৰ এক সুন্দৰ বিৱৰণ লেখকে দাঙি ধৰিছে। প্ৰকৃতি আৰু মানৱৰ মাজত অহেতুক প্ৰীতি এনেদৰে লেখকে উল্লেখ কৰিছে[১১]— "আমাৰ ডেকা কালত একোৱে আকাল নাছিল। মানুহবোৰৰ আকৌ আকালো নাছিল, ভঁৰালো নাছিল। চ'তৰ মাহ সোমালেই ডেকা গাভৰুৰ গা-মন ৰাই-জাই কৰে। দিখৌৰ পাৰৰ ডেমেহীয়া শিমলুবোৰৰ কমোৱা তুলা উৰে। আমাৰো কমোৱা তুলা উৰা দি উৰিবৰ মন। ঢাপত ভেবেলী লতা ফুলে, বন নহৰুৰ বগা বগা - ফুলবোৰ দেখিলেই মনটো উজাৰ খাই উঠে। মাধৈমালতী ফুলৰ গোন্ধ আহি নাকত লাগেহি। গড়া-কাষৰীয়া কেতেকী জোপা গোন্ধত মলমলাই থাকে। কদমনি হাবিৰ মাহৰনিডৰা ফুলি ৰমক-জমক হয়। এনেকুৱা বতৰত ক'লৈ যাওঁ, কি কৰোঁ লাগে। যেন গাত কালিন্দী ভোমোৰা সোমাই মনটো অলিয়া-বলিয়া কৰি পেলায়।"[১২]

উপন্যাসখনৰ নায়কৰ চৰিত্ৰটিত লেখকে লোকসংস্কৃতি আৰু লোক ঐতিহ্যৰ আটাইবোৰ উপাদান যেন দকৈ শিপা আছে— সেই কথা এনেদৰে বৰ্ণনা কৰিছে-[১৩] "বিহু নামবোৰ মোৰ তেজত মিহলি হৈ আছে।" তাৰোপৰি অসমীয়া লোকজীৱনৰ আচাৰ অনুষ্ঠান, বিশ্বাস-অবিশ্বাস, খোৱা-লোৱা, শিল্প কলাৰ লগতে বিহু সংস্কৃতিৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। সেইদৰে ভাষিক দিশত সহজ-সৰল কথনভংগী, ফঁকৰা যোজনা, খণ্ডবাক্যৰ ব্যৱহাৰ, লোকজীৱনত ব্যৱহাৰ কৰা বিভিন্ন শব্দৰ প্ৰয়োগৰ জৰিয়তে উপন্যাসখন উপাদেয় কৰি তুলিছে। উপন্যাসখনত উল্লেখ কৰা- "মোৰ বয়সে এইবোৰ কথা এতিয়াও আওকালিব পৰা নাই।" "কিবা এটা লিচু পোৱা হ'লেই এখুন্দা লাগি এজাউৰি হেকান পাৰিলোহেঁতেন" আদি বৰ্ণনাই গাঁৱলীয়া



B.H.B College Sarupeta

সমাজ ব্যৱস্থাৰ বিভিন্ন দিশ অতি মনোৰম ৰূপত লেখকে দাঙি ধৰি সৰ্ব সাধাৰণ পাঠকক সহজে আকৰ্ষণ কৰিছে বুলি ক'ব পাৰি। সেইদৰে বিহুৰ সৈতে জড়িত 'কণী যুঁজ' (প্ৰথম থোৰাৰ অষ্টম অধ্যায়) মাঘ বিহুৰ ভোজ (প্ৰথম থোৰাৰ পঞ্চম অধ্যায়) আদিত লোক সাংস্কৃতিক উপাদানৰ উৎকৃষ্ট নিদৰ্শন। পৰম্পৰাত বিশ্বাস, ভেকুলি বিয়া পাতি বৰষুণ অনা বিবাহ সংক্ৰান্তীয় আয়োজন, চোৰধৰা আদিৰ ক্ষেত্ৰত বেজৰ যাদু-মন্ত্ৰৰ ভূমিকা (পৃঃ ১৯৮-১৯৯) আদি এই ক্ষেত্ৰত উল্লেখনীয়।[১৪]

উপন্যাসখনত বাঢ়ৈ, কমাৰ, সোণাৰী আদি শিল্পকৰ্মৰ সৈতে জড়িত থকা কাৰিকৰ সকলৰ জীৱন আৰু শিল্পকৰ্মৰ সুন্দৰ বৰ্ণনা দাঙি ধৰা হৈছে, তাঁত শালত কাপেৰ বোৱা (পৃঃ ৩৯, ১১৩-১১৮), তেলীশালত তেলপেৰা বিৱৰণ (পৃঃ ৫৩) আদি লোক শিল্প কলাৰ উৎকৃষ্ট নিদৰ্শ দাঙি ধৰা হৈছে।[১৫]

এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰথিতয সাহিত্যিক লীলা গগৈৰ, 'নৈ বৈ যায়' উপন্যাসত ঐতিহাসি দিশৰ চিত্ৰ আৰু সামাজিক-সাংস্কৃতিক জীৱনৰ বিস্তৃত বৰ্ণ দাঙি ধৰাৰ লগতে অসমৰ সমাজ বুৰঞ্জীক সূক্ষ্ম বিচা বিশ্লেষণৰ মাজেৰে দাঙি ধৰি কথা সাহিত্যৰ এক অনুপ সাহিত্য হিচাপে চিহ্নিত কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে

১। (ক) বৰুৱা, কল্পনা ঃ কল্পনা ঃ 'ড' লীলা গগৈৰ সাহিত্যত লোক সংস্কৃতিৰ চৰ্চা', স্বৰ্ণলিপি (সম্পা, গগৈ, হৃদয়ানন্দ
সাহিত্য সমাজ সংস্কৃতি গৱেষণা ধৰ্মী আলোচনী, বৰ্ষ ১১, সংখ্যা - ১ ফেব্ৰুৱাৰী, ২০২১, পৃ. ২২-২৩
(খ) কলিতা, সমীন ঃ শতাধিক অসমীয়া সাহিত্যিক, ২০০১, পৃ. ৪০৬
২। বৰুৱা, কল্পনা ঃ পূৰ্বোল্লিখত প্ৰবন্ধ, পৃ. ২৩
৩। পূৰ্বোল্লিখত প্ৰবন্ধ, পৃ. ২৫
৪। নাছৰিন, স্বামিমঃ 'লীলা গগৈৰ 'নৈ বৈ যায়' অনন্য, অনুপম সমাজ বুৰঞ্জী', অসমীয়া উপন্যাস পৰিক্ৰমা (সম্পা. দাস, অমল চন্দ্ৰ), ২০১২, পৃ. ৩২৯
৫। উল্লিখিত প্ৰবন্ধ, পৃ. ৩২৯
৬। উল্লিখিত প্ৰবন্ধ, পৃ. ৩৩০
৭। উল্লিখিত প্ৰবন্ধ, পৃ. ৩৩৪
৮। উল্লিখিত প্ৰবন্ধ, পৃ. ৩৩৭-৩৩৮
৯। উল্লিখিত প্ৰবন্ধ, পৃ. ৩৩৮-৩৩৯
১০। উল্লিখিত প্ৰবন্ধ, পৃ. ৩৩৯
১১। উল্লিখিত প্ৰবন্ধ, পৃ. ৩৪০
১২। উল্লিখিত প্ৰবন্ধ, পৃ. ৩৪০
১৩। উল্লিখিত প্ৰবন্ধ, পৃ. ৩৪০
১৪। (ক) উল্লিখিত প্ৰবন্ধ, পৃ. ৩৪০-৩৪২
(খ) বৰুৱা, কল্পনাঃ পূৰ্বোল্লিখিত প্ৰবন্ধ, পৃ. ২৫
১৫। নাছৰিণ, স্বামিমঃ পূৰ্বোল্লিখিত প্ৰবন্ধ, পৃ. ৩৪৩

*সহায়ক গ্ৰন্থপঞ্জী ঃ*
কলিতা, সমীন ঃ শতাধিক অসমীয়া সাহিত্যিক, ২০০১
দাস, অমল চন্দ্ৰ (সম্পা.) ঃ অসমীয়া উপন্যাস পৰিক্ৰমা, ২০১২
শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
*আলোচনী, পত্ৰ-পত্ৰিকা ঃ*
স্বৰ্ণলিপি (সাহিত্য-সমাজ-সংস্কৃতি গৱেষণাধৰ্মী আলোচনী), (সম্পা. গগৈ, হৃদয়ানন্দ), বৰ্ষ - ১১, সংখ্যা ১, ফেব্ৰুৱাৰী ২০২১

B.H.B. College, Sarupeta



# ড° ভবেন্দ্রনাথ শইকীয়াৰ গল্প-উপন্যাসত নাৰী

ড° নমিতা দাস গুৰুং
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

কলিকতাৰ প্ৰেছিডেন্সি কলেজত পদাৰ্থ বিজ্ঞান বিভাগত স্নাতকোত্তৰ মহলাত পঢ়িবলৈ যোৱা চফল ডেকাজনে হোষ্টেলৰ কোঠালিৰ খাটখনত পেট পেলাই পৰি লৈ ৰচনা কৰা 'ৰণভংগ' নামৰ গল্পটো ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত প্ৰকাশ পোৱা 'ৰামধেনু' কাকতত ছপা হৈছিল। এইটোৱেই আছিল সেই মেধাবী ছাত্ৰজনৰ প্ৰথম গল্প। ১৯৪৭ চনত 'উদয়' নামৰ আলোচনীত 'পথ নিৰূপণ' নামেৰে গল্প এটি প্ৰকাশ হৈছিল যদিও 'ৰামধেনু যুগ'তহে তেওঁ প্ৰতিষ্ঠা লাভ কৰে। সেই গল্পকাৰ জনেই হৈছে কুৰি শতিকাৰ এগৰাকী বলিষ্ঠ গদ্য লেখক ড° ভবেন্দ্ৰ নাথ শইকীয়া। স্কুলীয়া জীৱনতে 'আতংকৰ শেষত' নামৰ ৰহস্যমূলক উপন্যাস ৰচনা কৰিছিল যদিও 'অন্তৰীপ' আৰু 'ৰন্ধভূমি'ৰ জৰিয়তেহে ড° শইকীয়াদেৱে সুখ্যাতি লাভ কৰে। আনহাতে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্প সংকলন সমূহ হ'ল- প্ৰহৰী (১৯৬৩), বৃন্দাবন (১৯৬৫), গহ্বৰ (১৯৬৯), সেন্দুৰ (১৯৭১), শৃংখল (১৯৭৫), ভবেন্দ্ৰ নাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প : পঞ্চাশৰ দশক (১৯৭৬), তৰংগ (১৯৭৬), এই বন্দৰৰ আবেলি (১৯৮৮), আকাশ (১৯৮৮), উপকণ্ঠ (১৯৯২) আৰু সান্ধ্য ভ্ৰমণ (১৯৯৮) শইকীয়াদেৱে ১৯৭৬ চনত 'শৃংখল' গল্প সংকলনৰ বাবে সাহিত্য অকাডেমী বঁটা আৰু ১৯৭৩ চনত 'সেন্দুৰ' গল্প সংকলনৰ বাবে 'অসম প্ৰকাশন পৰিষদ বঁটা' লাভ কৰে।

**ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ চুটিগল্পত নাৰী :**

শইকীয়াদেৱৰ এটা প্ৰখ্যাত চুটিগল্প 'প্ৰহৰী'ত জয়াৱতী নামৰ নাৰীগৰাকীৰ জীৱনৰ সকলো সপোন, আশা শেষ হৈ যোৱাৰ পিছতো যেন বিজয়াৰ মুখত নিজৰ কন্যা নিশাক দেখা পাইছে। ৰজনী মাষ্টৰ আৰু ভাগ্যৱতী মৰি গ'লে আৰু দুটা প্ৰাণীয়ে নিশাক জীয়াই ৰাখিব। এগৰাকী দুখীয়া সহজ-সৰল নাৰীৰ নিৰাশাৰ মাজত আশাই গল্পটোক এক নতুন মাত্ৰা প্ৰদান কৰিছে। আনহাতে এজনী কিশোৰীৰ মনস্তাত্ত্বিক দিশৰ নিখুঁত চিত্ৰণ 'নিশা' নামৰ নৱম শ্ৰেণীত পঢ়া ছোৱালীজনীৰ জৰিয়তে গল্পটোত উপস্থাপন কৰিছে। "ইমান বিলাক বস্তু নোহোৱাকৈ চলিছে যেতিয়া নোকণ নহ'লে নহ'ব নেকি? দেউতাক কি দিব মোৰ কাৰণে লোকৰ পৰা যেন একো নালে। নিজৰ যি আছে মোৰ সেয়ে হ'ব।" এগৰাকী কিশোৰীৰ আত্মসন্মানবোধ সুন্দৰকৈ 'প্ৰহৰী' গল্পত প্ৰকাশ পাইছে।

'বানপ্ৰস্থ' গল্পত পুতলী বুঢ়ীৰ দুজনী জীয়েক চাৰু আৰু তৰুৱে কেনেকৈ চহৰৰ আঢ্যৱন্ত পৰিয়ালত দহ-এঘাৰ বছৰ বনকৰা ছোৱালী হিচাপে থাকি গাভৰু হোৱাৰ পিছত পুনৰ গাঁৱলৈ ঘুৰি আহিছে আৰু চহৰৰ আদব-কায়দাত অভ্যস্ত হৈ গাঁৱৰ চৌকাত পুৰণি হেণ্ডেল ভগা কেৰাহীত কম তেলেৰে মাছ ভাজিবলৈ কষ্ট পাইছে। লোকৰ ঘৰত বন কৰি খোৱা নাৰীৰ জীৱনৰ বাস্তৱ চিত্ৰ 'বানপ্ৰস্থ' গল্পত সুন্দৰ ৰূপত প্ৰকাশ পাইছে।

'ঢোৰা সাপ' নামকৰণেৰে প্ৰতীকী অভিব্যঞ্জনাই সৌষ্ঠৱ বৃদ্ধি কৰা ড° শইকীয়াদেৱৰ এটি শ্ৰেষ্ঠ গল্পত সুগন্ধী বুঢ়ীৰ নাতিনীয়েক জানেকীৰ মনস্তাত্ত্বিক দিশটোক অতি মৰ্মস্পৰ্শীভাৱে বিশ্লেষণ কৰিছে। নিজকে তলসৰা পাততকৈ সৰু বুলি ভাবিবলৈ অভ্যস্ত হৈ পৰা জানেকীক যেন

B.H.B. College, Sarupeta

মনোমোহন, ৰুদ্ৰ, তপোধৰহঁতে ভোগৰ জুইত সেকি মাৰিব খুজিছিল। সিহঁতে তাইৰ ৰস শুহি খাবলৈ বিচাৰিছিল আৰু লীলাকান্তই ৰস দিবলৈ আহি তাইৰ কামিহাড় কেইডালতো বিষ ঢালি দি গ'ল। বত্ৰিছ বছৰ বয়সত আৰু জানেকীক একো নালাগে।

জানেকীক ভালপাওঁ বুলি কোৱা লীলাকান্তই গাঁৱৰ মানুহৰ হেঁচাত বিয়া কৰালে চন্দ্ৰিকাক। চন্দ্ৰিকাৰ সৈতে যুগ্ম জীৱনৰ ফটো তোলাবলৈ লীলাকান্তই মৰমতে জানেকীক উপহাৰ দিয়া লতা থকা ধুনীয়া চাদৰখন খুজি আনিলে। ফটো তোলা হোৱাৰ পিছত এজন সৰু ল'ৰাৰ হাতত জানেকীৰ চাদৰখন ঘুৰাই দিলে। চাদৰখনত লগা সেন্দুৰৰ দাগটিয়ে যেন জানেকীৰ নাৰীত্বক উপলুণ্ঠা কৰিছে, তাইৰ হাড়ে-চালে লগা শৰীৰটোক অৱমাননা কৰিছে। জানেকীয়ে লীলাকান্তৰ পত্নী চন্দ্ৰিকাৰ উপস্থিতিত চাদৰখন লীলাকান্তক ওভতাই দিছে। চাদৰখনৰ ৰহস্য জানিব পাৰি চন্দ্ৰিকাৰ কাৰণে চাদৰখনৰ ফুলাম পাৰিটো যেন এডাল ফুটুকা-ফুটুকী ঢোৰাসাপ হৈ পৰিছে। ঢোৰাসাপ ডালে চন্দ্ৰিকাক মেৰিয়াই ধৰিছে 'এৰিও নিদিয়ে, গিলিও নেপেলায়'। জানেকী আৰু চন্দ্ৰিকাৰ চৰিত্ৰৰ জৰিয়তে নাৰীৰ সুন্দৰ মনস্তাত্বিক বিশ্লেষণ 'ঢোৰাসাপ' গল্পত ফুটি উঠিছে। আনহাতে জানেকীৰ যোগেদি সমাজৰ এচাম সুবিধাবাদী পুৰুষৰ চৰিত্ৰ স্পষ্ট হৈ উঠিছে আৰু এটি শক্তিশালী নাৰী চৰিত্ৰ হিচাপে জানেকী প্ৰতিভাত হৈছে।

ভবেন্দ্ৰ নাথ শইকীয়াৰ 'এন্দুৰ' গল্পত নাৰীৰ জীৱনৰ এক পৰম সত্য পৰিস্ফুট হৈছে। মতিৰ জন্মৰ আগতেই কানিৰ বেপাৰৰ পম খেদি মতিৰ দেউতাক গুচি গৈছিল। সি উভতি আহিব বুলি মতিৰ মাক বৈ থাকিল। কিন্তু কণমানি মতিৰ আকস্মিক মৃত্যুৱে মতিৰ মাকৰ পেটৰ ক্ষুধা যেন সাময়িকভাৱে নাইকীয়া কৰি দিছিল। কিন্তু লাহে লাহে সেই ক্ষুধা আকৌ উভতি আহিল আৰু মতিৰ গাত পৰা চাউলৰ বস্তাটোৰ পৰা এন্দুৰে ফুটা কৰি দিয়া ঠাইৰে চাউল উলিয়াই পেটৰ ভোক নিবাৰণ কৰিছিল। অকলশৰীয়া মতিৰ মাকৰ বয়সটোৰেও আমনি কৰিলে। লাহে লাহে শেষ হোৱা চাউলৰ বস্তাটো ৰ'দত শুকুৱাই মেলি বিছনাত পাৰি লোৱাৰ কাৰণে ঠাণ্ডাটো কমকৈ পাইছে। আগৰ বছৰবোৰত মতিয়ে সাৱটি ধৰি শুইছিল বাবে ঠাণ্ডাৰ অনুভৱ নহৈছিল। চাউলৰ বস্তাৰ উমটো লাগি যেন মতিৰ মাকৰ গাটোত এক অদ্ভুত এন্দুৰে কুট্‌কুটাই ফুৰা যেন লাগিল। এন্দুৰটো খেদিবলৈ মতি নাই। তাইক যেন কাৰোবাৰ সহায়ৰ প্ৰয়োজন। গতিকে মতিৰ মাকে ইমান দিনে উপেক্ষা কৰি অহা ট্ৰাকৰ হেণ্ডিমেনক আৰু উপেক্ষা নকৰে।

ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সেন্দুৰ' গল্পত তিনিগৰাকী নাৰী চৰিত্ৰৰ নিখুঁত বৰ্ণনা অংকন কৰিছে। মণিকা, আজলী বুঢ়ী আৰু ললিতা। দৰিদ্ৰতাৰ কঠোৰ সংগ্ৰামৰ মাজতো আজলী বুঢ়ীয়ে যোগাত্মক চিন্তাৰে সংসাৰ যুঁজত ব্ৰতী হৈছে— "বিয়া কৰাও বুলিলে ছোৱালীৰ কি আকাল লাগিছে! সৌ বিলাক বাটৰ ভিকহুৱেও জানো ঘৰ পতা নাই? সিহঁতৰ মানত নন্দৰ অৱস্থা ভালেই। সিতো অইন নহ'লেও দুবেলা দুমুঠি খুৱাব পাৰিব।" আনহাতে ৰায়চৌধুৰীৰ পত্নী মণিকাই আজলী বুঢ়ীৰ সুগঢ়ী বোৱাৰী ললিতাৰ প্ৰতি কৰা অকাৰণ সন্দেহ আৰু ঈৰ্ষাৰ জৰিয়তে নাৰীৰ স্বভাৱজাত ৰূপ এটা গল্পটোত শইকীয়াদেৱে ফুটাই তুলিবলৈ সক্ষম হৈছে। মণিকাৰ চুবুৰীয়া, মাছুৰ পোৱালী ললিতাৰ চৰিত্ৰ এগৰাকী সহজ-সৰল, কৰ্মতৎপৰ মাতৃৰ মনস্তাত্বিক দিশটো অতি সুন্দৰকৈ পৰিস্ফুট হৈছে।

যুদ্ধৰ পটভূমিত ৰচিত 'নাটঘৰ' গল্পৰ 'এঞ্জেলা' এটা অতি আকৰ্ষণীয় নাৰী চৰিত্ৰ। অভাৱত পৰা নাৰী এঞ্জেলাই বন্ধু-বান্ধৱৰ পৰা ইটো - সিটোৰে পেটৰ ক্ষুধা নিবাৰণ কৰিছে যদিও কাৰো আগত নিজকে দুৰ্বল কৰি দেখুৱাব নিবিচাৰে। তায়ো পুৰুষক আমনি নকৰে আৰু পুৰুষৰ পৰাও তাই শ্ৰদ্ধা বিচাৰে। মৰম-চেনেহৰ লগত মানুহৰ শৰীৰৰ সম্পৰ্ক জড়িত হৈ পৰা কথাটো ভাবি এঞ্জেলা আশ্চৰ্যবিভূত হৈ পৰে। মাত্ৰ দুবছৰ বয়সৰ পৰাই এঞ্জেলাই মানুহৰ দৈহিক সম্ভোগৰ কদৰ্য ৰূপ দেখিছে। তাইৰ আচল দেউতাকৰ যুদ্ধত মৃত্যু হৈছে, যাক এঞ্জেলাই দেখাই নাই। কিন্তু মাকে তাইক এটা, দুটা, তিনিটা, চাৰিটা, পাঁচটা মানুহক দেউতা বুলি মাতিবলৈ কৈছিল, যাৰ জীৱন আছিল কদৰ্য। ইমান বিলাকক দেউতা বুলি মাতিও এঞ্জেলাই ইচ্ছা থকা স্বত্তেও স্কুলীয়া শিক্ষা শেষ কৰিবলৈ নাপালে। পিছলৈ কাক কাক দেউতা বুলি মাতিব লাগে তাৰ হিচাপ মাকে পাহৰি গৈছিল আৰু তেনে এজন মানুহেই তাইৰ শৰীৰৰ প্ৰতিও লোভ প্ৰদৰ্শন কৰাত সেই মানুহজনক এঞ্জেলাই চৰ, গোৰ



B H B College Sarupeta

মাৰি এখন ছুৰীৰে খোঁচও মাৰিছিল।

এঞ্জেলাৰ মনত এই শৰীৰলোভী মানুহতকৈ ঘৃণনীয় জীৱ যেন পৃথিবীতেই নাই। শইকীয়াদেৱে অতি শক্তিশালী ৰূপত সৃষ্টি কৰা এঞ্জেলাৰ জৰিয়তে সমাজৰ নৰপশুৰ কদৰ্য স্বৰূপটো দাঙি ধৰিছে।

ভবেন্দ্ৰ নাথ শইকীয়াদেৱৰ 'গংগাস্নান' নামৰ চুটিগল্পৰ নাৰী চৰিত্ৰ চন্দ্ৰাৰ বৈবাহিক জীৱনৰ আগতে ঘটা এটা ঘটনাৰ বাবে গিৰিয়েক তিলকে চন্দ্ৰাৰ প্ৰতি বিদ্বেষ ভাৱ পোষণ কৰিছিল যদিও পিছলৈ তিলকে নিজেই চন্দ্ৰাৰ অবস্থাটো বুজিবলৈ চেষ্টা কৰিছে — "চন্দ্ৰাই জীৱনত যি পিছল খাইছিল, তাৰ দাগ জানো তাইৰ জীৱনত আছে? যদি নাই তেনেহ'লে তাইৰ অপৰাধ ক'ত? যি ভুল তাই কৰিছিল, সেইটোতো তাইৰ ভুল বুলিব নোৱাৰি; সেইটো কিজানি তাইৰ তেজ-মঙহৰেই ভুল, যিখিনি তেজ-মঙহ সিও উপভোগ কৰিছে।"

নাৰীৰ প্ৰেম সম্পৰ্কে সাধাৰণতে মানুহে কৰা তুলুঙা মন্তব্যৰ বিৰোধিতা কৰি ড° শইকীয়াদেৱে 'গংগাস্নান' গল্পৰ নাৰী চৰিত্ৰ চন্দ্ৰাৰ সংলাপৰ জৰিয়তে কৈছে — "সকলো তিৰোতা একে নহয়। তাই যদি নন্দীক কিবা কথা দিছে, তেনেহ'লে বাপ্পাৰ মাৰে একো কৰিব নোৱাৰে। তিৰোতাৰ প্ৰেম পলৰীয়া প্ৰেম নহয়। জীৱনত এবাৰ কাৰোবাক আপোন কৰিলে, তাক সিহঁতে কিমান যত্নেৰে বুকুত ৰাখে আপোনালোকে কি বুজিব?

ভবেন্দ্ৰ নাথ শইকীয়াৰ 'বৃন্দাবন' গল্পত সুৱৰ্ণলতা, মনোৰমা, ৰূপালী আৰু শিশু কন্যা নিজৰাৰ চৰিত্ৰ কেইটা অতি সুন্দৰকৈ বাস্তৱ ৰূপত অংকণ কৰিছে। গিৰিয়েকে সীমান্তত চাকৰি কৰে মনোৰমাৰ। মনোৰমাৰ ছোৱালী এজনী জন্ম হওঁতেও সময়ই চিঠিত লিখিছিল — "তাইৰ নাম নিজৰা ৰাখিবা ....... -কাইট ভাঙি ভাঙি দুৰ্গম পৰ্বতীয়া বাটেদি ... কমান নিজৰা এটাৰ পাৰত থিয় হ'লে কেনেকুৱা লাগে, তোমালোকে কি বুজিবা?" সীমান্তৰ পৰা স্বামী আৰু কেতিয়াও ঘূৰি নাহিব বুলি গম পালে এগৰাকী গাভৰু পত্নীৰ কি অৱস্থা হয় তাক মনোৰমাৰ চৰিত্ৰৰ জৰিয়তে বুজাইছে। পিতৃ-মাতৃহীনা কণমানি শিশু নিজৰাৰ চৰিত্ৰত নিষ্কলুষ শিশু মনটো ফুটি উঠিছে। সুৱৰ্ণলতাৰ চৰিত্ৰৰ জৰিয়তে এগৰাকী ...... মাতৃৰ ছবি ফুটি উঠিছে আনহাতে ৰূপালীক এজনী মৰমীয়াল বোৱাৰী হিচাপে তুলি ধৰা হৈছে গল্পটোত।

**ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ উপন্যাসত নাৰী ঃ**

প্ৰাক্ স্বাধীন অসমৰ সামাজিক পটভূমিত ৰচনা কৰা ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অন্তৰীপ' উপন্যাসত পুৰুষৰ একছত্ৰী আধিপত্যৰ বিৰুদ্ধে নাৰীৰ বিপ্লৱক মূৰ্ত কৰি তুলিছে। উপন্যাসখনৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ 'মেনকা'ক দেউতাকে সীতা সাবিত্ৰীৰ আদৰ্শৰে গঢ় দিবলৈ চেষ্টা কৰিছিল। মেনকাইও দেউতাকৰ আদৰ্শতেই চাৰিটা সন্তানৰ মাতৃ হোৱালৈকে মহীকান্তৰ সকলো কথা সহ্য কৰি চলিছিল। কিন্তু যেতিয়া মহীকান্তই এজনী সুস্থ-সবল, সুগৃহিণী থকাৰ পিছতো কমবয়সীয়া ছোৱালী কিৰণক ঢোলে-ডগৰে হাতীত উঠি দৰা সাজি আনি ঘৰ সুমুৱালে আৰু তাইকো সন্তানৰ মাতৃ কৰিলে তেতিয়া মেনকাৰ ভিতৰৰ প্ৰতিবাদী নাৰীসত্তা জাগ্ৰত হৈ উঠিল।

ইফালে কিৰণৰ দেউতাক দুখীয়া মানুহ হোৱা বাবে চাৰিটা সন্তানৰ পিতৃ মহীকান্তৰ ওচৰত কমবয়সীয়া ছোৱালী কিৰণক মতামত নোলোৱাকৈয়ে বিয়া দিছে। দৰিদ্ৰ ঘৰৰ ছোৱালীৰ যেন কোনো মূল্যই নাই। 'সুবিধা পাইছে দি দিছে।'

যুগে যুগে নাৰীৰ ওপৰত একনায়কত্ববাদী শাসন চলাই অহা পুৰুষৰ বিৰুদ্ধে যেন মেনকাৰ এক অভিনৱ প্ৰতিবাদ। যি প্ৰতিবাদৰ বিৰোধিতা কৰাৰ সাহস কৰিবলৈও স্বামী মহীকান্তক সুবিধা দিয়া নাই। মহীকান্তৰ আগত নিঃসংকোচে মেনকাই কৈ দিছে যে — দ্বিতীয় বিবাহ কৰোৱাৰ পিছত এদিনো মহীকান্ত মেনকাৰ কাষলৈ নহাকৈয়ে পঞ্চম সন্তানৰ পিতৃ কোন বুলি সোধাৰ সাহস মহীকান্তক কৰিবলৈ নিদিয়ে — এক শক্তিশালী বাক্যবাণেৰে সেই কথা মেনকাই বুজাই দিছে — "সীতা হ'বলৈ হ'লে ৰামো থাকিব লাগে, তেহে।" মেনকাৰ দৰে শক্তিশালী নাৰী চৰিত্ৰ অন্য অসমীয়া উপন্যাসত দেখা নাযায়। মেনকা যেন সমগ্ৰ নাৰী জাতিৰ বাবে এক প্ৰতিবাদী সত্বা। বুদ্ধিমতী, যুক্তিপৰায়ণা, সাহসী আৰু এক অনন্য নাৰী চৰিত্ৰ। মেনকাৰ চৰিত্ৰৰ জৰিয়তে ড° শইকীয়াইদেৱে ইয়াকে দেখুৱাইছে যে — নাৰী এক সত্বা, পুৰুষৰ দৰে নাৰীৰো অনুভৱ আৰু আকাংক্ষাৰ এখন পৃথিৱী থাকিব পাৰে। নাৰীয়ে আকাংক্ষিত জনলৈ অন্তহীন অপেক্ষা কৰিব পাৰে কিন্তু উপেক্ষিতা নাৰীয়ে নিজৰ অপমানৰ প্ৰতিশোধত কি কৰিব নোৱাৰে



B.H.B. College, Sarupeta

তাক মেনকাৰ প্ৰতিবাদে প্ৰমাণ কৰিছে। 'অন্তৰীপ' উপন্যাসত মেনকাৰ বৰপুত্ৰ ইন্দ্ৰইও মদনৰ লগত থকা মেনকাৰ অবৈধ সম্পৰ্কৰ কথা জানি মাকৰ ভুলৰ বাবেই ঘৰখন থান-বান হ'ল বুলি কলিকতাৰ পৰা লিখি জনাওতে মেনকাইও পুতেকক জনাই দিছিল — "মই ভুল কৰিলো বুলি তইঁতে ৰামায়ণ-মহাভাৰত পঢ়ি এশখন মুখেৰে ক'লেও মই নামানো। মই একো ভুল কৰা নাই। যি কৰিছিলো, বহুত ভাবি-চিন্তি তাৰ পাছতহে কৰিছিলো।"

মাহীমাক কিৰণৰ মৃত্যুৰ পিছত ইন্দ্ৰই যেতিয়া মাক (মেনকা)ক প্ৰকাৰান্তৰে দেউতাকৰ লগত থকাৰ কথা ক'লে, তেতিয়াও মেনকাই দৃঢ়ভাৱে পুতেকক জনাই দিছিল — "জীৱনটোত আচল সময়খিনি গ'ল, বাকী সময়খিনি মই সকলো কথা পাহৰি সুখ কৰিম? সেইটো মই হ'বলৈ নিদিওঁ। সমানে সমানে থাকি সুখ পালে পালোঁ নেপালে নাই। মই নিজে সৰু হৈ কাকো সুখ দিব নোৱাৰোঁ। মদন আৰু মেনকাৰ সন্তান ধ্ৰুৱক অকলশৰীয়া মহীকান্তৰ লগত থাকিবলৈ ইন্দ্ৰৰ লগত পঠিয়াই দি মেনকাই শেষ প্ৰতিশোধ ল'লে মহীকান্তৰ ওপৰত। কিৰণৰ ছোৱালী যদি মেনকাই ৰাখিব পাৰে তেন্তে মহীকান্তইও পিতৃ পৰিচয়হীন ধ্ৰুৱক ৰাখিব পাৰিব লাগিব। মেনকাই ইন্দ্ৰক কৈছিল — "সেইটো কাম কৰিব নোৱাৰিলে মই শান্তি নাপাম। শান্তিও সমানে সমানে, কষ্টও সমানে সমানে।"

যিকোনো পৰিস্থিতিক নিজৰ আয়ত্তলৈ আনিব পৰা ক্ষমতাশালী মেনকা এটা চক্ৰাকাৰ (round) বা গতিশীল চৰিত্ৰ।

অন্তৰীপ উপন্যাসৰ উপনায়িকা কিৰণ হ'ল — আনৰ ইচ্ছা-অনিচ্ছাৰ মতেই চলি যোৱা এটি সমতলীয় (flat) বা নিশ্চল (static) চৰিত্ৰ। প্ৰথম সন্তান আইজনীৰ জন্মৰ পিছত মাকৰ ঘৰৰ পৰা আহি সন্তান সম্ভৱা মেনকাক দেখি কিৰণ দুখত ভাগি পৰিছে। মহীকান্ত তাইৰ পৰা আঁতৰি যোৱা বুলি ভাবি শান্ত-শিষ্ট আজলী কিৰণ যেন ভিতৰি ভিতৰি মৰহি যাবলৈ ধৰিছে। পাছত যেতিয়া মহীকান্তৰ লগত নতুন ঘৰলৈ গ'ল তেতিয়া তাই তিনিজনীকৈ কন্যা সন্তানৰ মাতৃ হোৱাত মহীকান্তৰ অত্যাচাৰ দিনক দিনে বাঢ়ি গ'ল। কিৰণে মানসিক ভাৰসাম্য হেৰুৱাই পেলালে। মেনকাৰ পুত্ৰৰ লগত কলিকতাত চিকিৎসাৰ বাবে গৈ তাতো শংকৰ ডাক্তৰৰ অসৎ ব্যৱহাৰত কিৰণে জীয়াই থকাৰ শেষ আশ... হেৰুৱাই পেলালে। অৱশেষত আত্মহত্যাৰ জৰিয়তে মু... পথ মুকলি কৰিলে কিৰণে।

পুৰুষ প্ৰধান সমাজত এজনী আজলী নাৰীৰ ... দুৰ্দশা 'কিৰণ' নামৰ চৰিত্ৰটোৰ জৰিয়তে ফুটাই তোলা ...

অন্তৰীপ উপন্যাসৰ আন এটা আকৰ্ষণীয় ... চৰিত্ৰ হৈছে — কলিকতাৰ এটা শিক্ষিতা আৰু সংস্কৃ... পৰিয়ালত জন্মগ্ৰহণ কৰা উচ্চশিক্ষিত চিত্ৰা। কলেজত ... থকা অৱস্থাত এজন অধ্যাপকৰ সৈতে প্ৰেমত পৰিছিল চি... তাই বিয়া হ'ব বুলি ভাবি থকা অধ্যাপকজনে যে... তাইৰেই সহপাঠী এগৰাকীক বিয়া কৰালে তেতিয়া চি... অন্তৰত বৰ আঘাত পালে। তথাপিও চিত্ৰাই বি.এ. স... কৰি এম.এ. পঢ়িবলৈ লওতেই সিহঁতৰ ঘৰত মহী... মেনকাৰ পুত্ৰ ইন্দ্ৰ কেইদিনমান আছিল। কলিক... পঢ়িবলৈ অহা ইন্দ্ৰ চিত্ৰাতকৈ সৰু। কিন্তু চিত্ৰাই ইন্দ্ৰক ... পাইছিল। অৱশেষত মাক-দেউতাকৰ ইচ্ছা মতে ... শংকৰৰ লগত বিয়া হ'ল যদিও চৰিত্ৰহীন শংকৰে চি... বিশ্বাসঘাতকতা কৰিলে। চিত্ৰাই অৱশ্যে মেনকাৰ ... প্ৰতিশোধ নলৈ শংকৰৰ ওচৰৰ পৰা আঁতৰি আহিল। ... চিত্ৰাই মাক-দেউতাক-ইন্দ্ৰক এৰি এজনী বান্ধৱীৰ স... চাকৰি কৰি পঢ়িবলৈ লণ্ডনলৈ গুচি গ'ল। ড° ভবেন্দ্ৰ... শইকীয়াই চিত্ৰাৰ জৰিয়তে স্বাধীন চিন্তাধাৰাৰে নিজৰ ... প্ৰশস্ত কৰি ল'ব পৰা এগৰাকী আধুনিক নাৰীৰ ছবি অ... কৰিছে।

'ৰম্যভূমি' দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অ... নতুনকৈ গঢ় লৈ উঠা এখন চহৰৰ পটভূমিত ৰ... 'ৰম্যভূমি'ৰ যোগমায়া এটি আকৰ্ষণীয় চৰিত্ৰ। জীৱনৰ সু... দুখ, অমৃত-গৰল সকলো পান কৰি সমাজত তিষ্ঠি থ... খোজা এটা সাহসী নাৰী চৰিত্ৰ যোগমায়া। যোগমা... জীৱনৰ পথ বৰ জটিল। বিবাহিত পুৰুষ ঘনশ্যাম চৌধু... মনে মনে স্বামী হিচাপে গ্ৰহণ কৰি এখন নিৰ্জন হাবি... অকণৰ লগত অকলে বসবাস কৰিছে। ঘনশ্যাম চৌধু... যোগমায়া আৰু পুত্ৰ অকণক কোনো অভাৱ পাব নিদি... ৰাখিছে আৰু মাজে মাজে আহি সিহঁতৰ লগত থাকি ... পুত্ৰক সময় দিছে। পিছত ৰাধা নামৰ এজনী ছোৱা... মাতৃ হৈছে যোগমায়া। কিন্তু যোগমায়াই নজনাকৈ ...

B.H.B College, Sarupeta

ঘনশ্যাম চৌধুৰীৰ মৃত্যু হৈছিল আৰু ছমাহ পিছত গম পাই যোগমায়াই পুত্ৰ অৰুণৰ হতুৱাই পিতৃৰ শ্ৰাদ্ধ আদি কৰাই বৈধব্য ব্ৰত পালন কৰিছে। অৰুণে পিছত সেই নিৰ্জন হাবিতেই স্কুল পাতি, পাৰ্ক সজাই ৰম্যভূমি কৰিব বিচাৰিছে। সেই সময়তে আৰ্থিক দুৰৱস্থাই কোঙা কৰা ঘনশ্যাম চৌধুৰীৰ প্ৰথমা পত্নীৰ সন্তান মহানন্দ আহি ওলাইছে। যোগমায়াই মহানন্দক আশ্ৰয় দিলে। কিন্তু এদিন মহানন্দই যোগমায়াক 'বেয়া তিৰোতা' আখ্যা দি সকলো মাটি-সম্পত্তিৰ গৰাকী সিয়েই বুলি প্ৰচাৰ কৰিলে। যোগমায়াই মহানন্দৰ সকলো অপবাদ মূৰ পাতি লৈ সকলো সম্পত্তিৰ গৰাকী সি বুলি মানি ল'লে। যোগমায়াৰ এই নীৰৱ প্ৰতিবাদৰ মুখামুখি হোৱাৰ সাহস মহানন্দৰ নাছিল। এদিন সি সকলো ঘৰ-মাটি এৰি আন ঠাইলৈ গুচি গ'ল। ড° শইকীয়াদেৱে যোগমায়াক এটা গতিশীল চৰিত্ৰ হিচাপে সুন্দৰ ৰূপত 'ৰম্যভূমি' উপন্যাসত দাঙি ধৰিছে।

**ড° শইকীয়াৰ উপন্যাসত নাৰীবাদ ঃ**

অসমীয়াত নাৰীবাদ শব্দটো ইংৰাজী Feminism শব্দৰ প্ৰতিশব্দ ৰূপে ব্যৱহাৰ কৰা হৈছে। । ১৯৮৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰিশীলন পাঠ্যক্ৰমত ড° গোবিন্দ প্ৰসাদ শৰ্মাই নাৰীবাদ শব্দটো প্ৰথম ব্যৱহাৰ কৰিছিল। নাৰী আৰু পুৰুষৰ সমতাৰ ধাৰণাকে Feminism বুলি জন্ চাৰ্ভেই তেওঁৰ 'Feminism' গ্ৰন্থত কৈছে। মানুহ হিচাপে নিজ ৰুচি অনুযায়ী জীয়াই থাকিবলৈ পুৰুষ আৰু নাৰী উভয়ৰে সমান অধিকাৰ আছে।

এই ক্ষেত্ৰত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অন্তৰীপ' উপন্যাসৰ 'মেনকা' এক শক্তিশালী নাৰীবাদী চৰিত্ৰ বুলি ক'ব পাৰি। আনহাতে বিয়া নোহোৱাকৈ সন্তান জন্ম দি অকলে থাকিও নীৰৱে সমাজৰ বিৰুদ্ধে কৰা প্ৰতিবাদৰ জৰিয়তে যোগমায়াও পৰোক্ষভাৱে নাৰীবাদী চৰিত্ৰ যেন হৈ পৰিছে। সাধাৰণতে পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীক আজিও সামগ্ৰী হিচাপে বিচাৰ কৰি অহা দেখা যায়। নাৰীৰ ব্যক্তি স্বাধীনতাৰ মূল্য দিয়াৰ প্ৰয়োজন আজিও যেন সমাজে অনুভৱ নকৰে।

ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱে তেখেতৰ গল্প উপন্যাসত নাৰীক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। পুৰুষ লেখক হিচাপে ড° শইকীয়াদেৱে নাৰীৰ বাবে কৰা ওকালতিৰ বাবে নাৰী স্বাধীনতাৰ ক্ষেত্ৰত তেওঁৰ নাম চিৰদিন সোণালী আখৰেৰে জিলিকি ৰ'ব।


**সহায়ক গ্ৰন্থ ঃ**

(১) এশ বছৰৰ অসমীয়া উপন্যাস — *সম্পাদনা ঃ ড° নগেন ঠাকুৰ।*
(২) গল্প আৰু শিল্প — *সম্পাদনা ঃ হৃদয়ানন্দ গগৈ।*
(৩) অসমীয়া উপন্যাস পৰিক্ৰমা — *সম্পাদনা ঃ অমল চন্দ্ৰ দাস।*
(৪) উপন্যাস আৰু অসমীয়া উপন্যাস, *গোবিন্দ প্ৰসাদ শৰ্মা।*
(৫) অসমীয়া সাহিত্যত নাৰী — *সম্পাদনা ঃ বিনীতা দত্ত*


*শক্তি-সামৰ্থ্যৰে পৰা সকলোখিনি কৰিছে মই মৰিবলৈ বিচাৰোঁ। যিমানেই বেছি কষ্ট কৰিম, সিমানেই বেছিদিন জীয়াই থাকিম। মই জীৱনক জীৱনৰ আনন্দৰ বাবেই ভাল পাওঁ। মোৰ বাবে জীৱন এডাল চুটি মমবাতি নহয়। মোৰ বাবে ই এডাল উজ্জ্বলকৈ জ্বলি থকা জোৰ। উত্তৰ পুৰুষক দি যাবৰ বাবে মই ইয়াক যিমান উজ্জ্বলকৈ জ্বলা সম্ভৱ সিমান উজ্জ্বলকৈ জ্বলাব খোজোঁ।*

*—ৰবীন শৰ্মা*

B. H. B. College, Sarupeta

# উইলিয়াম শ্বেক্সপীয়েৰৰ অদ্বিতীয় অৱদান :
## ট্ৰেজেদি (এটি আলোচনা)

কুশল পাটগি
প্ৰাক্তন ছা



*"He is not of an age, but for all times"*
— Ben Jonson.

কেবল এটা যুগৰ কাৰণে নহয়, বৰং চিৰকালৰ বাবে নিজকে প্ৰতিষ্ঠা কৰাটো যিকোনো মানুহৰ বাবে সহজ কথা নহয়। Ben Jonson ৰ শ্বেক্সপীয়েৰ প্ৰশস্তিত এইটো স্পষ্টভাৱে ওলাই পৰিছে যে ৩৭ খন নাটক, ১৫৪ টা Sonnel ৰ ৪ টা দীঘল কবিতা ৰচনা কৰা এই শ্ৰেষ্ঠ সাহিত্যিক জনে কেবল পৰিমানগত ভাৱেই নহয়, গুণগত দিশতো উচ্চমান বিশিষ্ট লিখনিৰে প্ৰবাহ মান সময়ৰ সোঁতত নিজৰ নামটো চিৰস্থায়ীকৈ ৰাখিবলৈ সক্ষম হৈছে। অথচ শ্বেক্সপীয়েৰ, এই কালজয়ী নাট্যকাৰ জন-যাৰ সম্পূৰ্ণ গ্ৰন্থাৱলী নাথাকিলে এখন ধৰ অসম্পূৰ্ণ হৈ থাকে বুলি ভবা হয় - নিজৰ যুগত শেলুৱেৰে ঢকা পদুম ফুলৰ দৰে ম্লান হৈ আছিল। অষ্টাদশ শতিকাৰ পৰাহে সমালোচক সকলে তেওঁৰ প্ৰতিভাৰ পূৰ্ণ মূল্যায়ন কৰিবলৈ আৰম্ভ কৰে।

শ্বেক্সপীয়েৰৰ নাটক সমূহ কমেডি, ট্ৰেজেদি আৰু বুৰঞ্জীমূলক - এই তিনি ভাগত ভাগ কৰিব পাৰি। অৱশ্যে ইয়াৰ কিছুমান সম্যামূলক নাটক। নাটকৰ সুখমধুৰ পৰিসমাপ্তিক কমেডি আৰু বিষাদ পূৰ্ণ সমাপ্তিক ট্ৰেজেদি আখ্যা দিয়া হয়। এই প্ৰবন্ধটিত শ্বেক্সপীয়েৰৰ ট্ৰেজেদিৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ট্ৰেজেদিৰ সৃষ্টি হৈছিল গ্ৰীচ দেশত। গ্ৰীক দেৱতা ডায়নিচাচৰ জীৱনৰ কৰুণ ভেটিত ৰচনা কৰা নাটককে ট্ৰেজেদি বুলি আখ্যা দিয়া হৈছিল। কিন্তু ট্ৰেজেদিৰ বিষ পোন প্ৰথম বাৰৰ বাবে সুচিন্তিত মতামত আগবঢ়াই দাৰ্শনিক এৰিষ্টোটলে। তেওঁৰ 'Poeties' নামৰ গ্ৰ ট্ৰেজেদিৰ সংজ্ঞা এনে ধৰণে দাঙি ধৰিছে—

"A Tradedy, is the imitation of an a tion that is Serious and also, as having magn tude, complete in itself, in Language with Ple surable accessories, each kind brought in sep rately in the Parts of the work; in a dramat not in a narrative form with incidents arous pity and fear. Where with to accomplish cathersis of such emotions." - অৰ্থাৎ ট্ৰেজেদি কোনো গভীৰ, ব্যাপক আৰু সম্পূৰ্ণ কৰ্মৰ অনুকৰণ, সু ভাষাৰে যাৰ প্ৰতিটো অংগ পৃথকভাৱে নাটকীয় প্ৰকাশিত হয় আৰু ভীতি আৰু কৰুণা সঞ্চাৰিত ঘট অতিৰিক্ত অনুভূতিৰ বিমোচন কৰে। তেওঁৰ মতে ট্ৰে কাহিনী, চৰিত্ৰ, ৰচনা শৈলী, অভিপ্ৰায়, দৃশ্য আৰু সংগী এই ছয়টা উপাদানেৰে গঠিত। অৱশ্যে এৰিষ্টোটলৰ সংজ্ঞাটো বিতৰ্কমূলক আৰু নাট্যকাৰ সকলে তেওঁলো নাট ৰচনা কৰোতে এই নীতিবোৰ আখৰে আখৰে মানি দেখিবলৈ পোৱা নাযায়।

শ্বেক্সপীয়েৰৰ ট্ৰেজেদি সমূহ জীৱনৰ সত্যৰ প্ৰ স্বৰূপ নিৰ্ণয় আৰু বিশ্বৰ গূঢ় ৰহস্যৰ দুৱাৰ মুকলি কৰি

B.H.B College Sarupeta

কৰা চেষ্টাৰ এক উৎকৃষ্ট নিদৰ্শন মানৱ চৰিত্ৰ বৰ জটিল। তাতেকৈও জটিল জীৱনৰ বাটত বাধা নোপোৱাকৈ আগবাঢ়ি যোৱাটো। সন্মুখত আহি পৰা দুৰ্লংঘ্য প্ৰাচীৰ অতিক্ৰম কৰি যাওঁতেই মানুহে ভুল কৰে আৰু ট্ৰেজেডিৰ আৰম্ভ এই ভুলতেই। জীৱনৰ অপৰিহাৰ্য দুখ-দুৰ্দশা আৰু অবাঞ্চিত পৰিস্থিতিৰ লগত সংগ্ৰাম কৰি হাৰ মনা লোকৰ কথা ট্ৰেজেডিত পোৱা যায়। সমাজৰ উচ্চস্তৰৰ লোকৰ অধঃপতন আৰু মৃত্যুৰ বিৱৰণেই তেওঁৰ ট্ৰেজেডিৰ মূল বিষয়বস্তু। পূৰ্ববৰ্ত্তী নাট্যকাৰ সকলক অনুসৰণ নকৰি সাধাৰণ জনতাৰ মাজতে পোৱা চৰিত্ৰ কিছু মানক লৈ জীৱনৰ বিবাদ বীক্ষা ৰচিবলৈ শ্বেক্সপীয়েৰে নাটকৰ যোগেৰে সফল প্ৰচেষ্টা চলাইছে। তদুপৰি ভয় আৰু করুণাৰ সৃষ্টি কৰি এৰিষ্টোটলৰ সংজ্ঞাৰো সাৰ্থক ৰূপায়ন কৰিছে।

শ্বেক্সপীয়েৰৰ ট্ৰেজেডিসমূহ গভীৰ ভাৱে অধ্যয়ন কৰিলে দেখাযায় যে এইবোৰৰ কিছুমান বিশেষ বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবোৰে শ্বেক্সপীয়েৰৰ নাটক সমূক এক অভিনত প্ৰদান কৰিছে। ব্ৰেডলি আদি সমালোচক সকলৰ মতে শ্বেক্সপীয়েৰৰ নাটকৰ কাহিনী এজন মানুহকলৈ গঠিত হয়। অৰ্থাৎ ঘটনাসমূহ কেন্দ্ৰীভূত হয় প্ৰধানকৈ নায়কজনৰ ওপৰত। অৱশ্যে প্ৰেমৰ ট্ৰেজেডি যেনে— 'ৰোমিঅ' এণ্ড জুলিয়েট', এণ্টনি এণ্ড ক্লিওপেট্ৰা' - ইত্যাদিত নায়কৰ লগতে নায়িকাকো ঘটনাক্ৰমৰ কেন্দ্ৰ হিচাপে দেখা যায়। আকৌ নায়কজন উচ্চ বংশজাত - প্ৰায়েই ৰজা বা ৰাজ কুমাৰ অথবা উচ্চ পদাধিকাৰী নহ'লে সম্ভ্ৰান্ত পৰিয়ালৰলোক হয়।

এই ট্ৰেজেডিবোৰৰ নায়কৰ জীৱনলৈ নামি অহা বিপৰ্যয় তেওঁৰ নিজৰ কৰ্মৰ ফল আৰু মৃত্যু হ'ল ইয়াৰ অনিবাৰ্য পৰিণতি। নায়কৰ মানসিক সংঘাত আৰু জীৱনৰ কৰুণই সমগ্ৰ দৃশ্যচিত্ৰবোৰে সিক্ত কৰি তোলে আৰু দৰ্শকৰ মনত ট্ৰেজিক অনুভূতি আৰু করুণাৰ সৃষ্টি কৰে। কাৰ্য্য আৰু চৰিত্ৰৰ অপূৰ্ব সংমিশ্ৰণে নাট সমূহ উপভোগ্য কৰি তুলিছে।

"Character is desting" - এই কথাষাৰৰ পূৰ্ণ প্ৰমাণ ট্ৰেজেডিত পোৱা যায়। শ্বেক্সপীয়েৰে গ্ৰীক ট্ৰেজেডিৰ দৰে মানুহক ভাগ্য বা নিয়তিৰ কঠোৰ হাতৰ দ্বাৰা পৰিচালিত বুলি নাভাৱে। তেওঁৰ মতে আবেগ আৰু দুৰ্ব্বলতা মানুহৰ চৰিত্ৰৰ এক বিশেষ অংগ আৰু দুৰ্ব্বলতা পৰিহাৰ কৰিব নোৱাৰে বাবেই মানুহৰ ভুল হয় আৰু এক ধ্বংসময় জীৱনৰ সূচনা কৰে। সৎ আৰু অসৎ শক্তিৰ মাজৰ সংঘৰ্ষত বেয়াৰ লগতে ভালৰো বিনাশ সাধন হৈ আছে। এই সৎ গুণৰ করুণ বিনাশৰ ভাৱে প্ৰতিজন দৰ্শকৰ মন চুই যায়।

শ্বেক্সপীয়েৰে তেওঁৰ প্ৰায়ভাগ নাটকতে মনৰ কিছুমান অস্বাভাবিক অৱস্থাৰ বাবে হোৱা বিসংগতিৰ উল্লেখ কৰিছে। 'মেকবেথ' নাটকত লেডী মেকবেথে নিশা টোপনিতে খোজ কঢ়া বা ডান-কান হত্যাৰ আগমূহুৰ্ত্তত মেকবেথে শূণ্যতে তৰোৱাল দেখা আদি মূল কাহিনীত এই সৰু-সুৰা ঘটনাবোৰে বিশেষ প্ৰভাৱ নেপেলায়। তদুপৰি মলৌকিকতাৰ অৱতাৰণাও তেওঁৰ নাটকৰ এক বৈশিষ্ট্য। ভূত, ডাইনী আদিৰ আবিৰ্ভাৱৰ দৃশ্য বেছ শিহৰণপূৰ্ণ।

এটা মন কৰিবলগীয়া কথা এয়ে যে শ্বেক্সপীয়েৰৰ ট্ৰেজেডিত সুযোগ অথবা দুৰ্ঘটনাই কাহিনীৰ গতিত যথেষ্ট পৰিবৰ্ত্তন আনো ৰোমিওই সময় মতে ফ্ৰায়াৰ লৰেন্সৰ পৰা খবৰ নোপোৱা, জুলিয়েটৰ নিৰ্দ্ধাৰিত সময়ৰ আগতে নিদ্ৰাভাগ, ডেচ্‌ডিমোনাৰ হাতৰ ৰুমালখন দুৰ্ভগীয়া মুহূৰ্ত্তত সৰি পৰা, জলদস্যুৰ দ্বাৰা হেম্‌লেটৰ জাহাজ আক্ৰমণ যাৰ ফল স্বৰূপে তেওঁৰ ডেন্‌মাৰ্কলৈ পুনৰ গমন ইত্যাদি একো একোটা দুৰ্ঘটনাৰ বাহিৰে আন একো নহয়। এই দুৰ্ঘটনাবোৰৰ পিচতেই নাটকৰ কাহিনীয়ে এক শোকাবহ পৰিস্থিতিৰ পিনে আগুৱাই যায়। বাস্তৱ জীৱনত দেখা যায় যে মানুহে কোনো উদ্দেশ্য সাধনৰ কাৰণে কামৰ আচনি কৰে, কিন্তু কাৰ্যকৰী কৰোঁতে সেইমতে কৰিব নোৱাৰা হয়, ই নিয়ন্ত্ৰণৰ বাহিৰ হৈ যায়। নাট্যকাৰে হয়তো এই কথাষাৰ অনুভৱ কৰাৰৰ বাবে আৰু নাটকীয় প্ৰয়োজনত এনেধৰণৰ দুৰ্ঘটনাৰে ট্ৰেজেডিৰ সৃষ্টি কৰিছে।

ড" জনছনে অভিযোগ কৰিছে যে শ্বেক্সপীয়েৰৰ নাটকত কাব্যিক ন্যায় (Poetic Jusstice) সম্পূৰ্ণৰূপে অনুপস্থিত। যিয়ে ভুল কৰে তেওঁ নিশ্চয় ফল ভোগ কৰিব লাগিব। দুষ্টই কেতিয়াও বিজয় তিলক পিন্ধিব নোৱাৰে। কিন্তু সকলোকে পাবলগীয়া ন্যায় খিনিও যেতিয়া শ্বেক্সপীয়েৰৰ নাটকত পোৱা নাযায়, তেতিয়া স্বাভাবিকতে মনত বহু প্ৰশ্নৰ উদয় হয়। অফেলিয়া, ডেচ্‌ডিমোনা বা কৰ্ডেলিয়াই কি দোষত শাস্তি ভুগিব লগা হ'ল? 'অথেল' আৰু 'ইয়াগ' উভয়েই কষ্ট পাইছে সচা, কিন্তু অথেল'ৰ কষ্টভাগৰ পৰিমান বেছি কিয়? ইত্যাদি প্ৰশ্নৰ উত্তৰ বিচাৰিলে



B.H.B College, Sarupeta

পোৱা যায় যে শ্বেক্সপীয়েৰে সৎ শক্তিৰ কিছু অংশৰ বিনাশৰ দ্বাৰাই অসৎ শক্তিক প্ৰতিৰোধ কৰিব বিচাৰিছে। এই চৰম সত্যই ট্ৰেজেদিৰ প্ৰকৃত মূল্য নিৰ্দ্ধাৰণ কৰিছে। মানুহে বিচাৰিলেই পাব তেনে কথা শ্বেক্সপীয়েৰে কোৱা নাই। কোনো ধৰণৰ সমস্যাৰ সমাধান কৰিবলৈ তেওঁ প্ৰয়োজনবোধো কৰা নাই।

এই বিশেষ বৈশিষ্ট্যবোৰে শ্বেক্সপীয়েৰীয় ট্ৰেজেদিক বিশ্বৰ অন্য নাট্যকাৰৰ নাটকতকৈ সুকীয়া স্থানত অধিষ্ঠিত কৰিছে। তেওঁৰ আটাইবোৰ ট্ৰেজেদিৰ পৃথক আলোচনা কম পৰিসৰত সম্ভৱ নহয়। সেইবাবে মহত্বৰ যি চাৰিখন ট্ৰেজেদিয়ে শ্বেক্সপীয়েৰৰ সাহিত্য জীৱনৰ সোণৰ কলসী নিৰ্মান কৰিছে, তাৰ সম্যক আলোচনা আগবঢ়োৱা হ'ল।

'হেমলেট' (১৬০০-০১) ঃ কাহিনীৰ জটিলতা আৰু তাৰ সূক্ষ্ম ৰূপায়ণেৰে 'হেমলেট' শ্বেক্সপীয়েৰৰ আটাইতকৈ জনপ্ৰিয় আৰু সৰ্বাধিকবাৰ আলোচিত নাটক। এয়া এজন আদৰ্শবাদীৰ দ্বিধাগ্ৰস্ততাৰ ফলত সৃষ্টি হোৱা ট্ৰেজেদি। ডেন-মাৰ্কৰ ৰাজকোঁৱৰ 'হেমলেট পিতৃহত্যাৰ প্ৰতিশোধ ল'বলৈ ওলাই দাৰ্শনিক চিন্তাৰ জোৱাৰত সময়মতে কাৰ্যকৰী ব্যৱস্থা ল'ব নোৱাৰি শেষত মৃত্যুক আকোৱালি ল'লে। নাটকৰ আদিৰ পৰা অন্তলৈ মাথো দেখা যায় নায়কৰ কৰ্ত্তব্য সম্পাদনৰ বাবে কৰা আপ্ৰাণ প্ৰচেষ্টা। পিতৃহন্তা ক্লডিয়াছ মাক গাৰট্ৰড, প্ৰেয়সী অফেলিয়াকে ধৰি আঠটা চৰিত্ৰৰ মৃত্যু, অশৰীৰীৰ আৱিৰ্ভাৱ আদিয়ে নাটকখন বিভীসিকাপূৰ্ণ কৰি তুলিছে। হেমলেটৰ উচ্চ বুদ্ধিমত্তা আৰু দাৰ্শনিক চিন্তাৰ সমন্বিত নিগূঢ় স্বগতোক্তিয়ে এহাতে যেনেকৈ তেওঁৰ মানসিক সংঘাতৰ সুন্দৰ পৰিস্ফুটন ঘটাইছে ঠিক তেনেকৈ আনহাতে শ্বেক্সপীয়েৰৰ সৃষ্টি নৈপুণ্যৰ পৰিচয় দাঙি ধৰিছে। "To be or not to be : that is question" - এই স্বগতোক্তিটো হেমলেটৰ তীব্ৰ অন্তৰ্দ্বন্দ্বৰ সুন্দৰ প্ৰকাশ। কাৰ্যসাধনত অযথা বিলম্ব, বলিয়াৰ অভিনয় আদিৰে হেমলেটে সমালোচকৰ বাবে সমস্যাৰ সৃষ্টি কৰিছে। আন কোনো ট্ৰেজেদিত তেওঁৰ দৰে জটিল চৰিত্ৰ পোৱা নাযায়। এজন কাব্যিক নাটক হিচাপে ইয়াৰ ভাষা, ভাৱাবেগেৰে 'সাহিত্যৰ মনালিছা 'হেমলেট' নৈতিক আদৰ্শ আৰু চিন্তাৰ ট্ৰেজেদি।

'অথেল' (১৬০৩-০৪) ঃ অশুভ শক্তিৰ প্ৰৰোচনা... জীৱনৰ ছন্দপতন ঘটোৱা কাহিনীৰে 'অথেল' এখন প্ৰেম... ট্ৰেজেদি। এই ঘৰুৱা (domestic) ট্ৰেজেদি মন... শ্বেক্সপীয়েৰে সন্দেহৰ পৰা জন্ম হোৱা অবিশ্বাস আৰু ঈৰ্ষা... জুইৰে ভস্ম হোৱা এহাল দম্পতিৰ কথা বৰ্ণনা কৰি... নাটকৰ নায়ক কৃষ্ণাংগ 'অথেল' ভেনিচৰ এজন বী... সেনাপতি। মহান ব্যক্তিত্বৰে সুন্দৰী ডেচ্‌ডেমোনাৰ প... গ্ৰহণ কৰিবলৈ সমৰ্থ হোৱা 'অথেল' সৰলতাৰ এক মূ... প্ৰতীক। বাস্তৱ জীৱনৰ নিষ্ঠুৰতা আৰু প্ৰতাৰণাৰ বিষয়ে সম্পূৰ্ণ অজ্ঞ এই সাহসী নায়ক জনৰ সৰলতাৰ সুযোগ গ্ৰহণ কৰিলে ইয়াগ'ই - শ্বেক্সপীয়েৰৰ নাটকৰ আটাইতকৈ ঘৃণ... চৰিত্ৰই। অভিজ্ঞ পুতলা নাচৰ পৰিচালকৰ দৰে ইয়াগ'ই আঙুলিৰ ঠাৰেৰে অথেল'ক নচুৱাই নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে তেওঁক ধ্বংসৰ পথ দেখুৱাই দিছে। নাটকৰ শেষত নিৰপৰাধী ডেচ্‌ডিমোনাক হত্যা কৰি অনুশোচনাত দগ্ধহৈ আত্মহত্যা... 'অথেল'ই নাটকখন কৰুণ পৰিণতিৰ ফালে ঠেলি দি... নিষ্ঠুৰ ষড়যন্ত্ৰৰে নিজকে প্ৰতিষ্ঠা কৰিব বিচৰা ইয়াগ'ই... অৱশ্যে বিচাৰৰ পৰা সাৰি যাব নোৱাৰিলে। অশুভ শক্তি... এনেকুৱা চৰিত্ৰগত চিত্ৰণ যিকোনো সাহিত্যতে পোৱা কঠি...

'কিংলিয়েৰ' (১৬০৫-০৬) ঃ যদি 'হেমলেট' শ্বেক্সপীয়েৰৰ উৎকৃষ্টতম ট্ৰেজেদি হয়, তেন্তে 'কিংলিয়েৰ' হ'ব তেওঁৰ মহত্তম ট্ৰেজিদি। তেওঁৰ আন সকলো... কাহিনীতকৈ এইটোৱে আটাইতকৈ মৰ্মস্পৰ্শী। অহংকাৰ... অন্ধ হৈ জীৱনৰ সত্য অসত্যৰ প্ৰকৃত ৰূপ বুজিব নোৱাৰা অশীতিপৰ বৃদ্ধ ৰজা লিয়েৰে নুমলীয়া জী কৰ্ডেলিয়াক বঞ্চিত কৰি ডাঙৰ আৰু মাজু জী গনেৰিল আৰু বিগান... তেওঁৰ ৰাজ্যখন ভগাই দিলে। কৰ্ডেলিয়াৰ দোষ এয়ে... তেওঁ স্বাৰ্থ পৰ বায়েকহঁতৰ দৰে অতিৰঞ্জিত ভা... দেউতাকক ভাল পায় বুলি নকৈ তেওঁৰ শ্ৰদ্ধাত আনুগত্য... আৰু প্ৰেম দেউতাকৰ সমানে স্বামীয়েও লাভ কৰিব— জীৱনৰ এই সৰল সত্যটো প্ৰকাশ কৰিছিল মাত্ৰ। কিন্তু ডাঙৰ জীয়েক দুজনীৰ অনাদৰে জীৱন দুৰ্বহ কৰি তোলা লিয়েৰক অৱহেলিতা কৰ্ডেলিয়াইহে ৰাখিব লগা হ'ল। শেষত ক্ষমতা... আৰু ৰাজ্য লাভৰ কাৰণে কৰা এক নিষ্ঠুৰ ষড়যন্ত্ৰ... কৰ্ডেলিয়াই প্ৰাণ আহুতি দিলে। উপযুপৰি আঘাত পোৱাৰ পিছত উদভ্ৰান্ত লিয়েৰেও মৰণেৰে নিজৰ ভুলৰ পৰিশোধ...

B.H.B. College, Sarupeta

কৰিলে। অৱশ্যে মৃত্যুৰ আগতে ঘাত-প্ৰতিঘাতত জৰ্জৰিতলিয়েৰে গঠক ভৰিলে গছকি আত্ম উপলব্ধিৰে মানুহক মানুহ হিচাপে চাবলৈ শিকিছে। 'ফুল' (Foll) অৰ চৰিত্ৰ সৃষ্টি শ্বেক্সপীয়েৰৰ এক অনুপম কীৰ্তি। নামত 'ফুল' হ'লেও তেওঁ কিন্তু নিৰ্বোধ নহয়। হাঁহিৰ মাজেৰে ৰজাক ভুলবোৰ দেখুৱাই দিব পৰা ব্যক্তি একমাত্ৰ তেৱেঁই। পাৰিবাৰিক জীৱনৰ আধাৰত নিৰ্মিত এই ট্ৰেজেদিখন এক চিৰন্তন মানবীয় সমস্যাৰ সাৰ্থক প্ৰতিচ্ছবিৰে যুগে যুগে মানুহৰ মন আকৰ্ষণ কৰি আহিছে।

মেক্‌বেথ (১৯০৬) ঃ অতি মাত্ৰা উচ্চাকাংক্ষাৰে উন্নতিৰ চৰম শিখৰত উপনীত হ'বলৈ অসৎ উপায় অৱলম্বন কৰিলে মানসিক শান্তি হেৰুৱাই মৃত্যুৰ গ্ৰাসত পৰিব লগা হোৱা কাহিনীয়ে 'মেক্‌বেথ'ৰ মূল বিষয়বস্তু। নাতি দীঘ এই ট্ৰেজেদিমনত শ্বেক্সপীয়েৰে মানুহৰ মাজত থকা অশুভ শক্তি কেনেদৰে উপযুক্ত ইন্ধন পালে প্ৰজ্জ্বলিত হৈ উঠে তাক সুন্দৰ ঘটনাক্ৰমেৰে বৰ্ণনা কৰিছে। সাধাৰণতে ট্ৰেজেদিত পোৱাৰ দৰে ইয়াৰ নায়কজন সৎ গুণেৰে বিভূষিত নহয়। প্ৰতিনায়কোচিত চৰিত্ৰৰে অভূতপূৰ্ব সাফল্যৰে শ্বেক্সপীয়েৰে আকৰ্ষণীয় ভাৱে আৰু সূক্ষ্মতাৰে মেক্‌বেথৰ চৰিত্ৰ অংকন কৰি জগতক জনাই দিছে যে প্ৰতিনায়কক নায়কৰ স্থানত বহুৱালেও ট্ৰেজেদিৰ ৰসভংগ নহয়। তিনিজনী ডাইনীৰ পৰা ৰজা হ'ব বুলি ভৱিষ্যৎবাণী শুনি উচ্চাকাংক্ষী মেক্‌বেথ আৰু তেওঁৰ উপযুক্তা সহ-ধৰ্মিনীয়ে ক্ষমতাৰ লালসাত ৰজা ডানকানক হত্যা কৰি সিংহাসনৰ অধিকাৰী হ'ল। তদুপৰি ভৱিষ্যত উত্তৰাধিকাৰীৰ পথ নিষ্কণ্টক কৰিবলৈ স্নেহৰ বন্ধু বেংকোক হত্যা কৰালে। কিন্তু সৰ্বোচ্চ ক্ষমতা প্ৰাপ্তিৰ পিছত তেওঁলোকে ইয়াৰ অসাৰতা অনুভৱ কৰিলে আৰু জীৱনৰ শান্তি ইয়াৰ চৰম মূল্য হিচাপে শোধাব লগা হ'ল। একতীব্ৰ অপৰাধ বোধৰ মানসিকতাৰে লেডী মেক্‌বেথে ৰাতি টোপনিত খোজ কাঢ়ি আৰু মেক্‌বেথে মনৰ বিভ্ৰান্তিৰে পাপৰ প্ৰায়শ্চিত কৰিবলগীয়া হ'ল। শেষত যুদ্ধক্ষেত্ৰত মৃত্যু বৰণ কৰি মেক্‌বেথে চিৰ শান্তি লাভৰ আশা কৰিলে। সৎ আৰু অসৎ প্ৰকৃতিৰ মাজৰ টনা-আজোৰা, আকাংক্ষিত বস্তুৰ সুচিন্তিত বাচনি আৰু দায়িত্ববোধ, প্ৰাকৃতিক নিয়মৰ লগত সম্পৰ্কিত মানৱ চৰিত্ৰ আদি অজস্ৰ সমলৰ সময়ত শ্বেক্সপীয়েৰে মেক্‌বেথ নাটকত এক সুমধুৰ সুৰ সমলয়ৰ সৃষ্টি কৰিছে।

এই বিখ্যাত ট্ৰেজেদি কেইখনৰ তথা শ্বেক্সপীয়েৰৰ অন্য নাটকৰ কাহিনীবোৰ ইতিপূৰ্বে প্ৰচলিত লোক কথা অথবা প্ৰাচীন সাহিত্যৰ পৰা লোৱা। কিন্তু অনন্য সৃষ্টি ক্ষমতাৰে জুমুঠিৰ ওপৰত প্ৰতিমা গঢ়ি নানা ৰঙেৰে নতুন ৰূপত এনেদৰে সজোৱা হৈছে যে এয়া মৌলিক নহয় বুলি কোৱাৰ উপায় নাই। সাধাৰণ একোটা চহা চৰিত্ৰ তেওঁৰ যাদুৰ পৰশত নৈতিক আৰু মানসিক ভাৱে পূৰ্ণজীৱন লাভ কৰি উদ্ভাষিত হৈ উঠিছে। নাট্যোৎকণ্ঠা বজাই ৰাখি এখন বাস্তৱ আৰু চলমান জগতৰ সৃষ্টি কৰিলেও শ্বেক্সপীয়েৰ সদায় আৰ-কাপোৰৰ আঁৰত সৃষ্টিকৰ্তা ঈশ্বৰৰ দৰেই অদৃশ্য হৈ আছে। অতুলনীয় দক্ষতাৰে যুগমীয়া চৰিত্ৰ সৃষ্টি কৰি শ্বেক্সপীয়েৰে শাশ্বত মানবীয় মূল্যবোধ অপৰিসীম জ্ঞান আৰু উচ্চল কল্পনা শক্তিৰে প্ৰাণৱন্ত কৰি তুলিছে। মঞ্চৰ উপযোগীকৈ মানুহৰ হৃদয়ৰ গভীৰতম প্ৰদেশত ভুমুকি মাৰি চাবলৈ সক্ষম হৈছে। এলিজাবেথীয় যুগৰ সমসাময়িক সমাজৰ প্ৰতিফলন ঘটাইও যুগক অতিক্ৰমি জনমানসত বে যাপাত কৰিবলৈ সক্ষম হোৱা বিশ্বৰ অপ্ৰতিদ্বন্দী নাট্যকাৰ শ্বেক্সপীয়েৰৰ মহত্ব স্বীকাৰ কৰি মেথিও আৰ্নল্ডেও কৈছে—

Others abide our question. Thouart free.
We ask and ask. Thou similest and art still out-topping knowledge.

*অসমীয়া ভাষা আমাৰ মাতৃভাষা। মাতৃৰ নিচিনা বাবেই মাতৃয়ে বেজাৰ পোৱা কাম কৰাতো সন্তানসকলৰ পক্ষে অযুগুত। ইয়াকে ভাৱি অসমীয়াসকলে মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিবান হোৱা উচিত।*

*—আনন্দৰাম ঢেকীয়াল ফুকন*

B.H.B. College, Sarupeta



# সাম্প্ৰতিক সময়ত গ্ৰন্থ অধ্যয়ন
# মানসিকতা আৰু আ

বুলুমণি ক
স্নাতক পঞ্চম ষা

জীৱনক সৰ্বাংগসুন্দৰ কৰি গঢ়ি তোলাত গ্ৰন্থ অধ্যয়নে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। গ্ৰন্থ অধ্যয়নে মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাত যথেষ্ট পৰিমাণে সহায় কৰে। সৰু ল'ৰা-ছোৱালীবোৰক তেওঁলোকৰ অভিভাৱকসকলেই সৰুৰে পৰাই গ্ৰন্থ অধ্যয়নৰ প্ৰতি আকৃষ্ট কৰি তুলিব লাগে। এযাৰ কথা আছে যে এজন ভাল বন্ধুতকৈ এখন ভাল কিতাপ বহুত বেছি মূল্যবান। কিয়নো বন্ধুজনে সময়ত আপোনাৰ সংগ এৰা দিবও পাৰে, কিন্তু কিতাপৰ জাতেই হৈছে এনেকুৱা যিয়ে কোনোদিনে আপোনাৰ সংগ ত্যাগ নকৰে।

বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যুগ। বিজ্ঞানে সৃষ্টি কৰা ন-ন মনোৰঞ্জনৰ আহিলাসমূহে বৰ্তমানৰ মানৱ সমাজক পুথি অধ্যয়নৰ পৰা দূৰলৈ লৈ যোৱা পৰিলক্ষিত হৈছে। আগতে সৰু ল'ৰা-ছোৱালীক মনোৰঞ্জনৰ বাবে বিভিন্ন সাধুকথাৰ পুথি, অকনিৰ ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থ হাতত তুলি দিছিল, বিভিন্ন জীৱ-জন্তু, ফল-ফুলৰ ছবি থকা কিতাপেৰে তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিছিল; কিন্তু বৰ্তমান সময়ত মাক-দেউতাকে নিজৰ সন্তানক এনে এখন গ্ৰন্থ হাতত তুলি দিয়াৰ বিপৰীতে মোবাইলটোহে তুলি দিয়ে। ইয়ে শিশুৰ ভৱিষ্যত জীৱন অন্ধকাৰৰ দিশে লৈ গৈ আছে।

বৰ্তমানৰ যুৱ প্ৰজন্ময়ো বিজ্ঞান-প্ৰযুক্তিৰ প্ৰভাৱত গ্ৰন্থ অধ্যয়নৰ প্ৰতি অমনোযোগী হৈ পৰিছে। তেওঁলোকে এতিয়া মোবাইল গেম খেলি বা চ'ছিয়েল মিডিয়াত তেওঁলোকৰ মূল্যবান সময়বোৰ ধ্বংস কৰি আহিছে। এই সমূহ কাৰ্যত নিজকে নিয়োজিত কৰি ৰখাৰ ফলত তেওঁলোকৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতিও অনিহাৰ সৃষ্টি হৈছে। গ্ৰন্থ অধ্যয়নেই মানুহৰ সৃষ্টিশীল প্ৰতিভাক বিকশিত কৰাত যথেষ্ট সহায় কৰে। বৰ্তমানৰ যুৱ-প্ৰজন্মৰ মাজত দেখা দি অধ্যয়নৰ অনিহাই তেওঁলোকৰ সৃষ্টিশীল গুণসমূহকে লাহে নোহোৱা কৰি পেলাব ধৰিছে আৰু ইয়ে ভ আমাৰ ভাষাটোৰ প্ৰতিও এক ভাবুকিৰ সৃষ্টি কৰিব সাহিত্যিক হোমেন বৰগোহাঞিদেৱে কৈছিল — " জীৱনটো পোকে খোৱা আমটোৰ দৰে। জীৱনটোৰ অংশ আৰু অভিজ্ঞতাই যন্ত্ৰণাময়। পকা আমটোৰ ভাল অংশটো সমস্ত মনোযোগ দি গুটিটো পৰ্যন্ত পৰম তৃপ্তি পোৱাৰ দৰে মানুহৰ দিনবোৰ সদায় কৰিব লাগে।"

ভাষা এটা জীয়াই ৰখাৰ একমাত্ৰ মাধ্য সেই ভাষাটোত ৰচিত হোৱা বিভিন্ন ধৰণৰ সাহি যদি সেই ভাষাটোত সৃষ্টি হোৱা সাহিত্যসমূহৰ বাবে পাঠকৰ অভাৱ হয় বা পাঠকৰ সংখ্যা কমি তেতিয়া হ'লে লাহে লাহে সেই ভাষাটোত সাহি সংখ্যা কম হৈ গৈ থাকিব আৰু এনেদৰেই এ ভাষাটোৱে মৃতপ্ৰায় অৱস্থা লাভ কৰিব।

সেয়েহে আমি গ্ৰন্থ অধ্যয়নৰ অভ্যাস গ উচিত। ছাৰ জন হাৰ্শ্বেলে কৈছিল — "পৰি জীৱনত অন্তহীনভাৱে ঘটি থকা ঘাত-প্ৰতিঘাতৰ প ৰক্ষা কৰাৰ বাবে ওৰেটো জীৱন সুখ আৰু আন হ'ব পৰাকৈ আৰু জগতৰ ভ্ৰূকুটি, অৱজ্ঞালৈ আ নিজক বচাই ৰাখিবলৈ মই যদি কিবা এক ৰুচি হয়, সেয়া গ্ৰন্থ অধ্যয়ন।"

গ্ৰন্থৰ সৈতে বন্ধুত্ব গঢ়া মানেই আমাৰ জী ভাষা, সংস্কৃতি ইত্যাদিক এন্ধাৰৰ পৰা পোহৰ যোৱা। এই ক্ষেত্ৰত মানুহৰ একাগ্ৰতা গুণৰ যথেষ্ট

B.H.B. College, Sarupeta



# অজিৎ বৰুৱাৰ মন-কুঁৱলী সময়

**প্ৰীতিৰেখা দত্ত**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

অসমীয়া আধুনিক কবিতাৰ ইতিহাসৰ এক যুগান্তকাৰী পৰিবৰ্তনৰ সূচনা কৰা এজন কবি অজিৎ বৰুৱা। তেখেতৰ আধুনিকতা অসমীয়া কবিতাৰ আধুনিককাতকৈ কিছু ভিন্ন। বোধ আৰু ভাবনাৰ একান্ত নিজা জগতখনত অধ্যয়ন, পৰ্য্যবেক্ষণ আৰু অনুশীলনৰ যোগেদি তেওঁ কাটি উলিয়াইছিল এটা নতুন বাট।

কবি অজিৎ বৰুৱাৰ মন-কুঁৱলী সময় এটি উৎকৃষ্ট প্ৰতীকবাদী কবিতা। ৰংঘৰ আলোচনীৰ ২য় বছৰ ১০ম সংখ্যাত (১৯৪৯) প্ৰকাশ পায় কবি বৰুৱাৰ অন্যতম কবিতা মন-কুঁৱলী সময়। খ্যাতনামা সমালোচক নলিনীধৰ ভট্টাচাৰ্য্যৰ মতে, অজিৎ বৰুৱা মন-কুঁৱলী সময়ৰ প্ৰসংগ আৰু প্ৰকৰণৰ অভিনৱত্ব মন কৰিবলগীয়া।

কবিতাটো কবিৰ নষ্টালজিয়াবোধৰ এক বাঙ্ময় ৰূপায়ণ। ল'ৰালিৰ সোণালী দিনত যাপন কৰা ৰাতিপুৱাৰ প্ৰসংগৰে কিছুমান ব্যক্তিগত অনুভৱক কবিতাৰ ৰূপত আকৰি আনিছে।

আৰম্ভণিৰ দুটা চৰণত শৰতৰ ৰাতিপুৱাৰ এখন ছবি আছে —

কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা
কুঁৱলি গলি ভাঁহে

কবিৰ অনুভৱক কাতিৰ কুঁৱলীবোৰে ৰাতিপুৱাটোক ধুমায়মায় কৰি তুলিছে। কবিৰ কল্পনাৰ এই ধোঁৱাখিনি ৰাতিপুৱাৰ ভূষণ বা পৰিচয়। কবিৰ মতে এই পুৱাটো যেন তেওঁৰ এবছৰ বয়সীয়া শৈশৱ জীৱনটোহে যাক সোঁৱৰণিৰ যোগেদি তেওঁ পুনৰ যাপন কৰি উঠিলো বুলি কৈছে। কাতি মাহৰ ধৱলবৰ্ণা ধোঁৱা ৰাতিপুৱাৰ প্ৰসংগই এক গুৰুত্বপূৰ্ণ ৰূপ পৰিগ্ৰহণ কৰিছে। কবিৰ স্মৃতিপটত ভাঁহি উঠাৰ বাবে সেই ৰাতিপুৱাটো হৈ উঠিছে ধুমায়মান। এবছৰ বয়সীয়া অতীত জীৱন প্ৰসংগটোৰ লগতো ইয়াৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। কাৰণ ধুমায়মান ৰাতিপুৱাৰ অস্পষ্ট ছবিখনৰ দৰেই এবছৰীয়া শিশুৰ অভিজ্ঞতাৰ ছবিখনো অস্পষ্ট। কাৰণ এবছৰ বয়সত এটা শিশুৰ হ'ব পৰা অভিজ্ঞতাখিনি পূৰ্ণবয়স্ক হোৱাৰ পাছত মানুহৰ প্ৰায়ে মনত নাথাকে আৰু থাকিলেও সি নিতান্তই ধুঁৱলি-কুঁৱলিকৈ থাকে।

কবিতাটোত কবিয়ে স্মৃতি ৰোমন্থনৰ জৰিয়তে এবছৰ বয়সীয়া পুৱাৰ অনুভৱেৰে সিক্ত হৈ উঠিছে। অতীত ৰোমন্থনৰ মুহূৰ্তত কবিয়ে বৰ্তমানৰ অৱস্থিতিক পাহৰি পেলায় যেন এবছৰ বয়সীয়া শিশু কালটোলৈ ঘূৰি গৈছে। বৰ্তমানৰ কবি আৰু এবছৰীয়া কবিৰ মাজত এখন সমন্বয়ৰ সেঁতু, য'ত সময় নামৰ ৰূপকটো স্থানু হৈ পৰিছে। এই ধৰণৰ

B.H.B. College, Sarupeta

অনুভৱখিনিক কবিয়ে দুটা শাৰীৰ নটি শক্তিশালী শব্দৰে গাঁথিছে এইদৰে —

"থকা নথকা এক পলকৰ দলঙত
সময় বন্ধ হৈ যায়। (?) ...."

এই শব্দকেইটাৰে যেন কবিয়ে তেওঁৰ মনৰ অনুভৱখিনি সাৰ্থক ৰূপত তুলি ধৰিব পৰা নাই। তেওঁৰ মনে আৰু স্পষ্টতা বিচাৰিছিল। হয়তো সেইবাবেই শেষৰ শব্দৰ কাষত আৰু বন্ধনীৰ ভিতৰত স্থান দিছে এটি প্ৰশ্নবোধক চিহ্নৰ। তাৰ পাছত মনৰ মাজত অব্যক্ত আৰু অলিখিত ভাৱখিনিক এশাৰী বিন্দুৰে তুলি ধৰাৰ প্ৰয়াস কৰিছে। অতীত-বৰ্তমানৰ এক পলকৰ দলঙত থৰ হৈ ৰৈ যোৱা সময়খিনিত কবিৰ অনুভৱখিনিক তেওঁ দাঙি ধৰিছে মুখত মঙহ লৈ সাঁকোৰেদি নৈ পাৰ হোৱা কুকুৰটোৰ প্ৰচলিত সাধুকথাৰ অনুষংগৰে —

'এদিনাখন এটি ঢেকুৰা কুকুৰে মুখত মঙহ লৈ,
বুকুত খামোচ মাৰি ধৰি আছিল কামৰূপৰ মেপ
নিনিয়া ভয়'

ভুকি দি কুকুৰটোৱে মঙহ টুকুৰা হেৰুওৱাৰ দৰেই কবিয়েও স্মৃতি ৰোমন্থনৰ যোগেদি নকৈ যাপন কৰা সুন্দৰ শৈশৱতো হেৰুওৱাৰ ভয়ত দ্বিধাগ্ৰস্ত। মঙহ লৈ সাঁকোৰেদি যোৱা কুকুৰটোৰ বাবে মঙহ টুকুৰা যিমান মূল্যবান, কবিৰ বাবেও নকৈ যাপন কৰা শৈশৱটো সিমানেই মূল্যবান।

কবিমনৰ ভয় এগৰাকী পূৰ্ণবয়স্ক মানুহৰ ভয়। ইয়াক কবিয়ে অধিক স্পষ্ট কৰি তুলিব বিচাৰিছে শৈশৱৰ পাঠশালাত পঢ়িবলৈ যোৱা এমা-ডিমা ছাত্ৰৰ অনুভৱেৰে। মেপ আঁকি নিনিয়াৰ ফলত শৈশৱত থিতাপি লোৱা ভয়ৰ লগত বৰ্তমানৰ থিতাপি লোৱা ভয়ক একাকাৰ কৰি তোলা হৈছে। প্ৰকৰণৰ এনে অভিনৱত্বই কবিতাটিক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। কবিতাটোৰ শেষৰ ফালে কবিয়ে পুনৰ ৰোমন্থনৰ জৰিয়তে গধূলিৰ ছবি এখন আঁকিছে। ইয়াৰ জৰিয়তে কবিয়ে বিচ্ছিন্নতাবোধৰ মূল উৎস যে গ্ৰামীণ পৰিৱেশ তাৰ ব্যাখ্যা দাঙি ধৰিছে —

সেই নীৰৱ গধূলি পথাৰৰ মাজত অকলে থিয় হোৱা
চাৰিওফালে পথাৰ, পথাৰ
বুকুত খামোচ
দূৰৰ গাঁৱৰ পৰা
গুণগুণকৈ ধোঁৱা
উৰিছিল।

নীৰৱ গধূলি পথাৰৰ মাজত অকলশৰে থিয় [...] এটা শিশু। গেৰ মেলা ধাননি আৰু বাঢ়ি অহা এটা শি[...] যেন এক অভিনৱ জোৰা! উভয়ৰ মাজতে আছে [...] বতৰা, ভৱিষ্যতৰ ৰঙীন কল্পনা। পথাৰৰ বিশালতাৰ [...] শিশু মনতো বিশালতাৰ আবেদনে তোলপাৰ লগায়। [...] গাঁৱত চাকি-বন্তি জ্বলোৱাৰ সময়ত, আখললৈ জুই [...] সময়ত বিশাল পথাৰৰ মাজত বুজাব নোৱাৰা অনু[...] খামোচ এটা বুকুত লৈ ৰৈ আছে। কবিৰ অনুভৱত [...] গাঁৱৰ পৰা ওলোৱা ধোঁৱাবোৰ যেন কিবা সংগীতৰ [...] নাচি নাচি উৰিছিল। কবিতাটোত উৰিছিল শব্দটোৰ [...] বিন্যাসো লক্ষ্য কৰিবলগীয়া। শব্দটোৰ মাজৰ খালী ঠাই[...] যেন ধোঁৱা উৰাৰ অনুভৱখিনি বহন কৰিছে। এইখিনি[...] হ'ল কবিতাটোৰ মূল সাৰভাগ।

'মন-কুঁৱলী সময়' কবিতাটিত মেটাফিজি[...] কবিতাৰ উপমাৰ প্ৰয়োগে কাব্য-ভাষাক এক নতুন [...] প্ৰদান কৰিছে —

......। কাৰণ
যোৱা বছৰ এনে পুৱা
উঠিছিলো নতুন হামিয়াই।

ইয়াত 'নতুন' আৰু 'হামিয়াই'ৰ মাজত স্বাভাবি[...] কোনো সামঞ্জস্য বিচাৰি পোৱা নাযায়। ই [...] অসামঞ্জস্যৰ বোধ পটুৱৈলৈ আনি দিয়েই ক্ষান্ত না[...] পাঠকৰ চিন্তা আচম্বিতে আলোড়িত কৰে। 'নতুন' [...] 'হামিয়াই'ৰ মাজত বৈসাদৃশ্যতেই সাদৃশ্য উলিয়াই [...] হৈছে। এই সামঞ্জস্যহীনতা সম্পৰ্কে আমি পুৰা[...] অৱহিত হৈ থাকিও একপ্ৰকাৰৰ সাদৃশ্য মানি লওঁ। ক[...] প্ৰথম চৰণত উল্লেখ থকা ৰাতিপুৱা আৰু কবিৰ [...] বয়সীয়া অতীত জীৱন দেখাতেই একেলগে সাঙুৰি[...] বিধৰ নহয়। কিন্তু, বিশেষ প্ৰসংগত দুয়োটা কথাৰ [...] মিল দেখুওৱা হৈছে যদিও ইইতৰ অসামঞ্জস্য কপো[...] অনুভৱ নকৰাকৈ থকা নাই। পুৱা আৰু এবছৰ [...] অতীত জীৱনটোৰ মিল এই কাৰণেই যে এবছৰ [...] এনে এটি পুৱাতে কবিৰ এটি নতুনবোধ জন্মিছিল ([...] হামিয়াই)।



B.H.B. College, Sarupeta

অজিৎ বৰুৱাৰ মন-কুঁৱলী সময় সম্পৰ্কে ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখিছে, অজিৎ বৰুৱাৰ মন-কুঁৱলী সময়ে অভিনৱ স্বাদ দিয়াৰ উপৰি এই কবিতাত মননশীল ছবিৰ দৰে বৰ্তমান, অতীত আৰু ভৱিষ্যত একেলগে মূৰ্ত হৈছে। কবিতাটোৰ ৰচনাৰীতি সৰল; তাত কোনো পৰম্পৰাগত কাব্যিক অলংকাৰ পিন্ধাবলৈ কবিয়ে চেষ্টা কৰা নাই। কিন্তু কবিতাটোত প্ৰয়োগ হোৱা দুটা কৌশল মন কৰিবলগীয়া। প্ৰথমটো হ'ল বন্ধনীৰ ভিতৰত কিছু কথা ৰাখি যোৱাৰ কৌশল। ইয়াৰ উপৰিও 'এই পুৰা যেন অতীত জীৱন' চৰণটোৰ পিছত 'এবছৰ বয়সীয়া' কথাংশ সংযোগে ভাৱক গভীৰতা প্ৰদান কৰাত সহায় কৰিছে। আকৌ কবিয়ে শব্দৰ অৰ্থ প্ৰকাশিকা শক্তিৰ সম্ভাৱনা সম্পৰ্কে অতিশয় সচেতন এই কথাৰ ইংগিত দাঙি ধৰিছে সময় বন্ধ হৈ যায় বাক্যটোৰ পাঠত দিয়া বন্ধনীবদ্ধ প্ৰশ্নবোধক চিহ্নটোৱে। ভাব প্ৰকাশৰ ক্ষেত্ৰত কবিৰ মনত আহি পৰা অসন্তুষ্টিৰ প্ৰশ্নটিক প্ৰতিনিধিত্ব কৰিছে সেই প্ৰশ্নবোধকটোৱে।

ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে অজিৎ বৰুৱাৰ কবিতা সম্পৰ্কে মন্তব্য কৰিছে যে — 'অজিৎ বৰুৱাৰ কবিতাত মননশীলতা আৰু অনুভূতিৰ আনন্দাবহ সমন্বয় আৰু সন্দেহ আৰু বিপৰীত ভাৱৰ সংঘাত দেখা যায়।' এই কথাষাৰ মন-কুঁৱলী সময় কবিতাটিৰ ক্ষেত্ৰত বাৰুকৈয়ে প্ৰযোজ্য।

মন-কুঁৱলী সময় কবিতাটিত সময়ৰ ধাৰণা, কল্পনাৰ শৃঙ্খলা আৰু গাঁৱৰ বুকুত গঢ় লৈ উঠা নিসংগতা বোধৰ চিত্ৰখন আকৰ্ষণীয় ৰূপত প্ৰতিফলিত হৈছে। কথ্য ভাষাৰ প্ৰয়োগৰ জৰিয়তে কবিতাটিক অধিক প্ৰাণৱন্ত কৰি তোলা হৈছে। সময়ৰ ধাৰণাৰ ক্ষেত্ৰত কবি বৰুৱাই এলিয়টৰ পৰা প্ৰেৰণা লাভ কৰিছে যদিও তেওঁ নিজস্ব সৃজনী শক্তিৰ জৰিয়তে তাক নিজস্ব সাঁচত গঢ় দি লৈছে। কবিতাটিৰ নামৰ দৰেই ইয়াৰ বিষয় ধুঁৱলি-কুঁৱলি। মন, কুঁৱলি আৰু সময় এই তিনিওটা বস্তুকে ধৰি ৰাখিব নোৱাৰি। কবিয়ে কল্পনাৰে যাপন কৰা শৈশৱটোও যেন একেই, ধৰি ৰাখিব নোৱাৰি, মাথো ৰোমন্থনহে কৰিব পাৰি। বৰুৱাৰ মন-কুঁৱলী সময়ে সকলো কুঁৱলীৰ আৱৰণ ভেদি নষ্টালজিয়াবোধৰ বাংময় ৰূপায়ণৰ লগতে বুদ্ধিদিপ্তীৰ সম্পাত ঘটোৱাত সফল হোৱা বাবে কবিতাটি বৰুৱাদেৱৰ কবিতাসমূহৰ ভিতৰত এটা অন্যতম শ্ৰেষ্ঠ কবিতা।


*মুখ্য উৎস ঃ*

বৰুৱা, অজিৎ ঃ কিছুমান পদ্য আৰু গান, ১৯৯২।

*গৌণ উৎস ঃ*

আহমেদ, এম কামালুদ্দিন ঃ 'আধুনিক অসমীয়া কবিতা' (সংবৰ্ধিত সংস্কৰণ), বনলতা, গুহাটী, ২০১৫।

কলিতা, মহেশ্বৰ ঃ 'চল্লিশৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা', ২০০২।

গোস্বামী, মালিনী, কামালুদ্দিন আহমেদ (সম্পাঃ) ঃ 'আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ', অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী, ২০০৯।

ৰাজখোৱা, অৰবিন্দ (সম্পাঃ) ঃ 'আধুনিক কাব্য পৰিক্ৰমা' (সম্পাঃ), দত্ত প্ৰকাশন, লখিমপুৰ, ২০০৮।


*জাতিটোৰ সৰু বৰ সকলো মানুহেই লাগতিয়াল, তুঁহ পতান বুলি কাকো পেলনি যাবলৈ দিব নোৱাৰি।*

*—কমলাকান্ত ভট্টাচাৰ্য*

B.H.B. College, Sarupeta



# অসমৰ বৃহৎ নদী বান্ধ ঃ এটি চমু পৰ্যালোচনা

দ্বীপজ্যোতি বৈশ্য
প্ৰাক্তন ছাত্ৰ

বৰ্তমান সময়ৰ সবাতোকৈ গুৰুত্বপূৰ্ণ, বিতৰ্কিত, চৰ্চিত আৰু গণ আন্দোলনৰ উপাদান থকা বিষয়টো হৈছে 'বৃহৎ নদী বান্ধ'। এই নদী বান্ধৰ লগত জড়িত সকলো বিতৰ্কৰ কাৰণ হৈছে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প, যিটো প্ৰকল্প ২০০৫ চনৰ পৰা ৰাষ্ট্ৰীয় জলবিদ্যুৎ শক্তি নিগম (NHPC) অসম আৰু অৰুণাচল সীমান্তৰ গেৰুকামুখত নিৰ্মাণ কৰি আছে। এই প্ৰকল্পৰ লক্ষ্য ২০০০ মেগাবাট বিদ্যুৎ শক্তি উৎপাদন কৰা। কিন্তু ইয়াৰ দ্বাৰা নামনি অসমৰ বৃহৎ ক্ষয়-ক্ষতিৰ সম্ভাবনাহি দেখা দিছে। যাৰ ফলত ই অসমবাসীৰ বাবে এক ভয়াবহ সমস্যা ৰূপে চিহ্নিত হৈছে।

ইতিপূৰ্বে প্ৰকল্পটোৰ আঁচনি আৰু পৰিকল্পনাত থকা সাংঘাতিক আঁসোৱাহসমূহ আই.আই.টি. (IIT)ৰ বিশেষজ্ঞ সমিতিয়ে ফঁহিয়াই দেখুওৱাৰ পিছত প্ৰকল্পটোৰ ৰূপায়ণত অনিশ্চয়তা আহি পৰিছে। এই বিষয়টোক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বাদ-প্ৰতিবাদৰ প্ৰক্ৰিয়াই সমগ্ৰ অসমৰ জনগণৰ মাজত ভয়, চিন্তা আৰু প্ৰশ্নৰ অৱতাৰণা কৰিছে। অসমবাসীৰ মন ঘূৰ্ণ্যমান হোৱা প্ৰথম প্ৰশ্নটো হৈছে ৰঙানদী, কুৰিচু, সোৱণশিৰি, নামনি চিয়াং (প্ৰস্তাৱিত) ইত্যাদিয়ে অ… বিস্তৰ ক্ষতি কৰা আৰু নামনি সোৱণশিৰি প্ৰকল্পৰ দ… ক্ষতিৰ সম্ভাৱনা থকা বান্ধ প্ৰকল্প আমাক নালাগে নে… নদী বান্ধেই নালাগে? দ্বিতীয়টো এই নদী বান্ধ… অসমবাসী লাভৱান হ'ব নে কোনো বিপদৰ সন্মুখীন…

২০০৫ চনত প্ৰকল্পৰ কাম আৰম্ভ কৰা সময়… শক্তিশালী নদীখন শীৰ্ণকায় ঘোলা পানীৰে ভৰা নৰ্দমা… পৰিণত হৈছিল। দাঁতিকাষৰীয়া ডাঠ সেউজীয়া অ… সু-উচ্চ পাহাৰকেইখন থান্দি টকলা কৰি পেলোৱাৰ… অতি বিপদজনকভাৱে দুই দাঁতিত পানী বোৱাই নিব… বৃহৎ সুৰংগ খন্দাৰ কাম আৰম্ভ হৈছিল। সকলোৰে অ… নিতৌ সেই সুৰংগৰ ভিতৰত শ্ৰমিকৰ মৃত্যু হৈ আ… LST নামৰ বৃহৎ অনুষ্ঠানটোৱে চলাই থকা নিৰ্মাণ কা…

B.H.B. College Sarupeta

ফলত সৃষ্টি হোৱা প্ৰদূষণে অঞ্চলটোৰ জীৱ-জন্তুৰ বসবাসৰ কাৰণে সম্পূৰ্ণ অনুপযোগী কৰি তুলিছে। কিন্তু এইবোৰলৈ প্ৰকল্পৰ বিষয়াই কিছু ক্ষেত্ৰত অনীহা প্ৰকাশ কৰা দেখা গৈছে। NHPC (National Hydro Electric Power Corporation)ৰ বিষয়াৰ মতে, নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পটো এছিয়াৰ ভিতৰতে অন্যতম বৃহৎ প্ৰকল্প। ইয়াৰ নিৰ্মাণ ব্যয় ২০০২ চনৰ ডিচেম্বৰৰ নিৰ্ধাৰিত মূল্যৰ ভিত্তিত প্ৰায় ৬,৬০৮,৬৮ কোটি টকা। জলবিদ্যুৎ প্ৰকল্পটো সোৱণশিৰি নৈত মুঠতে নিৰ্মাণ কৰিবলগীয়া তিনিটা বান্ধৰ অন্যতম। ইয়াৰ উপৰিও উচ্চ আৰু মধ্য অংশত আৰু দুটা বান্ধ নিৰ্মাণ হ'ব। বৰ্তমান সময়ত ক্ষিপ্ৰতাৰে নিৰ্মাণ কাৰ্য চলি থকা নদী বান্ধ প্ৰকল্পৰ কাম প্ৰায় শেষ হওঁ হওঁ অৱস্থাত আছে। অসম চৰকাৰৰ দ্বাৰা নিযুক্ত আঠজনকৈ প্ৰখ্যাত বিশেষজ্ঞই ত্ৰুটিপূৰ্ণ নামনি সোৱণশিৰি বৃহৎ নদী বান্ধে অসমলৈ বিপদ মাতি আনিব পাৰে বুলি প্ৰতিবেদন দাখিল কৰা সত্বেও সাম্প্ৰতিক সময়ত শাসনৰত ৰাজনীতি মহলেও বৃহৎ নদী বান্ধৰ সপক্ষে থিয় দি আছে।

আনহাতে বৃহৎ নদীবান্ধৰ উদ্দেশ্য একমাত্ৰ বিজুলী শক্তি উৎপাদনেই নহয়, বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চনো ইয়াৰ প্ৰধান উদ্দেশ্য। অৰ্থনৈতিকভাৱে অনগ্ৰসৰ অসমৰ জনগণৰ মূলই জীৱিকা কৃষিয়ে যদিও নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত বান নিয়ন্ত্ৰণ অথবা জলসিঞ্চনৰ কোনো বিশেষ আঁচনি নাই। বিভিন্ন সময়ত বিভিন্ন কাৰণত ভাৰত চৰকাৰৰ অসমৰ প্ৰতি অৱহেলা অসমৰ সাহস কিম্বা বিৰোধী ৰাজনৈতিক দলৰ দুৰদৰ্শিতা আৰু দৃঢ়তাৰ অভাৱ। অৰুণাচল প্ৰদেশ চৰকাৰৰ অসহযোগিতা আৰু অসমৰ জনগণৰ দৃঢ় পদক্ষেপৰ অভাৱৰ ফলত বান নিয়ন্ত্ৰণৰ ব্যৱস্থাটো কাৰ্যকৰী নহ'ল।

নামনি সোৱণশিৰি বান্ধ যদি ভূমিকম্প আৰু পানীৰ প্ৰচণ্ড বোজাৰ ভৰত বিধ্বস্ত হয়, তেন্তে মূলতঃ বিপদগ্ৰস্ত হ'ব নামনি অঞ্চল অৰ্থাৎ অসম তথা অসমবাসী। এইবাৰেই ভূটানৰ কুৰিচু বান্ধে ইতিমধ্যে বৰপেটা আৰু বাক্সা জিলাৰ লগতে দঁতিকাষৰীয়া জিলা বিলাকৰ লগতে ৰঙানদী, কপিলী বান্ধে উজনিৰ বিস্তীৰ্ণ এলেকাত তাণ্ডৱৰ সৃষ্টি কৰি আহিছে। ঠিক তেনেদৰে নামনি সোৱণশিৰিৰ দৰে সুবৃহৎ বান্ধে অধিক ভয়াবহ ধ্বংসলীলাৰ সৃষ্টি কৰিব। বিশ্ব নদীবান্ধ আয়োগৰ পৰামৰ্শ অনুসৰি বান্ধ নিৰ্মাণৰ পূৰ্বে বিপদ সম্ভাব্য অঞ্চলৰ ৰাজহুৱা সন্মতি লোৱাতো অপৰিহাৰ্য সেয়েহে নামনি সোৱণশিৰি বান্ধকে ধৰি অৰুণাচলত প্ৰস্তাৱিত বহুকেইটা সৰু-বৰ নদীবান্ধ প্ৰকল্প নিৰ্মাণৰ পূৰ্বে অসমৰ সন্মতি লোৱাটো আৰু অসম অংশীদাৰী হোৱাটো বাঞ্ছনীয় আছিল যদিও জনগণৰ সুৰক্ষাৰ স্বাৰ্থত প্ৰশ্নবোধক চিহ্ন থাকি গ'ল যেন অনুমান কৰিব পাৰি।

অসমৰ লগতে অৰুণাচল প্ৰদেশৰো এই নদীবান্ধৰ ফলত বিস্তৰ ক্ষতি হ'ব। তাৰোপৰি নদীবান্ধৰ পৰা উৎপাদিত বিদ্যুৎ সংগ্ৰহ কৰি নামনি অসমলৈ আনোতে আৰু অসমৰ মাজেৰে হাইটেনশ্বন লাইন টানি ভাৰতৰ আন আন ৰাজ্যলৈ নিওঁতে বহু বিশাল এলেকাৰ গছ-গছনি কাটি চিৰদিনৰ বাবে বিধ্বস্ত কৰিব লাগিব। যদিও নদীবান্ধৰ সমস্যাটো অসমৰ বাবে এক গভীৰ সমস্যাৰূপে পৰিগণিত হৈ আছে, তথাপিও আজি পৰ্যন্ত ইয়াৰ সমাধানৰ বাবে এক সুস্থ বাতাবৰণৰ সৃষ্টি হোৱাটো যুগুত। নিৰ্মাণ কাৰ্যত ব্যস্ত থকা কোম্পানীবোৰে কেৱল নিজৰ মুনাফা আদায়ৰ প্ৰতিহে গুৰুত্ব দিয়া যেন লাগে। চৰকাৰ তথা বিৰোধী ৰাজনৈতিক দলবোৰেও নিৰ্বাচনৰ সময়ত লাভালাভৰ কথা চিন্তা কৰি বিষয়টো ব্যৱহাৰ কৰি থকাটো পৰিলক্ষিত হৈছে। কিন্তু সময় থাকোতেই সমূহীয়া স্বাৰ্থ জড়িত এই বিষয়টোৰ যদি এক স্থায়ী সমাধান উলিওৱা নহয় তেন্তে ই যে অসমলৈ অদূৰ ভৱিষ্যতে এক ভয়াবহ বিপদ মাতি আনিব যেন অনুভৱ হয়।

*সময় হ'ল এনে এটা বস্তু যাক মানুহে সদায় হত্যা কৰিব খোজে কিন্তু অৱশেষত সময়েহে মানুহক হত্যা কৰে।*

—হাবাৰ্ট স্পেনচাৰ



B.H.B. College, Sarupeta



# বিহু আৰু বিবৰ্তন ঃ এক চমু আলোচনা

জ্যোতিধাৰা বৰ্মন
প্ৰাক্তন ছাত্ৰী

B.H.B. College Sarupeta

সংস্কৃতি এটা জাতিৰ দাপোণ স্বৰূপ, বোৱতী সুঁতিৰ দৰে চিৰপ্ৰবাহমান। যুগ পৰিবৰ্তনৰ লগে লগে সংস্কৃতিয়েও ৰূপ সলায়। সময়ৰ পৰিবৰ্তনৰ ফলত বিহুৱেও মোট সলালে। বিবৰ্তনৰ ভিন্ন স্তৰ অতিক্ৰম কৰি বিহুৱে আজিৰ অৱস্থাত সহাৱস্থান কৰিছে। অতীতৰ গছতলৰ, মুকলি পথাৰৰ বিহু আহি মানুহৰ চোতাল পালে। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই কৃষিজীৱি সমাজৰ এই বিহু উৎসৱটিক ৰাজকীয় মৰ্যাদা প্ৰদান কৰি গছতলৰ বিহু আনি ৰংঘৰ বাকৰি পোৱালে। কালক্ৰমত ৰংঘৰ বাকৰিৰ বিহু ৰজাঘৰ, প্ৰজাঘৰ, ডা-ডাঙৰীয়াসকলৰ পদূলিলৈও সম্প্ৰসাৰিত হৈ পৰিল। এইদৰে বিহুৱে ৰাজকীয় মৰ্যাদা লাভ কৰি অসমীয়া জাতীয় উৎসৱ হিচাপে পৰিগণিত হৈ পৰিল।

অসমীয়াৰ হিয়াৰ আমঠু বিহু। শীতৰ ঠেটুৱা লগা জাৰৰ পিছত ধৰাৰ বুকুলৈ বসন্ত নামি আহে। বসন্তই অসমীয়াৰ গা-মন যৌৱন পুলকিত কৰে। মানুহে ... প্ৰকৃতিও যেন বসন্তক আকোৱালি লয়। শীতত লঠঙ... থকা গছবোৰে বসন্তত নতুন সাজ পিন্ধে। বসন্তৰ লগে ... অসমত বিহুৱে প্ৰাণ পাই উঠে। গছৰ ডালত কপৌ, ... গুম্‌গুমনি আদিয়ে অসমীয়াৰ গা আনন্দত সাতখন-... হয়।

অসমীয়াৰ হিয়াৰ আমঠু, বাপতি সাহোন জা... উৎসৱ বিহু বছৰৰ ভিন্ন ঋতুত তিনিটা ভিন্ন বিহু উদ্‌... হৈ আহিছে যদিও বসন্তকালীন ৰঙালী বিহু বা ব'হাগ বিহু... প্ৰণিধানযোগ্য। ভিন্ন ভিন্ন জনগোষ্ঠীয় সম্প্ৰদা... লোকসকলে ভিন্ন নামেৰে বিহু উদ্‌যাপন কৰি আহিছে...

নব প্ৰজন্মৰ সৃষ্টিৰ উন্মেষ ঘটা কৃষিভিত্তিক ব... বিহু উৎসৱটি মূলতঃ বসুমতী উৰ্বৰা হোৱাৰ কামনা ক... নৃত্য-গীত, আহোদ-প্ৰমোদৰ মাজতে উদ্‌যাপিত হয়। ক...

আগমনত প্ৰকৃতিৰ নৱৰূপৰ মাজতে উৰ্বৰা কৃষিভূমি শস্য-শ্যামলা হোৱাৰ কামনাৰ্থে সৰল প্ৰাণৰ কৃষিজীৱি লোকসকলে কৃষিকৰ্মত নিয়োজিত হৈ প্ৰাকৃতিকভাৱে প্ৰভাৱান্বিত হৈছিল আৰু প্ৰকৃতিৰ অপৰূপ ৰূপ-লাৱণ্যত মোহিত হৈ ডেকা-গাভৰুসকলে নৃত্য-গীতৰ মাজেদি আকাশ-বতাহ মুখৰিত কৰি তোলে। ব'হাগ বিহু পহিলা ব'হাগৰ সাতদিন ধৰি পালন কৰা হয়। অতীজতে বিহু আছিল স্বতঃস্ফূৰ্ত প্ৰাণময় তথা প্ৰকৃতিৰ সৈতে একাত্ম। বসন্তৰ আগমনৰ লগে লগে কুলি-কেতেকীৰ হিয়াভঙা মাতত, ফলে-ফুলে জাতিষ্কাৰ হৈ পৰা প্ৰকৃতিৰ মোহনীয় ৰূপত ডেকা-গাভৰুৰ উত্তাল যৌৱনৰ ভাবাবেগত উটি-ভাঁহি গছতল মুকলি পথাৰ বা নৈৰ পাৰত নৃত্য-গীত আদিৰ মাজেদি বিহুৰ প্ৰাণময়তা, স্বতঃস্ফূৰ্ততা তথা প্ৰাকৃতিক একাত্মতাৰ সুন্দৰ চিত্ৰ প্ৰতিবিম্বিত হৈ পৰে।

তেনেদৰে অসমীয়া মাহৰ একাদিক্ৰমে অহা আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত কাতি বিহু পালন কৰা হয়। কাতি বিহুত বিশেষ জাকজমকতা কৰা নহয়। সেই সময়ত কৃষকসকলৰ ভঁড়াল খালি হৈ থাকে লগতে আঘোণত কাটিবলগীয়া সোণগুটি ভৰা ভাল হ'বলৈ লক্ষ্মী আইৰ ওচৰত শৰাই আগবঢ়ায়। তুলসীক লক্ষ্মীৰ অৱতাৰ হিচাপে গণ্য কৰা হয় সেয়ে কাতি মাহত তুলসীৰ তলত চাকি জ্বলোৱা হয়।

অসমত ভোগালী বিহুৰ সময়ত বাহিৰৰ অভাৱ-অনাটনবোৰ নোহোৱা হয়। লক্ষ্মী আইৰ ভঁড়ালত সোমাইছি সেয়ে সেই সময়ত সকলোৰে মন আনন্দত থাকে। আনন্দত ভোগ কৰা হয় বাবে তাকে ভোগালী বিহু বোলে। লগতে অগ্নি দেৱতাক পূজা-অৰ্চনাৰ বাবে মেজি জ্বলাই আশীৰ্বাদ লোৱা হয়।

অসমীয়া সমাজত বিহুৰ যি পৰম্পৰা সেয়া যেন কালৰ সোঁতত বিবৰ্তন হ'ল। কংক্ৰিটৰ পৃথিৱীখনত তাহানিৰ দিনৰ ৰীতি-নীতিক বহুতো পৰিবৰ্তন হ'ল। পথাৰৰ ৰঙালী বিহুৱে আহি বিহুৰ মঞ্চ পালেহি। ঐতিহাসিক দৃষ্টিকোণৰ পৰা ১৯৫১ চনত প্ৰথম গুৱাহাটীৰ লতাশিল খেলপথাৰত মঞ্চবিহু উদ্‌যাপিত হয়। অসমৰ বোৱাৰী-জীয়ৰীসকলে আপোনজনক উপহাৰ হিচাপে দিয়া গামোচাখনো বাহিৰৰ পৰাই আমদানি হয়। উৎসৱ তাৎপৰ্যতকৈ যেন বৰ্তমান আভিজাত্যহে দেখিবলৈ পোৱা যায়। আধুনিক সমাজত পশ্চিমীয়া সংস্কৃতিৰ কোবাল কোবত আৰু মানুহৰ মোহান্ধতাই বিহুৰ মাদকতা যেন নোহোৱা কৰি পেলাইছে। অসমৰ সৰল প্ৰাণৰ চহা কৃষিজীৱি লোকসকলৰ কৃষ্টিৰ মূল আছিলা গামোচা, জাপি, শৰাই, নাঙল, যুঁৱলি অসমীয়াৰ কাপোৰত সপোন ৰচা তাঁতশালবোৰ এতিয়া যাদুঘৰতে প্ৰদৰ্শিত হ'বলৈ ধৰিছে। অসমীয়া গগণাসমূহ কালৰ সোঁতত যেন হেৰাই যাব ধৰিছে। মঞ্চত উদ্‌যাপিত হোৱা বিহুৱে কৃত্ৰিমভাৱে সেইবোৰ প্ৰতিস্থাপন কৰিব বিচাৰিলেও পথাৰৰ তাহানিৰ বিহুৰ সোৱাদ দিব নোৱাৰে।

সময়ৰ পৰিবৰ্তনৰ ফলত প্ৰাকৃতিক বিহুৰ মাদকতা ক্ৰমশঃ হ্ৰাস পালেও এইটো সত্য যে বিহু প্ৰতিজন অসমীয়াৰ হৃদয়ত বিৰাজ কৰে। বিহুৰ পৰম্পৰা, আচাৰ-নীতি, লোকাচাৰ, নাচপাৰ, বিহু নামৰ সুৰ ইত্যাদি সম্পদবোৰ জীপাল কৰি ৰাখিবলৈ অসমীয়াই সচেষ্ট হোৱা উচিত। অন্যথা বিবৰ্তনৰ গ্ৰাসত বিহুৱে স্বকীয়তা হেৰাই পেলাব। অসমৰ জাতীয় উৎসৱ, বাপতি সাহোন বিহু সংস্কৃতিৰ মাজেদি জাতিসত্তা, স্বাভিমান, জীয়াই ৰখাৰ স্বাৰ্থত আমাৰ আত্মত্যাগ, আমাৰ কৃষ্টি, আমাৰ সংস্কৃতিৰ অস্তিত্ব জীয়াই ৰখাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। শেষত এফাকি বিহুৰে সামৰিছোঁ —

"বিহুটি আদৰৰ বিহুটি চেনেহৰ
বিহুটি আমাৰ প্ৰাণ।
এনুৱা বিহুটি এৰিব লাগিলে
নাথাকে অসমৰ মান।।

B.H.B. College, Sarupeta

# ধৰ্ষণ ঃ এক সামাজিক উপলব্ধি

ইউজিনা
উচ্চতম মাধ্যমিক ষষ্ঠ



B.H.B. College, Sarupeta

"ধৰ্ষণ" শব্দটো কি নিষ্ঠুৰ শব্দ, এই শব্দটোৰ মাজতে লুকাই আছে উৎপীড়ন, নিষ্ঠুৰতা ই কাৰোবাৰ বাবে হ'ব পাৰে উপভোগৰ খেল, আন কাৰোবাৰ বাবে ই মৃত্যুসম কৰুণ যন্ত্ৰণা, যি জীৱনলৈ অন্ধকাৰ নমাই আনে। কোনোবাই পাব পাৰে বেশ্যা নামৰ উপাধি, আনকি জীয়াই থকাৰ সাহসকনো হেৰুৱাব লগাত পৰে। ধৰ্ষণ এক মাৰাত্মক সামাজিক ব্যাধি, যি কেৱল নাৰী জাতিকেই নহয়, সমগ্ৰ সমাজ এখনকে কৰি তোলে এক অসহনীয় যন্ত্ৰণাৰ প্ৰতিচ্ছবি। বিকৃত মানসিকতাৰ কিছু প্ৰাণীৰ ক্ষেত্ৰতেই সম্ভৱ নাৰীৰ ওপৰত এনে বীভৎস নিৰ্যাতন চলোৱা। ভাৰতবৰ্ষত ধৰ্ষণৰ দৰে জঘন্য অপৰাধে বিভিষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। কেৱল যে জীয়ৰী, বোৱাৰীৰ বিৰুদ্ধেই এই অপৰাধ সীমাবদ্ধ হৈ আছে তেনেও নহয়, বৰঞ্চ শিশু, কিশোৰী, বৃদ্ধাৰ ক্ষেত্ৰতো এই বৰ্বৰ ঘটনাবোৰ সংঘটিত হৈ আছে সঘনে। বৰ্তমান সময়তো বহুলভাবে চৰ্চিত আৰু সংবাদ শিৰোনাম দখল কৰা নিৰ্ভয়া গণধৰ্ষণ কাণ্ড। দিল্লীৰ বিভৎস নিৰ্ভয়া গণধৰ্ষণে সমগ্ৰ ভাৰতত তোল লগাইছিল। কিছুদিন পূৰ্বে হায়দৰাবাদৰ ডাঃ প্ৰিয়ংকা ৰেড্ডী দলবদ্ধ ভাবে ধৰ্ষণ কৰি জীৱন্তে জ্বলাই দিছিল। শেহতীয়া অসমত সংঘটিত বহুকেইটা বৰ্বৰ, পাশবিক ধৰ্ষণ আৰু কাণ্ড সংঘটিত হোৱাৰ পাছত সমগ্ৰ ৰাজ্যকে জোকাৰি হোজাই জিলাৰ যমুনামুখত এগৰাকী ৫৮ বছৰীয়া শি বিদ্যালয় ছুটী হোৱাৰ পিছত ঘৰলৈ উভতি গৈ থকা অ আদবাটিতে আগচি দুৰ্বৃত্তই দলবদ্ধ ধৰ্ষণৰ লগতে হত্যা মৃতদেহ কপিলী নৈত উটুৱাই দিয়াৰ দৰে এক জঘন্য সংঘটিত হৈছে। এই ঘটনাই সমগ্ৰ অসমতে তীব্ৰ চা সৃষ্টি কৰিছিল। এইবোৰ ঘটনাৰ পৰা জীৱশ্ৰেষ্ঠ জাতিতো নহয়, জীৱ-জন্তু, পশু-পক্ষীবোৰেহে শ্ৰেয় লাগে। ভাৰতত বৰ্তমান সংশোধিত আইনী ব্যৱস্থা নাৰী উৎপীড়ন তথা ধৰ্ষণৰ অপৰাধৰ শাস্তি অতি ক

কিন্তু সেই শাস্তি প্ৰদানৰ ব্যৱস্থাটো এতিয়াও বহুতেই লেহেমীয়া। এনে বৰ্বৰ অপৰাধী অমানুহবোৰৰ মানুহৰ সমাজত কোনো স্থান নাই। হত্যা কাণ্ডৰ দৰে অপৰাধতকৈও গুৰুতৰ এনে অপৰাধ। বৰ্তমান সময়ত মানুহবোৰে যিমানে আধুনিকতাৰ পিছত দৌৰিছে সিমানে যেন নিজক চিনিব নোৱাৰা হৈ গৈছে, মনবোৰত যেন নিষ্ঠুৰতাই বাঁহ লৈছে। মানুহবোৰে বিলাসিতাৰ পিছত দৌৰিছে। এই বিলাসিতাৰে এটা বিষাক্ত প্ৰকাৰ হৈছে "ধৰ্ষণ"। আকৌ এই ধৰ্ষণৰ মাজতো লুকাই আছে সামাজিক ন্যায় আৰু হত্যা।

আমি সকলোৱে জানো যে আনৰ দ্বাৰা ধৰ্ষিতা হোৱা ছোৱালী এজনীক কোনেও ভাল চকুৰে নাচায়, কোনেও তাইক প্ৰাপ্য সন্মান নিদিয়ে, বেয়া চকুৰে চায়, ইজনে-সিজনৰ আগত কৈ হাঁহে, আগত নহয় পাছত কিবা নহয় কিবা এটা কথা পাতে। কিয় এনেকুৱা হয়, ভুল কাৰ? আনৰ বিলাসিতাত ধৰ্ষিতা হোৱা ছোৱালীজনীৰ নে সেই নৰপিশাচবোৰৰ যিবোৰে মাতৃ-ভগ্নীকো পাহৰি যাব পাৰে।

যৌন তৃপ্তিৰ বাসনা কুকুৰ মেকুৰীৰ নিচিনা উপভোগৰ খেল নহয়। এইয়া হ'ল নাৰী আৰু পুৰুষৰ মনৰ মিলন, ইজনে সিজনে কামনা বাসনাত আপ্লুত হৈ নিজকে সপি দিয়া ইয়াত কোনো বৰ্বৰতা, নিষ্ঠুৰতা সোমাই থাকিব নোৱাৰে, এইবোৰেৰে অধিকাৰ সাব্যস্ত কৰিব নোৱাৰি অৱশেষত অচেতনভাৱে মৃত্যুপ্ৰায় অৱস্থাত পেলাই থৈ যায়। এয়াইনে? মানৱ জাতিৰ উন্নতিৰ চিন নে আন কিবাই কি নাৰী জাতি ডাষ্টবিনত পৰি থকা এটুকুৰা ৰুটি? যাক কুকুৰেও টানি চিঙি আজুৰি বাগৰি হ'লেও ভগাই খাব পাৰে, নাৰী জাতি ডাষ্টবিনত পৰি থকা সেমেকি যোৱা এটুকুৰা ৰুটি নহয়, নাৰীজাতিৰ মাজতো লুকাই আছে— কনকলতা, মুলাগাভৰু ৰাণী লক্ষীবাঈৰ দৰে বীৰাঙ্গণা যি দেশৰ কাৰণে প্ৰাণ আহুতি দিব পাৰে। নাৰী জাতিৰ মাজতেতো লুকাই- নলিনীবালা দেৱী, মামণি ৰয়ছম গোস্বামী, অৰুন্ধতী ৰয়, অনিতা দেসাইৰ নিচিনা জ্ঞানী মহিয়সী নাৰী যি সমাজক শিকাব পাৰে। নাৰীজাতিৰ মাজতেতো লুকাই আছে আছে — হিমা দাস, পি. বি সিন্ধু, ছাইনা নেহৱাল, মেৰীকমৰ নিচিনা নাৰী যি দেশখনক ইমূৰৰ পৰা সিমূৰলৈ গৌৰৱ গৌৰবান্বিত কৰিব পাৰে। জীৱ-জন্তুৰ দৰে যৌনাচাৰত আকৃষ্ট হোৱা এচাম পুৰুষে চাগে পাহৰিছে যে বৰ্তমান যুগত যে নাৰীও পুৰুষৰ সমানে খোজত খোজ মিলাবলৈ সক্ষম হৈছে। তাহানিৰ সতীদাহ প্ৰথা, বাল্য বিবাহে আজিৰ সমাজত স্থান নাপায় আছে মাথো সামাজিক ন্যায় যি ন্যায় মানি চলিবলৈ সকলোৱে বাধ্য।

নাৰীক সৃষ্টি প্ৰতীক বুলি কোৱা হয়, কিন্তু আজিৰ সমাজত যে নাৰী বিলাসিতাৰ প্ৰতীক হৈ পৰিছে। ক্ষুধাৰ তাড়নাত পৰি আনৰ ঘৰত কাম কৰা ছোৱালীও বিলাসিতাৰ প্ৰতীক স্বৰূপ, এয়াই নে মানৱ সমাজৰ সামাজিক ন্যায়।

নাৰীৰ গৰ্ভতেটো পুৰুষ জাতিৰ জন্ম, আকৌ এই পুৰুষে নাৰীৰ অস্তিত্বৰ মূল্য বুজি নাপায় আৰু হত্যাৰ পথলৈ নাৰীক ঠেলি দিয়ে।

*সাহিত্যই জাতিৰ মানসিক উৎকৰ্ষৰ দাপোন। জাতীয় জীৱনৰ সন্ধিক্ষণত জনমত গঢ়ি তুলি জাতিক প্ৰকৃত বাট দেখুওৱাত সু-সাহিত্যই যিমান সহায় কৰে সেইদৰে আন একোৱে সহায় কৰিব নোৱাৰে।*

*—গোপীনাথ বৰদলৈ*

B.H.B. College, Sarupeta

# টেলিফ'নৰ পৰা স্মাৰ্ট ফ'নলৈ ...

চিন্ময়
স্নাতক প্ৰথম





"অভাৱেই আৱিষ্কাৰৰ মূল" এই বাক্যশাৰীক নতুনকৈ বিশ্লেষণ কৰাৰ প্ৰয়োজন নাই। ইয়াৰ অৰ্থ আমি ভালদৰে জানো। যেতিয়াই মানুহে কোনো বস্তুৰ অভাৱ অনুভৱ কৰে তেতিয়াই তেতিয়াই এটা মহান আৱিষ্কাৰৰ সৃষ্টি হয় যিয়ে মানুহৰ জীৱন আৰু সৰল কৰি তোলে। মোবাইল ফ'ন, আমি ফ'ন বুলি কলেই আমাৰ হাতত থকা স্মাৰ্ট ফ'নটোৰ কথা মনলৈ আহে। কিন্তু আজিৰ যুগৰ এই স্মাৰ্ট ফ'নবোৰ আগৰ যুগৰ টেলিফ'নৰ এটা উল্লেখযোগ্য বিবৰ্তনৰ ৰূপহে। পুৰণি সময়ত যেতিয়া মানুহৰ মাজত যোগাযোগ স্থাপন কৰিবলৈ চিঠি-পত্ৰৰ বাহিৰে আন কোনো মাধ্যম নাছিল তেতিয়া মানুহৰ মাজত যোগা-যোগ স্থাপন কৰিবলৈ বহু সময়ৰ প্ৰয়োজন হৈছিল লগতে সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল আৰু তেতিয়াই এই সমস্যাৰ সমাধান কৰিবলৈ স্কটলেণ্ডৰ বিখ্যাত শব্দ বিজ্ঞানী Alenander Graham Bell এ 10-03-1876 ত বিশ্বৰ প্ৰথমটো টেলিফোন আৱিষ্কাৰ কৰি উলিয়ায়। Graham Bell আৰু তেওঁৰ সহকৰ্মীয়ে আৱিষ্কাৰ কৰা এই টেলিফোনৰ দ্বাৰাই মানুহে শব্দৰ দ্বাৰাই অৰ্থাৎ কথা বতৰাৰ দ্বাৰা যোগাযোগ কৰিবলৈ সক্ষম হয়।

1876 চনৰ পৰা আজিলৈকে এই টে... বিভিন্ন সময়ত পালন ভৰৰ মাজেৰে বিবৰ্তিত হৈ ... স্মাৰ্টফ'নৰ ৰূপ পাইছেহি তাৰে ভিতৰত কেইটামান ... ভৰ আৰু সময়ত হোৱা এই টেলিফ'নৰ বিবৰ্তন... তলত উল্লেখ কৰা হ'ল—

i) 10-03-1876 Graham Bell ৰ দ্বা... প্ৰথমটো টেলিফোনৰ আৱিষ্কাৰ।

ii) 02-07-1877 চনত টেলিফ'নৰ পিতৃ ... দ্বাৰা "Bell Tele Phone Company" নাম ... কম্পানীৰ গঠন।

iii) 20-10-1905 চনত দীঘলীয়া সংযো... সক্ষম Stowger ৰ সৃষ্টি।

iv) 04-10-1925 চনত "The Frank... haus" নাম প্ৰথমটো "Rotany telephone" ... উলিওৱা হয়।

v) 30-01-1960 চনত পোন প্ৰথম... গাড়ীৰ গলত সংযুক্ত ম'বাইল ফ'ন সাজি উলি... যাৰ জৰিয়তে গাড়ীত সংযোগ হৈ থকা বাবে গা... থাকিলেও গাড়ীত বহিয়েই যোগাযোগ কৰিব পৰা ...

B.H.B College, Sarupeta

1960 চনৰ 30 জানুৱাৰীত Sweden চহৰত ইয়াক প্ৰথমে মুকলি কৰা হৈছিল।

vi) 18-09-1970 চনত "AT & T" য়ে "AT & T Picture Phone" নামে প্ৰথম ভিডিঅ' ফ'ন সাজি উলিয়ায়। কিন্তু ইয়াৰ আকাৰ আজিৰ ফ'নবোৰৰ তুলনাত বহু ডাঙৰ আছিল। সেয়ে ইয়াত লগত লৈ ঘূৰি ফুৰিব পৰা নগৈছিল।

vii) 10-11-1980 চনত প্ৰথম ম'বাইল ফোনটো সাজি উলিওৱা, হয় আৰু ইয়াৰ নাম আছিল- "Aeg Telecar CD"।

viii) 10-05-1989 চনত Motorola Company য়ে "Motorola Micro TAC 9800 x" নামে প্ৰথমটো "Flip Cell Phone" সাজি উলিয়ায়।

ix) 1867 চনৰ টেলিফ'ন গৈ গৈ 1994 চনলৈ বহুগুণে বিকশিত হৈ পৰে আৰু 30-08-1994 ত প্ৰথম Jouch Screen Phone "The IBM Simon" ৰ আগমন হয়। আৰু ইয়াক বিশ্বৰ প্ৰথম "Smart Phone" বুলি কোৱা হয়।

x) 1876 ৰ পৰা প্ৰায় 124 (124) বছৰ পিছত টেলিফোনে বহু গুণে বিকাশ লাভ কৰিবলৈ সক্ষম হয় আৰু 30-01-2000 ত বিশ্বৰ প্ৰথমটো "Cell Phone" সাজি উলিওৱা হয় যাৰ লগত ডিজিটেল কেমেৰা সংলগ্ন আছিল। আৰু এই Cell Phone টো আছিল "Sharp J-Shot" যাৰ দ্বাৰাই এতিয়া কথা বতৰা পতাৰ লগতে কেমেৰাও একেলগে লগত লৈ ফুৰিব বা ফটো তুলিবলৈ মানুহে সক্ষম হৈছিল।

xi) 19-06-2007 এই দিনটো আছিল বিশ্বৰ আটাইতকৈ জনপ্ৰিয় Smart Phone "iphone" মুকলি কৰা দিনতে। 19 জুন 2007 ইং তাৰিখে জনপ্ৰিয় Smart Phone Company "Apple" এ আৰু Stove Jobs এ লগ হৈ প্ৰথম 'iphone' মুকলি কৰে।

xii) 'iphone' মুকলি কৰা কিছুদিন পিছতে 06-08-2008 চনত প্ৰথমটো "Android mobile phone 'HTC T mobile G1" মুকলি কৰা হয় য'ত প্ৰথম বাৰৰ বাবে "Android operating System" ব্যৱহাৰ কৰা হৈছিল।

xiii) এনেদৰে বিকশিত হৈ হৈ 2011 চনত অন্য এক জনপ্ৰিয় Smart phone brand "Samsung" এ প্ৰথম 'Phallat' অৰ্থাৎ Phone আৰু Tablet ৰ কাম একেলগে কৰিব পৰা mobile phone সাজি উলিয়াত।

xiv) 2013 চনত জনপ্ৰিয় Smart phone brand 'iphone' এ এটা অদ্ভুদ সৃষ্টি কৰিবলৈ সক্ষম হয়। যিটো আছিল বিশ্বৰ প্ৰথমটো Smart phone 'iphone 5G' য'ত 'Apple' এ প্ৰথম fingerprint ৰ দ্বাৰা ফ'নটো unlock কৰিব পৰা ব্যৱস্থা প্ৰদান কৰে।

xv) 2019 চনলৈকে আহি আহি mobile phone এ কল্পনাতকৈ অধিক বিকাশ লাভ কৰে। 2019 চনত "Samsung company" য়ে বিশ্বৰ প্ৰথম 'foldable smart phone' "Samsung Galaxy Fold" (নামে) সাজি উলিয়াই মুকলি কৰে। ই এনে এটা smart phone আছিল যিটো কিতাপৰ দৰে fold কৰিব ৰাখিব পৰা আছিল।

এনেদৰে 1876 চনত আবিষ্কাৰ হোৱা বিশ্বৰ প্ৰথমটো টেলিফোনৰ পৰা আজিলৈকে বিভিন্ন সময় বিভিন্ন স্তৰত মানুহৰ প্ৰয়োজন অনুসাৰে বিবৰ্তন হৈ হৈ মোবাইল ফ'নে আজিৰ ৰূপ লাভ কৰিছে। এনেদৰে ভৱিষ্যতেও তেওঁ মানুহৰ প্ৰয়োজন সাপেক্ষে ই বিকশিত হৈ থাকিব আৰু মানুহৰ জীৱন সৰল কৰাত সহায় কৰি গৈ থাকিব।

(বিঃ দ্ৰঃ- ওপৰত উল্লেখ কৰা স্তৰ সমূহৰ মাজত আৰু কিছুমান বিবৰ্তনৰ স্তৰ আছে, কিন্তু উল্লেখযোগ্য স্তৰবোৰৰ কথাহে ওপৰত উল্লেখ কৰা হৈছে।)

B.H.B. College, Sarupeta



# বন্ধুত্বৰ তাৎপ

ভবি
উচ্চতৰ মাধ্যমিক দ্বি

বন্ধুত্ব এটি মধুৰ আৰু পবিত্ৰ শব্দ। মৰম-স্নেহ, অনুভূতি, সাহস, বিশ্বাস আৰু ত্যাগৰ বন্ধনেই হৈছে বন্ধুত্ব। একে মন, একে চিন্তা একেই মনোভাবৰ দুই ব্যক্তিৰ অন্তৰংগতাৰ আধাৰত বন্ধুত্ব গঢ় লৈ উঠে। লিংগ, বয়স, সামাজিক দৃষ্টিভংগী, সম্প্ৰদায় বা ভৌগালিক সীমা-ৰেখাই বন্ধুত্বক ভাগ নকৰে। জীৱনৰ যিকোনো সময়ত, যিকোনো পৰ্যায়ত, যিকোনো ব্যক্তিৰ সৈতে এই সম্পৰ্ক গঢ় লৈ উঠিব পাৰে। সৰুকালৰ লগৰীয়াৰ মাজত গঢ়ি উঠা বন্ধুত্বৰ পৰা, বৃদ্ধ বয়সৰ ব্যক্তি দুজনৰ মাজতো বন্ধুত্বৰ সম্পৰ্ক হ'ব পাৰে। 'বন্ধুত্বৰ দিন' হিচাপে এই সম্পৰ্ক পালন কৰা হয়।

এজন বন্ধু কোনো আপোন মানুহতকৈ বেছি আপোন হৈ পৰিব পাৰে। একান্ত ব্যক্তিগত কথাবোৰ বন্ধুজনৰ আগত প্ৰকাশ কৰা হয়। মা-দেউতা এফালে আৰু বন্ধুত্ব আনফালে দুয়োটা এৰিব নোৱাৰি। মাক ক'ব নোৱাৰা কথাতো বন্ধুৰ আগতহে ক'ব পাৰি। কোনো জটিল বিষয়ত বন্ধুজনৰহে সান্নিধ্য বিচাৰ হয়। সেয়েহে বন্ধু ব্যক্তি এজনৰ সাহস আৰু প্ৰেৰণা সাধাৰণতে গভীৰ বন্ধুত্ব সেইজনৰ সৈতেহে সম্ভৱ যিজনে সুখ-দুখ উভয়তে সহায় কৰে। সুখৰ সময়ত হাঁহি-হাঁহি সুখৰ ভাগ লোৱা আৰু দুখৰ সময়ত সমভাগী হৈ সমবেদনা জনোৱাটো এজন প্ৰকৃত বন্ধুৰ পৰিচায়ক। বন্ধুত্বত স্বাৰ্থৰ ভাৱ থাকিব নালাগে। বন্ধু লাভৰ বাবে নিজেই এজন প্ৰকৃত বন্ধু হ'ব লাগিব। প্ৰকৃত বন্ধু
নিজৰ বন্ধুৰে ভুল কৰাটো নিবিচাৰে। কিন্তু এফা
চাবলৈ গ'লে বন্ধুক বিশ্বাস কৰিবলৈ ভয় লাগে।
সংকত কালত হতাশা আৰু নিৰাশাই চাৰিওফালৰ
ধৰাৰ সময়ত প্ৰকৃত বন্ধুজনেহে উৎসাহ, সাহস
জগায়। সেয়েহে কোৱা হয়- 'প্ৰকৃত বন্ধু দাপোনৰ

বন্ধু নিৰ্বাচন কৰোতে সাৱধান হোৱ
বন্ধুজনৰ বিষয়ে ভালদৰে জানি বুজি উঠাৰ পাচত
সৈতে ঘনিষ্ঠতা কৰা উচিত। জীৱনৰ প্ৰতিশ্ৰুতি দিয়
সমভাগী বন্ধুজনেও কেতিয়াবা শত্ৰুতা কৰি দু
দেখুৱাব পাৰে। আমি এটা কথা মনত ৰখা দৰকাৰ
বন্ধুতকৈ বন্ধুহীন বা নিসংগ হৈ থকাটো হেজাৰ গু
এখন ভালগ্ৰন্থ অধ্যয়ন কৰাটো ভাল।

বন্ধুত্বই যুক্তি নামানে, ইয়াৰ অবিহনে জী
অসম্পূৰ্ণ। বন্ধুত্বই কিছুমান দোষ গুণ আঙুলিয়াই নি
বা বন্ধুত্বৰ জৰিয়তে কোনো এটা বিষয় বুজি পো
হ'ব পাৰে। বন্ধুৰ পৰাও জীৱনত আগবাঢ়ি যো
হ'ব পাৰে। সেয়েহে ক'ব পৰা যায় যে বন্ধু এনে এক
যাৰ দ্বাৰা তুমি লাভৱান হোৱাৰ বিপৰীতে বন্ধুজনেও
হয়। বন্ধুয়ে বন্ধুৰ জীৱনটো শলিতাৰ দৰে পোহৰাই

B.H.B. College, Sarupeta



# অসমীয়া সমাজৰ প্ৰীতিৰ এনাজৰী 'গামোচা'

সুস্মিতা দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

B. H. B. College, Sarupeta

অসমীয়া সংস্কৃতিৰ এক অপৰিহাৰ্য্য অংগ গামোচা। অসমীয়া কৃষ্টিত স্থান অধিকাৰ কৰি থকা মাংগলিক অনুষ্ঠানেৰে এৰাব নোৱাৰা অংগ এই গামোচাৰ লগত জাতীয় উৎসৱ বিহুৰো এক নিবিড় সম্পৰ্ক আছে। ব'হাগ বিহুত এই আদৰৰ চিনাকি গামোচাখনেৰে জ্যেষ্ঠসকলক সেৱা আৰু সৰুক মৰম জনোৱা হয়। অৰ্থাৎ গামোচা আমাৰ সমাজৰ মৰমৰ এনাজৰী। অসমীয়া জাতিৰ স্বাভিমানৰ প্ৰতীক। আমাৰ জাতীয় জীৱনৰ লগত অংগাঙ্গীভাৱে জড়িত এই গামোচা। গামোচা বা বিহুৱানৰ লগত অসমীয়া শিপিনীৰ এক নিৰবচ্ছিন্ন সম্পৰ্ক আছে। অসমীয়া শিপিনী সকলে অতি সযতনে তাঁতত ফুল বাছি বিহুৱানখন জ্যেষ্ঠজনক দিবলৈ সাজু হৈ থাকে। গামোচাৰ মাজে দিয়েই অসমীয়া শিপিনীৰ সৌন্দৰ্য্য চেতনা, কৰ্মতৎপৰতা নিপুণতা প্ৰকাশ পায়।

গামোচা সকলোৰে আদৰৰ। গামোচা বা বিহুৱান দিব পৰাটো গৌৰৱৰ কাৰণ। বিহুৱান হৈছে বহাগৰ বিহুত নাৰীয়ে পুৰুষলৈ উপহাৰৰ স্বৰূপে আগবঢ়োৱা গামোচা বা চেলেং আদি জাতীয় এখন নতুন কাপোৰ। ইয়াত দিওঁতাৰ অন্তৰৰ অযুত হেঁপাহে লওঁতাৰ অন্তৰখন প্ৰেমময় কৰি তোলে। বিহু অসমীয়াৰ আশা-আকাংক্ষা আবেগ অনুভূতি আনন্দৰ উৎসৱ। দৈনন্দীন জীৱনৰ দুখ যন্ত্ৰণা সামৰি বিহুত সকলোৱে সামুহিক আনন্দ উপভোগ কৰে। তাঁত শালৰ কাপোৰ বৈ আনন্দ উপভোগ কৰে। তাঁত শালৰ কাপোৰ বৈ আনন্দ উলাহে নধৰা হিয়াৰ ওলগ যাচিবলৈ অসমীয়া নাৰীয়ে অতি কষ্ট কৰে। বিহুৰ সময়ত তাঁতশালৰ খিট্ খিটনি অসমীয়া গ্ৰাম্য জীৱনৰ অন্যতম সম্পদ। ৰঙালী বিহুত প্ৰিয়জনক দিবৰ বাবে নিজ হাতে উলিওৱা গামোচাখনেই ফুলাম গামোচা। ফুলাম গামোচাখনকেই অসমীয়া জাতিৰ হিয়াৰ আমঠু বুলি কোৱা হয়।

সুদূৰ অতীতৰ পৰা অসমীয়া সমাজত গামোচাখনেই এক সুকীয়া আসন অধিকাৰ কৰি আহিছে। গামোচাখনেই প্ৰত্যেক অসমীয়াৰ আপুৰগীয়া সম্পদ।



# আমাৰ গাঁও

**ভবিতা দাস**
স্নাতক ষষ্ঠ ষাণ্মাসিক

মোৰ গাওঁখনৰ নাম কলবাৰী। এই গাওঁখন বৰ ঐতিহ্যমণ্ডিত। এই গাওঁখনৰ চাৰিওফালে বিভিন্ন ধৰণৰ প্ৰতিভা আছে। চাবলৈ গ'লে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আৰু নাম বুলি ক'লে আৰু ক'ব নালাগে। কলবাৰীত বীৰ নাম বুলিলে গাৰ নোম শিঁয়ৰি উঠে।

গোটেই ফালৰ পৰা চালি-জাৰি চালে দেখা যায় যে— স্কুলৰ ভিতৰত অংগনবাদী, প্ৰাইমাৰী, এ.ম.ই স্কুল কলবাৰীত আছে। গাওঁ কিছুমানৰ নিজা নাম থাকে, তাৰ ভিতৰত হাতি হিচাপে ভগোৱা হয়। তিনিটা হাতিৰ ভিতৰত তিনিটা নাহিবেৰী আছে। আয়তীৰ নামৰ ভিতৰত নিয়াৰীকৈ সকলোৱে চলাই নিয়ে। এনেকৈয়ে নামদল বিভিন্ন ধৰণে চলাই আছে। কলবাৰী বুলিলে অসমৰ চাৰিওফালে সকলোতে সিঁচৰতি হৈ আছে। দেখাত গাওঁখন সৰু যেন লাগিলেও কিন্তু ইয়াৰ মানুহৰ প্ৰতিভা বহুমুখী। নামৰ ভিতৰত ঝুণা নাম, বীৰ নাম, থিয় নাম, আয়তী নাম.... ইত্যাদি। শিক্ষাৰ ফালৰ পৰা বহুতো ল'ৰা হওঁক বা ছোৱালী হওঁক বিভিন্ন ক্ষেত্ৰত প্ৰথম শ্ৰেণী লৈ পাছ কৰা ল'ৰা-ছোৱালীও আছে।

কলবাৰী এখন এনেকুৱা ঠাই য'ত ডাঙৰ মানুহ আহি নিমন্ত্ৰণ কৰি থৈ যায়। এইখন গাঁৱলৈ এবাৰ ক
আহিছিল। বিভিন্ন মন্ত্ৰী, এমেলে আহে। আৰ্থিক
পিছপৰা কামৰ ক্ষেত্ৰত বিভিন্ন সহায় আগবঢ়াই। এ
সকলো ক্ষেত্ৰত সহায়-সহযোগীতা আগবঢ়াই থা

কলবাৰীৰ কীৰ্ত্তন ঘৰ আৰু শ্ৰীশ্ৰীৰামচ
সত্ৰ বিশেষভাৱে প্ৰসিদ্ধ হৈছে। সকলো ঠাইতে এ
বিষয়ে জানে। এই সত্ৰত বিভিন্ন নাম-কীৰ্ত্তন হয়। বি
পালনাম। এই উৎসৱটো তিনিদিনীয়াকৈ উদ্‌যাপন ক
ইয়াত বিভিন্ন ঠাইৰ পৰা বিভিন্ন নাম দলকে আদি কৰি
কৰি অনা হয়। এনেকৈয়ে এই পালনাম পালন ক

ইয়াৰ ভিতৰত দৌল, মহাপুৰুষ দুজনাৰ 
ইত্যাদি সকলো উৎসৱ কলবাৰী সত্ৰত উদ্‌যাপন ক
১২ মাহত ১৩ টা উৎসৱ পালন কৰা হয়। এই সকল
ভিতৰত আমি কলবাৰী গাঁওবাসী বিভিন্ন ধৰণে দে
লাগি এই মন্দিৰৰ নামত উচৰ্গিত। সেয়ে কল
জাকত-জিলিকা।

এইখিনিয়ে কলবাৰী গাঁওৰ চমু তাৎপৰ্
পৰা দেখা যায় যে কলবাৰী এখন প্ৰতিভামুখী গাঁ
গাঁওখন চিৰদিন যেন এনেকৈয়ে চিৰস্মৰণীয় হৈ থ

B.H.B. College, Sarupeta



# তাই

**ৰাহুল কলিতা**
স্নাতক ষষ্ঠ ষান্মাসিক

পুমহীয়া জাৰৰ কথা.... নির্মলা হাতত পুৰণী পিতালৰ চাবিটো হাতত লৈ তাই দেউতাক অহালৈ বৈ আছে। দেউতাক মানে নির্মলাৰ দেউতাক আৰু তাই এ সিহঁতৰ পৰিয়াল। মাতৃহাৰা হোৱাৰ পিছত দেউতাকে তাইৰ মাকৰ ভুমিকা, পালন কৰি আহিছে। তেতিয়াৰ তাই নিৰবে চকুলে তুকে। সচাঁকৈ দেউতাকে কমখন কষ্ট কৰেণে? ৰাতিপুৱাত ঘৰৰ পৰা যায় হাতত অলপ শাক-পাচলিলৈ তাৰে লাভৰ একাংশ ঘৰৰ খৰচ আৰু একাংশ তাইৰ মনে নির্মলাৰ পঢ়াৰ খৰচ নির্মলা এইবোৰ ভাবি থাকতে কেতিয়া দেউতাকে আহি "মাজনী" বুলি মাত, লগালে গমতে নাপালে। ৰাতিটো আহিলে নির্মলাৰ ভয় লাগে। নির্জনতাৰে ভৰা গাঁওখনত কুকুৰ কেইতাই বিননী ধৰিলে এক অজন শংকাত কপি উঠে তাইৰ বুকুখন। দেউতাকৰ মাতত তাই বাস্তৱত আহিল। দেউতাকক ভাত কেইটামান বাঢ়ি দি তাই নোমোবাকৈ শুই থাকিল। অবশ্যে তাইৰ শোকবোৰে তাইক ৰুদ্ধ কৰিব পৰা নাছিল। দেউতাকে তেজাল যোৱাৰ দৰে দৌৰিব দিছিল। কিন্তু লেকামহীন হ'ব দিয়া নাছিল। এইবোৰ থাকতে তাই শুই পৰিল নিদ্ৰা দেৱীৰ গভীৰ তন্দ্ৰাৰ মাজত। ৰাতিপুৱা সূৰুয উদয় নৌহতেই তাই উঠিল। আগফালৰ ফেতীখন সাৰি থাকতে ওচৰৰ বিৰেণ কাই প্ৰথম কলেজৰ যাত্ৰাৰ শুভেচ্ছা জনালে। নির্মলাৰ কলেজীয়া জীৱনৰ প্ৰথম দিন। অঞ্চলটোৰ পাচখনত লেটাৰ লৈ অতি সুক্ষাতিৰে উৰ্ত্তিন হৈছিল তাই। সকলোৱে বাহ-বাহ দিছিল, কিন্তু কোনেওঁ তাইক আৰ্থিক ভাবে সহায় কৰিব অহা নাছিল। দেউতাকৰ হাতমোৰ ৰুদ্ধ হৈ গৈছিল। কিন্তু সপোন ৰুদ্ধ হোৱা নাছিল।

আৰ্থিক ভাবে জুৰুলা হোৱা নির্মলাৰ ঘৰখনত ও আছিল এটা সপোনৰ পদুম। এটা গভীৰ হুমুনীয়াহ মাৰি তাই গা ধুবলৈ আগবাঢ়িল। গা ধুই আহি নতুন চুৰিদাৰ যোৰ পিন্ধি দেউতাকক সেৱা এটি কৰি ওচৰৰ মিনাক্ষিৰ লগত পুৰণী চাইকেল খনেৰে আগবাঢ়িল। "আনন্দপুৰ মহাবিদ্যালয়" হাজাৰ জনৰ সপোনৰ স্বাৰ্থ জড়িত এখনি জ্ঞানৰ সাগৰ। ইয়াতেই জড়িত হৈ আছে নির্মলাৰ ভৱিষ্যত তাই প্ৰথমতে কলেজৰ তেৰেণ খন দেখি অলপ ভয় লাগিছিল। কিন্তু লগবোৰ পাই ভয়টো কমিল। তেতিয়া দুপৰীয়া ২ বাজিছে। মহাবিদ্যালয়খন নিৰল নিস্তব্দ হৈ পৰিছিল, হঠাৎ কেইজনমান ল'ৰা আহি তাইক পিছফালৰ ৬নং কোঠালৈ মাতিলে। কিয়? বুলি প্ৰশ্ন কৰাত মহাবিদ্যালয় সপ্তাহ অনুস্থিতৰ বাবে বৈঠকত বহা বুলি কৈছিল। তাই গ'ল। কিন্তু কামৰ পৰা ওলাই আহতে চুৰিদাৰ যোৰ চিৰা, আৰু চুলিবোৰ আউল বাউল আৰু তপত অশ্ৰু, আজি তাই! ! লজ্জিত আজি তাই কামনাৰ বলি!! আজি তাই কলংকিত সকলোবোৰ সপোন ভাঙি যোৱাত তাই এক বিৰল প্ৰতিমুৰ্ত্তি হৈ ঘৰলৈ আহিল আৰু ওচৰৰ বগৰি জোপাত নিজৰ চাদৰ খনেৰে সমস্ত ত্যাগ কৰিলে। এটা সপোন এখন ঘৰ সকলো তাই অনিশ্চাকৃত ভাবে শেষ কৰিলে? গোধুলি দেউতাক আহিল, হাতত সৰু মিঠাইৰ তোপোলা লৈ দেউতাকে তাইক মাতিলে "মাজনী", "মাজনী" নাই? কোনো প্ৰত্যুত্তৰ নাই অলপ দুৰৰ বগৰী জোপাত কিবা এটা ওলমি থকা যেন অনুভৱ হ'ল অলপ ওচৰলৈ গৈ সকলো দেখি দেউতাক এক বিচ্যুত্তিত পৰিল, হাঁহিব নে কান্দিব একো কৰিব এ নোৱাৰিলে। মাত্ৰ বহি ৰল এক ৰুদ্ধ মানৱৰ দৰে। তাৰেই মৌন সাক্ষি হৈ ৰল "কেইটোপাল মান তপত অশ্ৰু"।

B.H.B. College, Sarupeta



# এখিলা মৰম


**চন্দ্ৰমোহন তালুকদাৰ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ


ঃ ধন তোৰ খবৰ কি ওঁ?

ঃ Hello, দেউতা মই এতিয়া অলপ ব্যস্ত আছোঁ। ফোনটো পিছত কৰিম দিয়া মই।

হৰেনৰ দেউতা কি ক'লেও ধনে? বুলি হৰেনৰ মাকে হৰেনৰ দেউতাকক শুধিলে।

ঃ কি হ'ব আৰু আগৰ দৰেই আজি ব্যস্ত বুলি কৈ ফোনটো কাটি দিলে। বুলি হৰেনৰ দেউতাক গজেনে ক'লে।

ঃ সঁচাই দে ধনক আজি কালি আমাক নালাগা হ'ল। আমি যে তাৰ মাঁ-দেউতা সেই কথা সি পাহৰি থাকিল। অকল কাম কাম...। দূৰত আছে, নিজেটো ফোন এটা নকৰেয়ে আমি কৰিলেও কথা নাপাতা হৈছে। আমি মৰিলে গ'ম পাবনে। বুলি মাক মিনতিয়ে কৈ হুক-হুকাই কান্দি দিলে।

ঃ ৰহ ছোন ইমান নাকান্দিবি। মোৰ আজি গাঁটো বৰ বেয়া, জ্বৰ উঠা যেন হৈছে। বয়সোঁ বহুত হ'ল নহয় এইবাৰ ৮৫ বছৰত ভৰি দিম। গজেনে ক'লে।

ঃ অ হয়নেকি। হলি ভাত কেইটা খাই শুবোকে ৯-৩ বাজিলে। বুলি কৈ মিনতিয়ে পাকঘৰৰ ফালে আগবাঢ়িল।

ভাত কেইটা খাইয়ে আজি গজেনে বিচনাত উঠিল। আন দিনাৰ নিচিনাকৈ বাহিৰত নবহিলে।

ঃ আপোনি শুই থাকক। মই ওলপ 'নাম' ...
কালি 'নাম' আছে গাঁৱৰে এগিৰি ঘৰত ঘৰ লোৰ ...
দলটোকে মাতিছে। বুলি কৈ মিনতিয়ে চোচমা...
পিন্ধিবলৈ হাঁতত চোচমাৰ বাকচটো তুলি ল'লে।

গজেনৰ গাটো আজি সচাঁকৈ বেচিকৈ ...
টোঁপনি মাৰিলে অহা নাই টোঁপনি। লাহে... লাহে...
বিষত উঠিব ধৰিলে আৰু হথাৎ বুকুখনে হানি ...
হ'ল আজি তাৰ নিজেওঁ ক'ব নোৱাৰে। মিনতিয়ে কি...
বুলি তাইকো নামাতিলে।

পুৱা ৭ বাজিছে বুঢ়াই দেখোন আজি উঠা ...
হ'ল? বুলি মিনতিয়ে গজেনক শুৱাৰ পৰা নুঠা দেখি ...
তাই মাতিব ধৰিলে। অ. হৰেণৰ দেউতাক। অ... হ...
দেউতাক বুলি মিনতিয়ে বুঢ়াক যোকাৰি দিয়াত ...
ফালখাই বিচনাত মাত বুল নোহোৱাকৈ পৰি ৰ'ল এটা ...
টুকুৰাৰ দৰে।

তাকে দেখি মিনতিয়ে কপি উঠিল আৰু চি...
চিঞৰি কান্দিব ধৰিলে।

দুদিন পিছত হৰেন দেউতাকৰ খবৰ পাই ...
আহিল। সি ওলপ নাকন্দিলে যদিওঁ দেউতাকৈ এখনি ...
লিখিল। চিঠিখনৰ নাম হ'ল— এখিলা মৰম।

B.H.B College, Sarupeta



# স্মৃতি

**ভৱজ্যোতি তহবিলদাৰ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

ঃ হেৰা মোৰ টেবুলত কিতাপবোৰ নি ক'ত থৈছা।

ঃ এ ষ্টোৰ ৰুমত নি থৈ আছো। ৰুমিয়ে পাকঘৰৰ পৰা মাত দিলে।

ঃ এ তুমিও যে কাম কৰা। অৰুণৰ খং উঠি গ'ল। অৰুণে ষ্টোৰ ৰুমলৈ কিতাপবোৰ বিচাৰি থাকোতে পালে Class 10 ৰ Social Science খন সি কিতাপখন পালে তেওঁ কিতাপখন খুলি চাই দেখিলে যে তাত এখন ফটো আৰু এখন চিঠি। ফটোখন চাই মনত সিহতৰ শ্ৰেণীটো লৈ। তাৰ পিছত সি চিঠিখন মেলি চালে। সিয়াৰ মনত পৰিল আজিৰ পৰা ১৭ বছৰ আগৰ কথা যি সময় সি আছিল Class 10 ত।

সেইবাৰ সিহতত স্কুল শেষ সৰস্বতী পূজা আছিল। মানে সিহত এইবাৰ কলেজ আহিব। শেষ মানে শেষ এ। এইবাৰৰ পিছত সিহতৰ মাক দেউতাক চহৰলৈ যাব।

যি স্কুলৰ Class 9 ৰ এজনী ছোৱালীক বহুত পছন্দ কৰিছিল। সি ভাবিছিল যদি এইবাৰ কোৱা নহয় তেতিয়া হ'লে কোৱা নহ'বই। সেইভাবি সি তাইলৈ এখন চিঠি লিখিছিল। যিখন সি তাইক দিম বুলি ভাবিছিল। সৰস্বতী পূজাৰ আগাদিনা ৰাতি সি চিঠিখন লিখিছিল।

পিছদিনা সি গা পা ধুই স্কুললৈ আহিছিল। শেষ সৰস্বতী পূজা হিচাপে সি ভালকৈ সাঁজি-কাঁচি আহিছিল আৰু অলপ সোনকালে আহিছিল।

সি প্ৰিয়াৰ আপেক্ষাত বৈ আছিল। লাহে লাহে তাৰ সকলো বন্ধু-বান্ধৱি আহিল। তাৰ Best Friend তপন, জ্যোতি ও আহিছিল।

ঃ বা আজি পুৰা Hero হৈ আহিছা। তপনে অৰুণক ধেমালি কৰি ক'লে।

ঃ উম।

তিনিও স্কুলত পূজা কৰিলে। লাহে লাহে দুপৰীয়া হ'ল। প্ৰিয়া নাহিল। সি তাইৰ বান্ধৱীবোৰক সুধিলে প্ৰিয়াৰ কথা। সিহঁতে নজানো বুলি ক'লে।

পূজা শেষ হ'ল। সকলোৱে প্ৰসাদ গ্ৰহণ কৰিলে। সকলোকে ভাত দিয়া। লাহে লাহে ভাত খাই সকলো ঘৰলৈ গ'ল।

সিয়াৰ পকেটৰ চিঠি পকেটতে ৰ'ল।

ঃ হেৰা কি কৰিছে ইমান সময় ষ্টোৰ ৰুমত ? ৰুমিয়ে মাত দিলে।

অৰুণ স্মৃতিৰ সাগৰৰ পৰা বাহিৰ হ'ল। সিয়াৰ ছচ্ অহা যেন হ'ল। সি চিঠিখন লুকুৱাই থ'লে আৰু মনতে ভাবিলে, এইখন পালে তেওঁ মোক ক্ষুধাই নেৰিব, বাপ্‌ৰে।

B.H.B. College, Sarupeta



# দুই বন্ধু

প্ৰিয়ংকা মজুমদাৰ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বহুদিন আগৰ কথা এখন অৰণ্যত দুৰ্দন্ত নামৰ এটা সিংহ আছিল। দুৰ্দন্ত আছিল বনৰ অৰ্থাৎ অৰণ্যখনৰ ৰজা। দুৰ্দন্ত এটা বন্ধু আছিল তাৰ নাম তালু অৰ্থাৎ বাঘ। দুয়ো প্ৰিয় বন্ধু। এদিনাখন দুয়ো বন্ধুৰ মাজত কথা আলাপ-আলোচনা চলি আছিল। তেতিয়া দুৰ্দন্তই ক'লে— 'মই এই অৰণ্যৰ ৰজা'। গতিকে মোৰ আগত এই অৰণ্যৰ কোনো জীৱ-জন্তু টিকি থাকিব নোৱাৰে। তেতিয়া বালুই ক'লে— বন্ধু যদি তোমাৰ আগত এটা হাতী থিয় হয় তেতিয়া সেই হাতীটোৰ তুলনাত তোমাক এটা পৰুৱা যেন লাগিব। বালুৰ কথা শুনি দুৰ্দন্তৰ খং উঠি গ'ল আৰু বালুক ক'লে— 'মই এটা অৰণ্যৰ ৰজা'। মোৰ বিষয়ে এনেদৰে কোৱাৰ সাহশ কোনে দিয়ে তোমাক। তেতিয়া বালুই ক'লে— 'কিন্তু দুৰ্দন্ত, মইতো তোমাক এনেই মোৰ বন্ধু হিচাপেহে তেনেকৈ কৈছোঁ'। তেতিয়া দুৰ্দন্তই খংগুত ক'লে— 'বন্ধু! আ... পৰা মোক অন্য জীৱ-জন্তুৰ দৰে মহাৰাজ বুলি মা... আজিৰ পৰা আমাৰ মাজত কোনো সম্পৰ্ক নাই... এনেকুৱা ব্যৱহাৰ আৰু কথা শুনি বালু দুখতে আ... গুচি গ'ল।

কিছুদিন পিছত ৰজা দুৰ্দন্তৰ মন্ত্ৰী বিদ্যু... শিয়ালয়ে এটা চোৰক ধৰি আনি সাস্তি দিবলৈ ৰজা... ওচৰলৈ লৈ আহিল। মন্ত্ৰীয়ে ৰজা দুৰ্দন্তক ক'লে— '... এও হ'ল ডুমৰু'। ইয়াক সাস্তি দিবৰ বাবে আপোনাৰ ... আনিছোঁ। মন্ত্ৰীক ৰজা দুৰ্দন্ত ডুমৰুৰ অপৰাধৰ কথা ... তেতিয়া মন্ত্ৰীয়ে ক'লে— 'মহাৰজা, ই এটা বিখ্যাত ... ই অকল অৰণ্যৰ জীৱ-জন্তুৰ ঘৰতে নহয় ৰাজমহলত... চুৰ কৰিছে। গতিকে ইয়াক আপুনি সাস্তি দিয়ক ...



B.H.B. College, Sarupeta

মন্ত্ৰীৰ কথা শুনি ৰজা দুৰ্দন্তই ক'লে— 'মহাৰাজ, এও হ'ল ডুমৰু'। ইয়াক সাস্তি দিবৰ বাবে আপোনাৰ ওচৰত আনিছোঁ। মন্ত্ৰীক ৰজা দুৰ্দন্তই ডুমৰুৰ অপৰাধৰ কথা শুধিছিল তেতিয়া মন্ত্ৰীয়ে ক'লে— 'মহাৰাজ, ই এটা বিখ্যাত চোৰ।' ই অকল অৰণ্যৰ জীৱ-জন্তুৰ ঘৰতে নহয় ৰাজমহলৰ পৰাও চুৰ কৰিছে। গতিকে ইয়াক আপুনি সাস্তি দিয়ক মহাশয়। মন্ত্ৰীৰ কথা শুনি ৰজা দুৰ্দন্তই ক'লে— 'ডুমৰু তুমি এটা বিখ্যাত চোৰ'। অকল অৰণ্যৰ জীৱ-জন্তুৰ পৰাই নহয়, ৰাজমহলৰ পৰাও চুৰ কৰাৰ অভিযোগ পাইছোঁ। গতিকে সাস্তিৰূপে ডুমৰুক আজিৰ পৰা দুই মাহ পিছত ডুমৰুক পাহাৰৰ পৰা পেলাই মৃত্যু দণ্ড দিয়া হ'ব। গতিকে এই দুই মাহ ডুমৰুক কাৰাগাৰত বন্দি কৰা হওঁক। ৰজা দুৰ্দন্তৰ কথা অনুসৰি মন্ত্ৰীয়ে ডুমৰুক কাৰাগাৰত বন্দি কৰিলে।

কিছুদিন পিছত ডুমৰুৰ বন্ধু ডলুই ডুমৰুৰ কাৰাগাৰত থকা কথা গম পাই তাক লগ কৰিবলৈ কাৰাগাৰত গ'ল। তাত গৈ ডুমৰুক বন্দি দেখি ডলুৰ বৰ দুখ লাগিল। তেতিয়া ডলুই ডুমৰুক ক'লে— 'বন্ধু মই তোমাক চুৰ কৰিবলৈ বাধা দিছিলোঁ। কিন্তু মোৰ কথা তুমি নুশুনিলা। এতিয়া দেখিলা কি হ'ল। তেতিয়া ডুমৰুই ক'লে— 'বন্ধু যি হৈছে তো হ'ল য়ে। এতিয়া মই মৃত্যুৰ আগতে যদি পৰিয়ালৰ বাবে কিবা কৰি থৈ যাব পাৰো। ডুমৰুৰ কথা শুনি ডলুই দুখ মানৰে তাৰ পৰা ৰজা দুৰ্দন্তৰ ওচৰত আহিল।

ডলুই ৰজা দুৰ্দন্তৰ ওচৰত আহি ক'লে— 'মহাৰাজ মই ডুমৰুৰ বন্ধু, ডলু'। মই আপোনাক কিবা ক'বলৈ বিচাৰিছোঁ। তেতিয়া ৰজা দুৰ্দন্তই ক'লে— 'কোৱা ডলু'। ৰজাৰ পৰা আদেশ পাই ডলুই ক'লে— 'মহাৰাজ, আপুনি যদি ডুমৰুৰ মৃত্যুৰ আগতে তাক কিছুদিনৰ বাবে তাৰ পৰিয়ালৰ লগত থাকিব দিয়ে। যাতে সি তাৰ পৰিয়ালৰ বাবে কিবা কৰি থব পাৰে। ডলুৰ কথা শুনি ৰজাই ক'লে— 'সি হ'ল বিখ্যাত চোৰ'। অকল অৰণ্যৰ জীৱ-জন্তুৰ পৰাই নহয় ৰাজমহলৰ পৰাও চুৰ কৰিছে। গতিকে ডুমৰুক মই এৰি নিদিও। তেতিয়া ডলুই ক'লে— 'মহাৰাজ, ডুমৰু যিমান দিন তাৰ পৰিয়ালৰ লগত থাকে সেইকেইদিন মই কাৰাগাৰত থাকিম। ডলুৰ কথা শুনি ৰজা দুৰ্দন্তই ক'লে— 'যদি সি আকৌ উভতি নাহে? ৰজাৰ প্ৰশ্নৰ উত্তৰত ডলুই ক'লে— 'মহাৰাজ যদি ডুমৰুই উভতি নাহে তেতিয়া ডুমৰুৰ সাস্তি মই গ্ৰহণ কৰিম। তেতিয়া ৰজাই মন্ত্ৰীক ক'লে— 'মন্ত্ৰী যোৱা ডুমৰুক এৰি দি ডলুক কাৰাগাৰত বন্দি কৰা। ৰজাৰ আদেশত মন্ত্ৰীয়ে সেয়াই কৰিলে। যেতিয়া ডলুক কাৰাগাৰত বন্দি কৰি ডুমৰুক কাৰাগাৰত পৰা বাহিৰ কৰিলে। তেতিয়া ডুমৰু যোৱাৰ সময়ত ডলুক ক'লে— 'বন্ধু তুমি চিন্তা নকৰিবা'। মই সোনকালে উভতি আহিম।

বহুদিন পাৰ হৈ গ'ল, কিন্তু ডুমৰুৰ কোনো খবৰ নাই। এদিনাখন ৰজা দুৰ্দন্তই ডলুৰ ওচৰত আহি ক'লে— 'ডলু, মই কৈছিলোঁ যে ডুমৰু আকৌ উভতি নাহে। গতিকে সাস্তি অনুযায়ী কাইলৈ ৰাতিপুৱা তোমাক পাহাৰৰ পৰা পেলাই দিয়া হ'ব। পিছদিনা ৰাতিপুৱা যেতিয়া ডমৰু কাৰাগাৰত উপস্থিত নহ'ল তেতিয়া ৰজা আৰু মন্ত্ৰীয়ে ডলুক পাহাৰৰ ওপৰত লৈ গ'ল। তাত গৈ ৰজা দুৰ্দন্তই ক'লে— দেখিছ ডলু, মই কৈছিলোঁ যে তাৰ দৰে চোৰ আকৌ উভতি নাহে। গতিকে তাৰ সাস্তি ভোগ কৰিবলৈ প্ৰস্তুত হোৱা। তেতিয়া ডলুই ক'লে— 'বন্ধুৰ বাবে মই নিজৰ জীৱন দিবলৈ প্ৰস্তুত'। তেতিয়া ৰজা দুৰ্দন্তই মনে মনে চিন্তা কৰিবলৈ ধৰিলে যে সিহঁত দুয়োজনে এজনে আনজনৰ বাবে নিজৰ জীৱন দিবলৈ প্ৰস্তুত। তেনে স্থলত মই এটা সামান্য কথাৰ বাবে নিজৰ বন্ধুত্ব শেষ কৰি দিছিল। অলপ সময় পিছত ৰজাই ক'লে— 'তোমালোকে এজনে আনজনৰ বাবে নিজৰ জীৱন দিবলৈ প্ৰস্তুত, তেনেস্থলত মই এটা সামান্য কথাত মৃত্যুদণ্ডৰ সাস্তি দিব নালাগিছিল। গতিকে তোমালোক দুয়ো যোৱা। ডুমৰু আৰু ডলু দুয়ো আনন্দ মনেৰে তাৰ পৰা গুচি গ'ল।

ৰজা দুৰ্দন্তই তেতিয়াই অলপো সময় নষ্ট নকৰি তাৰ বন্ধু বালুৰ ওচৰত গ'ল। দুৰ্দন্তই বালুৰ ওচৰত গৈ ক'লে— 'বন্ধু মোক ক্ষমা কৰি দিয়া'। তোমাৰ এটা সামান্য কথাত মোৰ খং কৰাটো উচিত হোৱা নাই। গতিকে মোক ক্ষমা কৰি দিয়া। তেতিয়া বালুই ৰজা দুৰ্দন্তক ক'লে— 'কিন্তু মহাৰাজ'। বালুই দুৰ্দন্তক মহাৰাজ বুলি কোৱাত দুৰ্দন্তই বালুক ক'লে— 'মহাৰাজ নহয় বন্ধু, মোক দুৰ্দন্ত বুলি কোৱা'। বন্ধুৰ মাজত এজনৈ আনজনৰ নাম কাঢ়ি হে মাতে।

এনেদৰে ডুমৰু আৰু ডলুৰ বন্ধুত্বক দেখি ৰজা দুৰ্দন্তই নিজৰ ভুল স্বীকাৰ কৰি বালুৰ ওচৰত ক্ষমা মাগিলে। এনেদৰে দুয়ো অৰ্থাৎ বালু আৰু দুৰ্দন্ত আগৰ দৰে বন্ধুত্বৰ কৰ্তব্য পালন কৰিবলৈ ধৰিলে।

B.H.B. College, Sarupeta



# সংঘাত

**বিভা কলিতা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

এখন গাওঁত এহাল প্ৰেমিক- প্ৰেমিকা আছিল। এজনী ছোৱালী মোমায়েকৰ ঘৰত আহতে এজন ল'ৰা লগত প্ৰেম হৈছিল। ছোৱালীজনীৰ নাম আছিল প্ৰিয়া আৰু ল'ৰা ডনৰ নাম আছিল বিপুন। বিপুনৰ ঘৰৰ আছিল ডিব্ৰুগড়ত আৰু যোৰহাট প্ৰিয়াৰ ঘৰ আছিল। প্ৰিয়া মোমায়েকৰ ঘৰত পঢ়িব আহিছিল। এনেকৈ দুয়ো ইজনে সিজনক লগধৰিব ল'লে কথা বতৰা পাতিব ধৰিলে। দুয়ো দুয়োক এদিন নেদেখাকৈ থাকিব নোৱাৰা হ'ল এনেকৈ দিন বাগৰি গৈ থাকিল প্ৰিয়াৰ বিয়াৰ বয়স উপযুক্ত হ'ল বহুত ল'ৰাই তাইক বিয়াৰ প্ৰস্তাৱ দিলে আৰু এদিন প্ৰিয়াই বিপুনক লগ ধৰিবলৈ আহতে প্ৰিয়াৰ সম্পৰ্কীয় দাদাক এজনে দেখা পালে আৰু ঘৰত কইদিলে আৰু সেই কথা জানিব পাৰি প্ৰিয়াক যোৰহাট লৈই গ'ল। মাক দেউতাকে বিপুনৰ লগত প্ৰিয়াক বিয়া দিবলৈ কোনো ম'তে প্ৰস্তুত নহ'ল কাৰণ তেতিয়া বিপুনৰ ঘৰৰ অৱস্থা ভাল নাছিল। কোনো চাকৰি হাতত নাছিল। কিবাকৈ ঘৰৰখন চলি থাকিল বিপুনে বহুত বাৰ প্ৰিয়াৰ দেউতাক লগ ধৰিলে কিন্তু তেওঁ কোনো মতে বিপুনলৈ বিয়া দিবলৈ সাজু নহ'ল। প্ৰিয়াক পাবৰ কাৰণে বি... কি যে কথা নাই চাকৰি বিচাৰি সি টাউনলৈ গ'ল ... কথা বিপুনে চাকৰি পোৱাৰ পিছত সি যেতিয়া প্ৰি... গৈছিল তেতিয়া প্ৰিয়াক আন এজন চাকৰিয়াল ল'... দিছিল। তেতিয়া বিপুনে মনৰ দুখত কি কৰিব ... ভাবি পাগলৰ দৰে হৈ পৰিছিল কাৰণ সি প্ৰিয়া... ভাল পাইছিল। প্ৰিয়াৰ বিয়াৰ ঘৰটো সি সহ্য ক... নাছিল। এনেকৈ ভাবি ভাবি বিপুনে অৱশেষত নিজ... কৰি পেলালে। শেষ অৱস্থাত সি প্ৰিয়াৰ নামলৈ ... শেষ কৰিলে। এইফালে প্ৰিয়াই বিয়া হোৱা ল'ৰা জন... হাঁহি-ধেমালিৰে পাৰ কৰি থাকিল।

নিজকে শেষ কৰাৰ কথা শুনিও তাই ... নকৰিলে। প্ৰিয়া জানো বিপুনক সভাই ভাল পাইছিল ... কিন্তু প্ৰিয়াক সঁচা ভাল পাইছিল। বিপুনে নিজকে ... প্ৰিয়াৰ দৰে থাকিব পাৰিলে হেতেন যেনেকৈ প্ৰিয়া ... অবিহনে চলি আছে।

(বিঃদ্ৰঃ- এই কাহিনী সম্পূৰ্ণ কাল্পনিক)

B.H.B College, Sarupeta



# এজনী অহংকাৰী ছোৱালী

**কৰিণা কলিতা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

কোনো এখন দেশত এজন ৰজা আছিল। তেওঁৰ এজনী জীয়েক আছিল। তাই অতি ধুনীয়া আছিল। আৰু তাইৰ নাম আছিল চন্দ্ৰপ্ৰভা। চন্দ্ৰপ্ৰভাৰ জন্মৰ পিছত ৰাণীমাকৰ মৃত্যু হয়। ৰজাই চন্দ্ৰপ্ৰভাক ৰাণীমাকৰ কোনো দিনেও অভাৱ অনুভৱ কৰিব নিদিলে ৰজাই অতি মৰম চেনেহৰে চন্দ্ৰপ্ৰভাক ডাঙৰ-দীঘল কৰিলে। এদিন-দুদিনকৈ ডাঙৰ হৈ চন্দ্ৰপ্ৰভাই তেওঁৰ সৌন্দৰ্য প্ৰতি অংকাৰী হৈ পৰিলে আৰু ৰজাই যি শিক্ষা দিছিল, সেই শিক্ষা তাই ল'বলৈ অমান্তি হৈছিল। সেইয়ে চন্দ্ৰপ্ৰভাক লৈ ৰজাই নানা সমস্যাত পৰিছিল। চন্দ্ৰপ্ৰভাৰ অহংকাৰৰ কাৰণে তাইক কোনেও ভাল নাপাইছিল। বিশেষকৈ তাইৰ দীঘল চুলি কোচাক লৈ তাইৰ বৰ অহংকাৰ।

এদিনাখন বাহিৰত বহি চন্দ্ৰপ্ৰভাই মূৰ ফণিয়াই আছিল। এনেতে বুঢ়ী এজনী আহি ক'লে আই, মই তোমাৰ চুলি কোচা আৰু বেছি ধুনীয়া অৰ্থাৎ দেখনিয়াৰ কৰি দিব পাৰিম। তেতিয়া চন্দ্ৰপ্ৰভাই দৌৰ মাৰি আহি বুঢ়ীক ক'বলৈ ধৰিলে— আইতা, তোমাক যি লাগে মই তোমাক তাকেই দিম কাৰণ মই ৰজাৰ জীয়েক কিন্তু তুমি মোৰ চুলি কোচা আৰু অধিক ধুনীয়া কৰি দিব পাৰিবানে যাতে এই পৃথিবীত কোনো কাৰোবেই তেনে নহয় তেনে কৰি দিব পাৰিবানে আইতা?

চন্দ্ৰপ্ৰভাৰ কথা শুনি বুঢ়ীয়ে তপৰাই উত্তৰ দিলে, পাৰিম আই পাৰিম। তুমি চিন্তা নকৰিবা মই তুমাৰ চুলি কোচা ইমান সুন্দৰ কৰি দিম যেন পৃথিৱীত কোনেওৰো তেনে চুলি নাথাকিব তেতিয়া তাই কলে সচাঁই আইতা তেতিয়া হ'লে আজি বহুত সুখী কাৰণ মই এনেও ধুনীয়া হে আৰু এতিয়া মোৰ চুলি কোচাও ধুনীয়া হ'ব এই পৃথিৱীত মোৰ সমান কোনোও ধুনীয়া নাই হয় না আইতা অ, আই সচাঁই কিন্তু এই কাম ইয়াত কৰিব নোৱাৰিম আই চন্দ্ৰপ্ৰভা। তেতিয়া তাই ক'লে— ক'ত কৰিব পাৰিম আইতা। য'ত কৰিব পাৰে মই তালৈকে যাম, তেনে হ'লে শুনা সৌ হাবিখন দেখিছানে আই? তাতহে ইয়াৰ ঔষধ আছে। তোমাৰ পিতাৰ হৈছে এই ৰাজ্যৰ ৰজা। গতিকে তোমাক তালৈ যাবলৈ অনুমতি দিবনে? বুঢ়ীৰ কথা শুনি চন্দ্ৰপ্ৰভাই ক'লে— আইতা, আজি পিতাই নাই। মই এতিয়াই তোমাৰ লগত যাওঁবলা আইতা। পলম নকৰিবা, বুঢ়ী আৰু চন্দ্ৰপ্ৰভাই হাবিলৈ গুচি চাল।

সেই হাবি ভৰাৰ মজত এটা ধুনীয়া ৰাজকাৰেং দেখি চন্দ্ৰপ্ৰভাই আচৰিত হ'ল আৰু বুঢ়ীক ঘৰটো কাৰ বুলি সুধিলে। বুঢ়ীয়ে তেতিয়া এটা হাঁহি মাৰি ক'লে 'অহংকাৰী ছোৱালী'। চুলি কোচাক লৈ তইবোৰ অহংকাৰ কৰিছিল নহয়; তাৰফল আজি ভোগ কৰিবি। কাৰণ মই কোনে মানুহ নহওঁ। মই এই হাবিৰ ডাইনী বুঢ়ী। আজিৰ পৰা তই মোৰ হাবিৰ লগৰী। সকলো কাম আজিৰ পৰা তই কৰিবি। নহ'লে মই তোক কেচাই খাই পেলাম।

বুঢ়ীৰ কথা শুনি চন্দ্ৰপ্ৰভাই কান্দিবলৈ ধৰিলে আৰু ক'বলৈ ধৰিলে আইতা, তুমি মোক নাখাবা। মই আৰু জীৱনত কেতিয়াও অহংকাৰ নকৰো বুলি কথা দিলো। মোক ঘৰত থবলৈ যোৱাহি আইতা মই কাবৌ কৰিছোঁ। চন্দ্ৰপ্ৰভাৰ কথা শুনি বুঢ়ীয়ে খিল-খিলাই হাহিবলৈ ধৰিলে আৰু যাদুৰ লাঠি ডালেৰে চন্দ্ৰপ্ৰভাক তৎক্ষণাত এটা মেকুৰী বনাই দিলে।

চন্দ্ৰপ্ৰভাৰ অহংকাৰৰ কাৰণে আজি চন্দ্ৰপ্ৰভাই ডাইনী বুঢ়ীৰ হাতত এটা মেকুৰী হ'ব লগ হ'ল।

সেয়েহে কোৱা হয়- অহংকাৰ মানুহৰ পতন ঘটায়।

B.H.B. College, Sarupeta



# এখনি হেৰুওৱা

জান্নাত
উচ্চতৰ মাধ্যমিক প্ৰ

ঘৰখনৰ চাৰিটা প্ৰাণী। মাক-দেউতাক আৰু সিহঁতৰ সন্তান ৰাহুল আৰু ৰিয়া। ৰাহুল দশম শ্ৰেণী এজন মেধাৱী সৎ চৰিত্ৰবান ছাত্ৰ আৰু ৰিয়া ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী। ৰাহুলৰ দেউতাকে বছৰৰ গোটেই কেইটা মাহ পথাৰত খেতিকৰি সিহঁতৰ সৰু ঘৰখনি কোনোমতে চলাই আছে। লগতে ৰাহুলৰ টিউচন ফিচ আদিৰ দায়িত্ব দেউতাকে কোনোমতে বহন কৰিছিল। ইয়াৰ কিন্তু ৰাহুলে যথেষ্ট পৰিশ্ৰম কৰিব লগীয়া হৈছিল। এজন মেধাৱী ছাত্ৰ হিচাপে স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ ৰাহুলৰ ওপৰত ভাল ৰিজাল্টৰ আশা আছিল।

সময়মতে ৰাহুলৰ পৰীক্ষাটোৰ ৰিজাল্ট ওলাল। স্কুলৰ পৰা গমপালে যে সি ডিষ্টিংচন সহ সুখ্যাতিৰে উত্তীৰ্ণ হৈ স্কুলখনলৈ গৌৰৱ কঢ়িয়াই আনিলে কিন্তু এই আনন্দই দেউতাকৰ বাবে চিন্তা হৈ পৰিছিল কাৰণ দেউতাক এজন খেতিয়কহে। খেতি কৰি ঘৰখনৰ সকলো দায়িত্ব পালন কৰি থাকিলে ৰাহুলক এখন ভাল কলেজত পঢ়ুৱাটো দেউতাকৰ বাবে ডাঙৰ চিন্তা হৈ পৰিছিল। পাছত ঘৰৰ ব্যৱস্থা বুজি স্কুলৰ প্ৰধান শিক্ষকে ৰাহুলক এখন ভাল কলেজত পঢ়োৱাৰ বাবে সকলো দায়িত্ব ল'লে।

ৰাহুলে এখন গুৱাহাটীৰ আগশাৰীৰ কলেজত বিজ্ঞান শাখাত নামভৰ্তি কৰিলে। ৰাহুলৰ সপোন আছিল এজন ভাল ইঞ্জিনীয়াৰ হোৱাৰ। সেইবাবেই সৰুতে
গুৰুত্ব দিছিল। কিন্তু কলেজলৈ যোৱাৰ দুই-তিনি
পিছতেই কেইটামান উদণ্ড যুৱকে ৰাহুলক আ
যাবলৈ ধৰিলে। ৰাহুলৰ জীৱনলৈ নামি আহিল অ
ৰাহুলে কিছুমান নকৰিবলগীয়া কাম কৰিবলৈ ব
গৈছিল। নকৰো বুলি কলেও উদণ্ড যুৱকবোৰে ৰাহু
ধৰ কৰি নানান শাস্তি দিছিল। ফলত ৰাহুলৰ সপোন
হ'বলৈ ধৰিলে। পঢ়াৰ প্ৰতি মনোযোগ কমি বেয়া ল'
সংগ ল'লে। আজি-কালি তাৰ মাক-দেউতাক অ
মৰমৰ ভনীয়েক ৰিয়াৰো সি খবৰ নলৰা হ'ল।
সেইবেয়া ল'ৰাবোৰৰ সংগত পৰি তাতে অভদ্ৰামি ক
ধৰিলে। ড্ৰাগছ লোৱা, মদ খোৱা আদি ৰাহুলৰ
প্ৰয়োজনীৰ কাৰ্য হৈ পৰিল। শেষত ৰাহুলে প
ৰিজাল্টত দুবাৰকৈ বেয়া কৰিলে। শেষত আৰু ক
প্ৰিঞ্চিপালে কলেজ এৰিবলৈ ক'লে আৰু শেষত
নাপায় ঘৰলৈ আহিবলৈ সি বাধ্য হ'ল। ৰাহুলে ঘৰ
লগে লগে এক ধুমুহা বতাহত আদি দেখিলে, দে
কেন্সাৰ ৰোগ হৈ মৃত্যু হোৱা দেউতাকৰ নিঠৰ দে

এখনি হেৰুওৱা নৈৰ দৰে ভাগি পৰিল
জীৱনৰ আৰু সিহঁতৰ সৰু ঘৰখনি।

B.H.B College, Sarupeta



# অনুভৱৰ দুৱাৰদলিত

**মিতালী দাস**
প্ৰাক্তন ছাত্ৰী

*"One day they disappear*
*Into their rooms*
*Doors and Lips shut*
*and we become strangers*
*in our own home"* (Pat Mora)

কবিতাৰ পংক্তিত পৰিস্ফুট হৈছে সেইসকলৰ কথা যিসকলে বিকাশৰ এটি স্তৰৰ দুৱাৰদলিত থিয় হৈ অনুভৱ কৰে এনে এক অৱস্থা।

বয়ঃ সন্ধিকাল বা কৈশোৰ কাল জীৱনৰ এনে এক সময় য'ত জীৱনে এক নতুন গতি লয়। কিছু গুঞ্জৰিত সপোন, কিছু বিষাদ, ধুমুহা, সপোনৰ আশা-নিৰাশা....। ষ্টেনলি হ'লৰ ভাষাত "ধুমুহা আৰু পীড়ণৰ সময়"।

সাধাৰণতে ১২ৰ পৰা ১৮ বছৰ বয়সৰ সময়ছোৱাকেই কৈশোৰ কাল বোলে। সোণৰ শৈশৱ কাল, বিদ্যালয় শিক্ষাৰ পিছত কৈশোৰ কালত ভৰি দিয়া ল'ৰা-ছোৱালীৰ ঘটে বিভিন্ন পৰিৱৰ্তন শৰীৰ, মনৰ পৰিৱৰ্তনে তেওঁলোকক এক দিশলৈ লৈ যায়। প্ৰচুৰ সম্ভাৱনাই তেওঁলোকক চুমি যায়, লাভ কৰে জীৱন গঢ়াৰ আদিপাঠ, লাভ কৰে জীয়াই থকাৰ শিক্ষা। নিজৰ মাজত লুকাই থকা প্ৰতিভাবোৰক বহিঃ প্ৰকাশ কৰাৰ উত্তম সময় হৈছে কৈশোৰকাল। অথচ কেতিয়াবা দেখা যায় এই বয়সে কিছুমানৰ জীৱনলৈ অন্ধকাৰ নমাই আনে। আবেগৰ ভাৰসাম্যহীনতাই কৈশোৰ অৱস্থাত কেতিয়াবা ধুমুহাৰ সৃষ্টি কৰে, যি ধুমুহাৰ চাকনৈয়াত দিক্‌বিদিক হৈ পৰে তেওঁলোক।

জীৱনৰ বিভিন্ন অভিজ্ঞতা, ঘটনাই নিজকে বেলেগৰ মনোজগতত ঘটি থকা ঘটনাবোৰৰ বিষয়ে, আচৰণবোৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ, বুজি উঠিবলৈ সদায় আকৰ্ষিত কৰি তোলে। শিক্ষকতা জীৱনত লগ পোৱা বহুতো শিক্ষাৰ্থীৰ পৰা লাভ কৰা তেওঁলোকৰ মনৰ খবৰে ওচৰ চপাই নিয়ে। নিজেও এই সময় পাৰ কৰি আহিছোঁ। এতিয়া মূল কথা হ'ল আমি উঠি অহা প্ৰজন্মৰ লগত কথা পাতো কিমান? কি থাকে তেওঁলোকৰ হৃদয়ত?? কিয় ঘটে আজিকালি অপৰাধমূলক ঘটনা ইমান বেছি? সঘনাই উচ্চাৰিত হৈ থাকে যুৱ-প্ৰজন্ম উশৃংখল, নৈতিকতাহীন ইত্যাদি ইত্যাদি!!! কিন্তু কথাবোৰ যদি আমি দকৈ ভাবো অকল দোষ তেওঁলোকৰেই নে? কি বিচাৰে তেওঁলোকে?? প্ৰয়োজন কি তেওঁলোকৰ??? এক ভাবিব লগা কথা। এই কি, কিয়বোৰৰ মাজত সোমাই আছে বহু কথা।

আমি জানো কৈশোৰ কালৰ শাৰীৰিক পৰিৱৰ্তনে তেওঁলোকক বিভিন্ন ঘটনাৰ মুখামুখি কৰে। কেতিয়াবা কাৰো

B.H.B. College Sarupeta

আগত প্ৰকাশ কৰিব নোৱাৰা কথাবোৰ, নতুবা ক'লেও কোনোবাই ভুল বুজিব বা গালি-শপনি পাৰিব এই ভয়ে আগুৰি ৰাখে। যাৰ বাবে কেতিয়াবা সংঘটিত হয় অপৰাধমূলক ঘটনাৰ, আত্মহত্যা দৰে ঘটনাবোৰৰ। এতিয়া আলোচ্য বিষয় হ'ল এই ঘটনাবোৰৰ সমাধানৰ পথ কি??

বৰ্তমান যদি চোৱা যায় আজিকালিৰ শৈশৱবোৰ পিঞ্জৰাত আবদ্ধ। মুকলি আকাশৰ তলত মুকলি পথাৰত এচাম উচ্ছলতাই খিকিন্দালি কৰি উঠা দৃশ্য সুলভ নহয়। প্ৰাকৃতিক পৰিৱেশৰ পৰা বিচ্ছিন্ন , আত্মীয়তাৰ সূতাৰ পৰা বিচ্ছিন্ন জীৱনবোৰত কেৱল কৃত্ৰিমতাই আগুৰি ধৰিছে।

মই যেতিয়া কথা পাতো মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত তেওঁলোকে সঘনাই কয় আমাৰ কথাবোৰ কোনেও গুৰুত্ব নিদিয়ে, পৰ্যাপ্ত খেলিব নাপাওঁ, ফুৰিব নাপাওঁ ইত্যাদি ইত্যাদি। সঁচাকৈয়ে আমি গুৰুত্ব দিও কিমান দূৰলৈ! তেওঁলোকৰ মনৰ খবৰ ৰাখি, তথ্যমূলক পুথিৰ ওপৰতেই অকল গুৰুত্ব নিদি ব্যৱহাৰিক ক্ষেত্ৰত জানো আমি আগুৱাই নিছো। খেলা-ধূলা, বিজ্ঞানমনস্ক মানসিকতা, তেওঁলোকৰ সৃষ্টিশীলতা এই দিশবোৰক আমি আগুৱাই নিব লাগিব। বিভিন্ন দিশৰ আন্তঃস্কুল প্ৰতিযোগিতা পাতি একেলগে তেওঁলোকক ৰাখি মনৰ ভাব বিনিময়ৰ সুবিধা দিয়া অতি প্ৰয়োজন। যৌন শিক্ষা এই বয়সত অতিকৈ প্ৰয়োজনীয় বিষয়। আজিৰ যুব প্ৰজন্মই বাইক স্পীডত চলায়। এবাৰ বন্ধু এজনৰ লগত আলোচনা কৰিছিলো যিসকলে স্পীডত চলায়, ষ্টাণ্ট কৰে তেওঁলোকৰ বাবে যদি বেচিংৰ ... থাকিল হয় বহুতেই অকাল মৃত্যুৰ পৰা বাচিল... শিক্ষানুষ্ঠানবোৰত Counselling কৰাটো অত্যন্ত ... য'ত মনৰ বতৰাবোৰ নিসংকোচে খুলি ক'ব ... অন্ধবিশ্বাস কু-সংস্কাৰ আদিৰ বিৰুদ্ধে তেওঁলোকক ... প্ৰহৰী ৰূপে গঢ়ি তুলিব পৰা যায় বিভিন্ন ব্যৱহাৰিক ... জৰিয়তে। নৱপ্ৰজন্ম হৈছে দেশৰ ভৱিষ্যৎ। তেওঁ... জীৱনে এখন উদিত সমাজৰ জন্ম দিব। গঠনাত্মক ... আগুৱাই নিব লাগিব তেওঁলোকক। পৰ্যাপ্ত সা-... অধ্যয়ন মানসিকতা গঢ় দিয়া, ব্যৱহাৰিক শিক্ষা, অভি... শিক্ষকৰ বন্ধুত্বপূৰ্ণ আচৰণ এই সকলোবোৰৰ সমি... আমি নৱপ্ৰজন্মক সুস্থভাৱে আগুৱাই নিব ... কৈশোৰৱস্থাৰ কাৰ্য্যই সমাজ তথা তেওঁলোকক দু... প্ৰতি লৈ যায়। হয়তো আমি দেখিম উজ্জ্বল ... তিৰবিৰাই থকা এটি পথ নহ'লে অন্ধকাৰাচ্ছ... ভৱিষ্যতহীন পথ।

আমি বিচাৰো এখন উজ্জ্বল প্ৰাচুৰ্য্যময় ... নৱপ্ৰজন্মক ন-ন চিন্তাৰে উদ্ভাসিত কৰি তেওঁ... সপোনবোৰক আগুৱাই নিয়াৰ দায়িত্বও আমাৰেই।

"জিন্দেগী না মিলেংগে দুবাৰা" .... মনত ... উচিত আমি সকলোৱে। ইমান বেছি সম্ভাৱনাবোৰক ... যেন হেৰুৱাই নেপেলাও...।

আকৌ নতুন প্ৰভাত হ'ব কালৰাত্ৰী আতৰি ... আশাৰে...!!!

B.H.B. College, Sarupeta

*চৰিত্ৰত জাতীয়বোধ নাথাকিলে সেই দেশত অস্তিত্বৰ লগত ভাষা, সংস্কৃতি, অৰ্থনী... জাতীয়তাবোধ বা জাতীয় চেতনা নাথাকিলে সেই জাতিয়ে বা দেশে প্ৰগতিৰ পথত আগুৱাব নোৱা...*

*—গোপীনাথ বৰদ...*

# শব্দশিল্প

মানুহৰ যিটো অন্তৰৰ বস্তু, যিটো আত্মাৰ অনুভূতিমূলক
বস্তু, সেইটো প্ৰকাশ কৰে কবিয়ে। কবিয়ে মানুহক
অকল আনন্দ দিয়েই কাম শেষ নকৰে।
মানুহক দেৱতুল্য কৰিবলৈ বিচাৰে,
বস্তুৰ যিটো চিৰন্তন সনাতন গুণ,
যিটোক অৱলম্বন কৰি
বস্তু বস্তু হৈ আছে,
সেই মূল সত্যই
কবিতাৰ
আচল
পদাৰ্থ।

—লক্ষ্মীনাথ বেজবৰুৱা

B.H.B College, Sarupeta

# শব্দশিল্প



**শব্দ শিল্প/৩৯-৫৫**

পঢ়াশালি, শীতল ৰাতি, স্বপ্নীল মন, এতিয়া তুমি আনৰ, তুমি নুসুধিবা, তোমালৈ আজি, সম্ভৱ তেওঁ এদিন আহিব, তোমাৰ নামত এটি কবিতা, মানৱতা, এভুমুকি, জিঘাংসা, বি. এইচ্. বি. কলেজৰ মিচ বৰুৱা বৰুৱা, নিসংগতা, ১৯৭১ আৰু ২০১৭, সাহস আৰু শক্তি, কবিতা, মা, অসম কন্যা-আমাৰ গৌৰৱ, অংক, স্মৰণীয় দিন, উজাগৰী ৰাতিৰ নিসংগতা, তুমি এটি কবিতা হোৱা, অনুভূতি, স্বাধীনতা, প্ৰতাশা, এটি স্মৃতিৰ গান, যন্ত্ৰণাৰ দিনলিপি, জীৱন, মোৰ মন যায়, সেতুৰ শেষ সীমা বিচাৰি, ৰঙা ফুল মোৰ অপ্ৰিয়, কলেজ, আপোনাৰ প্ৰতি মোৰ অনুভৱ।

B.H.B. College, Sarupeta

ছন্দশিল্প ঃ




# পঢ়াশালি

জান্নাত আলী
উঃ মাঃ প্ৰথম বৰ্ষ

শুৱনি আমাৰ পঢ়াশালি
এই পঢ়াশালি হৈছে আমাৰ জীৱনৰ লগৰী।
এই পঢ়াশালিখনতে আমি আমাৰ ভৱিষ্যত জীৱন
গঢ় দি তোলাত সক্ষম হওঁ।
পঢ়াশালিৰ দ্বাৰা আমি আমাৰ জীৱনত
আগুৱাই যাবলৈ সক্ষম হওঁ।
পঢ়াশালিখনে হৈছে আমাৰ জীৱনৰ মূল চাবি-কাঠি
এই চাবি-কাঠিৰ দ্বাৰাই
আমি সকলোৱে জীৱনত সফল হ'বলৈ
আগুৱাই যাবলৈ পাৰোঁ।
পঢ়াশালিখনতে আমি খেল-ধেমালিৰ
লগতে বহুতো জ্ঞানো অৰ্জন কৰিব পাৰোঁ।
এই পঢ়াশালিখনতে আমাৰ জীৱনৰ
কিছুমান সপোন লুকাই থাকে
আৰু এই সপোনবোৰ পূৰণ হয়
আমাৰ সকলোৰে মৰমৰ
পঢ়াশালিখনৰ দ্বাৰাই।।

# শীতল ৰাতি

লিপিকা তালুকদাৰ
স্নাতক প্ৰথম ষাণ্মাসিক

সেমেকা সেমেকা যেন
এটি মধুৰ নিশা
আবেগে কঁপাই তুলিছে
মোৰ উন্মনা হিয়া
সৌৱা চোৱা
গছৰ সৈতে কুঁৱলীৰ নিবিড় আলিংগন
আৰু
মোৰ চৌদিশে নিসংগতা
প্ৰকৃতিৰ চাকনৈয়াত পৰিও
শীতৰ ৰাতিটো ভাৰাক্ৰান্ত হোৱা নাই
সংগোপনে বিলাই গৈছে সি
কুঁৱলীসনা সপোনবোৰ
আৰু মাজে মাজে
দুই এজাক চেঁচা বতাহ
গছৰ প্ৰতিটো পাতে নীৰৱে উপভোগ কৰিছে
কুঁৱলী আৰু নিশাৰ মিলন
আৰু মই
স্মৃতিৰ পাত লুটিয়াই
মগ্ন এক অনাবিল মাদকতাত
এতিয়া,
সংগোপনে শুই পৰিল
শীতৰ সেমেকা ৰাতিটো...।।



B.H.B. College Sarupeta

# স্বপ্নীল মন

জোনালী দেৱী
স্নাতক প্ৰথম ষাণ্মাসিক

সপোনৰ আলিদোমোজাত বৈ
দিঠকৰ তিক্ততাক পাহৰি
অজান আকাশত বন্দী
মোৰ অবুজন মন
কত আশাৰ গুঞ্জন
কত সপোনৰ বিজুলীৰ
আলোকত দিশহাৰা হৃদয়
দুচকুৰ অশ্ৰুধাৰাৰে
তিতি যায় কত বিনিদ্ৰ ৰজনী।
যন্ত্ৰণাৰ চাদৰে যেন মেৰিয়াই ধৰিছে
নিয়মৰ শিকলিয়ে চেপি ৰক্ত নিগৰাইছে
সকলো যেন অবুজ, অজান
নাজানো কেতিয়া আহিব সুখৰ ৰেঙনি
তথাপি আশাত বন্দী
মোৰ স্বপ্নীল মন।।





# এতিয়া তুমি আনৰ ...

ৰবিতা বৰ্মন
উঃ মাঃ প্ৰথম বৰ্ষ

তুমি এৰি যোৱা আজি
বহুদিনেই হ'ল
অবাস্তৱ কল্পনা এৰি
বাস্তৱৰ বুকুত ভৰি থোৱাও
বহু দিনেই হ'ল
সপোনে লাহে লাহে
ঠিকনা সলাব ধৰিছে
কিয় নাজানো কেতিয়াবা
পুৰণি স্মৃতিবোৰে ৰৰকৈ আমনি কৰে
এতিয়া আৰু তোমাৰ লগত
সপোন ৰচিব মন নাযায়
তোমাক 'মোৰ' বুলি ক'বলৈও
মন নাযায় জানা!
আশাবোৰ তিলে তিলে
শেষ হ'ব ধৰিছে
হিয়াৰ মৰমবোৰো এতিয়া
মৰীচিকা যেন হ'ব ধৰিছে।
তোমাৰ হাঁহিভৰা মুখখনলৈ চাই
মই বহুত শান্তি পাওঁ জানা।
মই বিহীন পৃথিৱীত এতিয়া
তুমি ছাগে বহুত সুখী।
মোৰ এনেকুৱা কি ভুল হ'ল যে
তুমি মোক কন্দুৱাই আন কোনোবাক
সুখী কৰাত ব্যস্ত??

B.H.B. College, Sarupeta

# তুমি নুসুধিবা

**পাপৰি দাস**
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি নুসুধিবা
মোৰ বিষণ্ণতাৰ কাৰণ
এপথাৰ দুখৰ ভৰত
কিদৰে দিন প্ৰতিদিন
ভাগি যাব খুজিছে হৃদয়
সেই কথা জানিব পাৰিলে
ভাগি চুৰমাৰ হৈ যাব পাৰে,
তোমাৰ শেলুৱৈ গজা সপোন
যি মই বিচাৰিছো
সেইয়া যে তুমি নহয়।
এই কথা তোমাক কি স'তেনো কওঁ
ভাবৰৰ মাজত হেৰাই নাযাবনে
তোমাৰ বুকুৰ অজস্ৰ জিলমিল তৰা
তোমাক মই খুউব ভালপাওঁ
এই কথা সহজেই ক'ব পাৰো
অথচ তোমাক যে সপি দিব নোৱাৰো
মোৰ সমগ্ৰ সত্ত্বা।





# তোমালৈ আজি ...

**ৰিমি পাঠক**
উঃমাঃ প্ৰথম বৰ্ষ

তোমালৈ আজি মোৰ বৰকৈ মনত পৰিছে
সঁচাকৈ
আজি মোৰ এনেকুৱা লাগিছে যেন
তুমি মোৰ ওচৰত থাকিও
এতিয়া বহুত দূৰত।
তোমাৰ বাৰু মন নাযায়নে
মোৰ দুবাহুত থাকিবলৈ
মোৰ সৈতে কথা পাতিবলৈ?
কেতিয়া আহিবা তুমি
মোৰ সিক্ত হৃদয়লৈ,
ক'বানে মোক?
জীৱনৰ প্ৰতিটো দিনলৈ আছে
মোলৈ এটি আশাৰ নিজৰা
আৰু বিশ্বাসৰ এনাজৰী।
তোমাক লৈ ৰচিছো হেজাৰ সপোন
তুমি আহিবানে
মোৰ ভগ্ন পঁজাটিলৈ?
তুমি নাহিলেও আকাশত তৰা হৈ
সদায় বাট চাম তোমালৈ।।

B.N.B. College, Sarupeta

# সম্ভৱ তেওঁ এদিন আহিব

প্ৰিয়া নায়ক
উঃ মাঃ প্ৰথম বৰ্ষ

সম্ভৱ তেওঁ এদিন আহিব
কোনেও অৱশ্যে মোক আগজাননী দিয়া নাই
হয়তো কোনেও নাজানেও
কিন্তু কোনেও নোকোৱাকৈয়ে
চৰাইবোৰে যেনেকৈ জানে
ধুমুহা আহিব ধৰিছে —
অলপ পিছত গছবোৰ আন্দোলিত হ'ব
ভীষণ বেগেৰে
সিহঁতক উদাস্ত কৰি
থানবান হৈ চিটিকি পৰিব সিহঁতৰ বিষণ্ণ নীড়
ঠিক তেনেকৈয়ে
মোৰ হৃদয়ে গম পাইছে আজি
খুউব সম্ভৱ তেওঁ এদিন আহিব
তেওঁ আহিব ধৰিছে
তেওঁ আহি ধুমুহাৰ দৰে উৰুৱাই লৈ যাব
মোৰ যি আছিল — সৰ্বস্ব, মোৰ আশ্ৰয়, মোৰ নীড়।
শেষত কোবাল ঠাণ্ডা বতাহৰ সন্মুখত
মুখ ঠেকেচা খাই মই পৰি ৰ'ম এঠাইত।





# তোমাৰ নামত এটি কবিতা

দৰ্শনা ৰয়
স্নাতক তৃতীয় ষাণ্মাসিক

আবেগত ডিঙিছো মই
জীপাল হৈ উঠিছে হেঁপাহবোৰ
সেই বৰষুণজাকৰ নাম হেনো তুমি।

তোমাতেই আদি অনাদি
তোমাৰেই সাধনাত ব্ৰতী
এতিয়াচোন সুবাসতো মাথো তুমিয়েই তুমি।

হেঁপাহৰ দলিছা পাৰি থৈছোঁ
অস্থিৰ চকুযুৰিক নিচুকাইছোঁ
আৰু যে কত কি!

কাণত বাজি উঠিছে প্ৰণয়ৰ সুৰ
হয়তো এয়া তুমি অহাৰ আগজাননী।

B.H.B. College, Sarupeta



# মানৱতা

**কৰবী দাস**
স্নাতক প্ৰথম ষাণ্মাসিক

মানৱ সমাজৰ পৰা
ক'ত হেৰাই গ'ল মানৱতা?
দানৱ শক্তিয়ে আজি
গ্ৰাস কৰিলে সততা।
নিজ স্বাৰ্থ কৰিবলৈ সিদ্ধি
মানুহে মানুহক কৰিছে বিক্ৰী
শোষণৰ ক'লা ধোঁৱাই আজি
ধৰিছে আকাশ ছানি।
নিঃসহায় কত মহিলাৰ
শুনিছো বিকট চিএৰ
মুখাপিন্ধা দানৱৰ হাতত
হেৰাইছে সতীত্ব।
সান্ত্বনাৰ ৰুমালেৰে চকুলো মছি
অপেক্ষা কৰে আজি সহস্ৰ মাতৃ
বুকু সুদা কৰি হেৰাই যোৱা
পোনা ক'ত? হয়তো এদিন আহিব ঘূৰি।
ক'ত গ'ল মহাত্মাৰ
অহিংস বাণী আৰু অহিংসা ধৰ্ম?
কিয় ম্লান হৈ গ'ল
ছহিদৰ আত্মবলিদান?
আহা আমি সকলো
একত্ৰিত হওঁ ভেদাভেদ এৰি
নিজ স্বাৰ্থ ত্যাগি মানৱতাৰ
হকে যাওঁ আমি কাম কৰি।

# এভূমুকি

**তুষাৰ ঠাকুৰীয়া**
উঃ মাঃ প্ৰথম বৰ্ষ

নিজান বননিৰ মাজমজিয়াত
এদিনৰ কাৰণে গৈছিলো
মনত আছিল বহুত আশা
আৰু আছিল বহুত আনন্দ।
কিবা নতুনৰ সন্ধানত
কিবা অচিনাকি গোন্ধৰ সুবাস বিচাৰি
গৈছিলো সেই অৰণ্যৰ মাজমজিয়াত।
কিন্তু তাৰ সলনি পাইছিলো
এখন কৃত্ৰিমতাৰে ভৰা
আবৰ্জনাপূৰ্ণ অৰণ্য।
এয়া আছিল প্ৰকৃতিৰ প্ৰতি
মানুহৰ অশালীন আৰু
অকৃতজ্ঞতাপূৰ্ণ ব্যৱহাৰ।

B H B College Sarupeta



## জিঘাংসা

**ৰৰষা দাস**
স্নাতক ষষ্ঠ ষাণ্মাসিক

অস্তিত্ববিহীন পৰিচয়
সীমাহীন মৰম
বিষাদেৰে ভৰা এই জীৱন
হৃদয়ত জাগ্ৰত হোৱা
অটুট বিশ্বাস আৰু মৰমৰ মাজত
উদ্ভৱ হোৱা হেজাৰ প্ৰশ্নৰ
উত্তৰ মাথো এটা বিচাৰি ...
তুমি এজাক অচিন বতাহৰ দৰে
যি মোৰ জীৱনৰ সকলোবোৰ
সপোন, আশা-আকাংক্ষা থান-বান কৰি
লৈ গ'লা নিজৰ লগত
সেই অচিন বতাহজাকৰ দৰে
তথাপিও হৃদয়ৰ কোনোবা এটা কোণত
তোমালৈ বুলি সাঁচি ৰখা মৰম
তোমাৰ স্মৃতি আৰু তোমাৰ সেই
ছলনাময় হাঁহিটি
যি মই জিঘাংসাৰ চেষ্টা কৰিও
জিঘাংসা কৰিব নোৱাৰো।
কিন্তু এই মৰম, ভালপোৱা
বিশ্বাস অভিমানৰ
জানো কিবা মূল্য আছে ...
আছে জানো ইয়াৰ পৰিচয় ???

## বি. এইচ্. বি. কলেজৰ মিচ বৰষা বৰুৱা

**হিৰকজ্যোতি তালুকদাৰ**
স্নাতক পঞ্চম ষাণ্মাসিক

তুমিয়ে বৰষা
বি.এইচ.বি. কলেজৰ
যাৰ হাঁহিৰ খলকনিত
জিলিকি উঠিছিল
কলেজৰ প্ৰতিটো মুহূৰ্ত।
অৱশ্যে তোমাৰ প্ৰতিটো খোজতে
প্ৰাণ পাই উঠিছিল
কলেজ ৰোড, কেন্টিন ৰুম
আনকি ৰজত খুড়াৰ চানাচুৰৰ সোৱাদবোৰো।
তোমাৰ চুলিৰ সুবাসত
জীপাল হৈ পৰিছিল
গাৰ্লছ কমন ৰুমৰ
অফ টাইমৰ সময়ছোৱা।
তুমিহীনতাত বৰষা
নিমাত হৈ পৰে
লাইব্ৰেৰীৰ ৰিডিং ৰুমৰ
সোণালী সময়।
বৰষা ভুল নুবুজিবা
তুমি মোৰ কবিতাৰ
শিৰোনাম।
ভাল অৱশ্যে সকলোৰে
পাব বিচাৰে।
মাথো কলেজৰ প্ৰতিটো সময়ে
ব্যাঘাত কৰি তোলে
মোৰ মেটমৰা হেঁপাহৰ
মনৰ পদুলি।।

B.H.B. College, Sarupeta

# নিসংগতা

**কুলজ তালুমদাৰ**
স্নাতক তৃতীয় ষাণ্মাসিক

তুমি কি বুজিবা প্ৰিয়তমা
এতিয়া মোৰ অলপ সময়ো ভাল লগা নাই
তুমি মোক নিসংগতাত বিচাৰিবানে
সৰগৰ ফুল বচা সপোনত।
মোলৈ তোমাৰ অলপো
নপৰে নে মনত? কেনেদৰে আছো মই!!
শৰতৰ সেই ৰাতি ফুলা শেৱালিৰ অনুভূতি লৈ
তুমি মোৰ স'তে চকুত চকু থৈ কথা পাতিছিলা।
নালাগে আৰু তোমাৰ সেই ভালপোৱা
তোমাৰ মৰম নামৰ যন্ত্ৰণাৰ ভাগ।
মই তোমাৰ বাবে ভগৱানৰ ওচৰত
প্ৰাৰ্থনা জনাইছো — তুমি কুশলে থাকা।।





# ১৯৭১ আৰু ২০১৭

**শান্তনু কলিতা**
স্নাতক চতুৰ্থ ষাণ্মাসিক

হেঙুলীয়া উদয়ৰ সন্ধানেৰে তুমি সৃষ্টি
নামি আহে প্ৰতিটো দাত্ৰ-দাত্ৰীৰ সোণৰ বৃষ্টি
তুমি অন্য নহয়, উনৈশ শ এসত্তৰৰ অন্যতম কীৰ্তি
লগ পাওঁ তোমাক, দুহেজাৰ সোতৰৰ প্ৰথম ভাগত।

তুমি বি. এইচ. বি. জননী আই
তুমি সোণৰ জীৱনৰ সুৰগা আই
তোমাতে প্ৰতিটো প্ৰভাতৰ পথ পাই
জীৱনৰ পথাৰখন তোমাতে জীপাল পায়।

আশাৰ স'তে ভৰসা মোৰ তোমাতে
জীৱন যুঁজৰ, গঢ়াৰ সময় তোমাতে
মন্দিৰময় জীৱনৰ মূৰ্তি তুমি অমিয়া
লগ পোৱাৰে পৰা তোমাক, মই বলিয়া।।

B.H.B. College Sarupeta

# সাহস আৰু শক্তি

চন্দ্ৰমোহন তালুকদাৰ
উঃ মাঃ প্ৰথম বৰ্ষ

মা তুমি সঁচাই সাহসী
দেউতা তুমি সঁচাই শক্তিশালী
তোমালোকৰ সাহস আৰু শক্তিয়ে
হয়তো আজি মোক কৰি তুলিলে বীৰ।
যিয়ে কেতিয়াও পিছুপিনে নাচায় আৰু
সত্যবাদী।
মা তুমি সঁচাই শক্তিশালী।
মা তোমাৰ বাণীয়ে সঁচাই
আজিও মোৰ গা শিয়ঁৰাই তোলে।
দেউতা তোমাৰ শক্তি সঁচাই ধন্য।
যিয়ে মোক হাৰ মানিবলৈ নিদিয়ে।
মা তুমি সঁচাকৈয়ে সাহসী।
দেউতা তুমি সঁচাকৈয়ে শক্তিশালী।।





# কবিতা

ভবজ্যোতি তহবিলদাৰ
উঃ মাঃ প্ৰথম বৰ্ষ

মই এজন কবি
যাৰ কবিতাৰ হয়তো
বজ্ৰপাত কৰিব পৰা নাই।
তথাপি ...
হৃদয়ৰ এটি এটি অনুভৱবোৰ
এটি এটি স্মৃতি যোৰা লগাই
তোমাৰ নামত এই কবিতা।
তোমাৰে মনালিছাৰ দৰে ওঠৰ পিছত থকা
ডালিমগুটিয়া হাঁহিটিয়ে
বলিয়া কৰিছিল মোক
কবিতা।
তোমাৰ পৰশত মোৰ হৃদয়ৰ
সুপ্ত প্ৰতিভা জাগি উঠিছিল
কবিতা।
হয়তো তোমাক বুজিব পৰা
শক্তি নাছিল মোৰ
কবিতা।
সেইবাবে মোৰ পৰা আঁতৰি
গ'লা কবিতা।
এতিয়া আছে মাথো স্মৃতি।
সেইবাবে তোমাৰ নাম লিখিছো কবিতা।।

B.H.B. College, Sarupeta

# মাঁ

**বুলুমণি কবিতা**
স্নাতক ষষ্ঠ ষাণ্মাসিক

সুখৰো লগৰী তই, দুখৰো লগৰী
জীৱন যুঁজৰো তয়েই সাক্ষী।
হেৰুৱা জীৱনৰ বাট বিচাৰি
পাওঁ তোৰেই ওচৰত মোৰ চিৰ চেনেহী।
তোমাৰ কোলাতেই ধন্য মোৰ জীৱন
ধৰাৰ সকলো সুখ তোৰেই ওচৰত।
জীৱন যুঁতবো বাট বিচাৰি বহুদূৰ মই গ'লো
কিন্তু সমিধান বিচাৰি আই তোৰেই ওচৰতেই পালো।
তোৰ দুহাতৰ কোমল পৰশত
উৰিব নোৱাৰা এটি মাথো সৰু পক্ষী মই।।





# অসম কন্যা — আমাৰ গৌৰৱ

**কৃষ্ণা দাস**
উঃ মাঃ প্ৰথম বৰ্ষ

অসম কন্যা তুমি হিমা দাস
দৌৰিয়েই তুমি ৰণ জিকিলা
বিশ্ব এথ্‌লেটিকছত তুমি অসমলৈ
সোণৰ পদক আজুৰি আনিলা।
অসম কন্যা তুমি হিমা দাস
দৌৰিয়েই তুমি বিশ্বৰ আগত
নিজৰ পৰিচয় দাঙি ধৰিলা
অন্ধ সমাজৰ আগত তুমি
নাৰী শক্তিৰ বিশেষত্ব দাঙি ধৰিলা।
আৰু দৌৰা তুমি, আগুৱাই যোৱা
অসম মাতৃলৈ কঢ়িয়াই আনা
তুমি গৌৰৱা ধ্বজা
সেয়ে আমাৰ কামনা।।

B.H.B. College, Sarupeta

# অংক

**প্ৰিয়ংকা মজুমদাৰ**
উঃ মাঃ প্ৰথম বৰ্ষ

অংক মোৰ বাবে জংক পংক
অংক কৰিবলৈ দিলে স্কুলত
নোৱাৰোঁ একো কৰিব অংক
মাত্ৰ পাওঁ ছাৰৰ পৰা অংক তুলি ল'ব।
ঘৰত কৰিবলৈ দিলে ছাৰে গৃহকাৰ্যত অংক
নোৱাৰোঁ একো কৰিবলৈ অংক
স্কুলত গৈ খাব লাগে ছাৰৰ পৰা গালিৰ চকলেট,
নোৱাৰিলে কৰিবলৈ অংক ছাৰে কয়
পৰীক্ষাৰ বহীত পাবা শূন্য।
য'ত চকু যায় মোৰ তাত মাত্ৰ
দেখিবলৈ গ'লে মোৰ মূৰটো এটা শূন্য
যিমান মাৰ-গালি খালেও নোৱাৰো কৰিব
য'ত চকু দিও তাত মাত্ৰ অংক অংক অংক।
সকলো হৈ পৰে জংক-পংক।।





# স্মৰণীয় দিন

**ভৱিতা দাস**
স্নাতক ষষ্ঠ ষাণ্মাসিক

বহুদিন পাৰ হ'ল
আৰু কিমান আছে বাকী
আশাৰ বেদিত জ্বলাবলৈ মোক
দিবানে এগছি চাকি।
মায়াময় জীৱন এই মৰুভূমি
মায়াৰে আবৰা,
পূৰ্ণ হ'বনে জীৱনৰ
অপূৰ্ণ আশা?
জীৱন নদীত নাও মেলি
আহিছো ব'ঠা বাই
কিমান যে বিঘিনী
পৰা নাই মই ভাগৰি।
ক্ষণ গণি গণি
গৈছো আগবাঢ়ি
থাকিবানে তুমি
আৰু অলপ থমকি।।

B.H.B College, Sarupeta

# উজাগৰী ৰাতিৰ নিসংগতা

**ৰাহুল কলিতা**
স্নাতক ষষ্ঠ ষাণ্মাসিক

উজাগৰী ৰাতিৰ নিসংগতা মৌন এটা তৰা...
স্মৃতিৰ অভিধান বুকুত লৈ ...
অযুক্ত মৃত্যুৰ দলিচা
সূৰুযৰ প্ৰভাতী কিৰণেৰে
আভিজাত্য নব সংহতিৰ খেল
সি শুব নোৱাৰে সি শুব নোৱাৰে
নিৰ্জনতাৰ দিশৰ আবিৰ্ভাৱ দপ্ত সিংহ
হিংসা আৰু প্ৰতিশ্ৰুতিৰ বাৰ্ধক্যৰ নিভাঁজতা ...
উকা খিৰিকীৰ দম্ভ লজ্জিত মানৱতা
সমাজৰ ভুৱা নীতি-আদৰ্শৰ পৰিপন্থী
স্ফটিকৰ দৰে স্বচ্ছ আৰু
নৈৰ দৰে চিৰপ্ৰবাহিত তাৰ সপোন
তথাপি কৈ গৈছে, "জীৱন জিন্দাবান"
"জীৱন জিন্দাবাদ" "জীৱন জিন্দাবাদ"
উজাগৰী ৰাতিৰ কাল ক্ৰমবৰ্ধমান ...
নিজান নীৰৱ তপত হুমুনিয়াহ ...
সি শুব নোৱাৰে
উজাগৰী ৰাতিৰ নিসংগতা
মৌন সাক্ষী এটা তৰা।





# তুমি এটি কবিতা হোৱা

**ইউজিনা বৰ্মন**
স্নাতক ষষ্ঠ ষাণ্মাসিক

মোৰ মৌনতাত বিচাৰি নাযাবা
চিৰ প্ৰশান্তিৰ নিৰিবিলি নিজৰা
মৌনতাৰ সিপাৰৰ অশান্ত নদীখন
তুমি কোনোদিনেই ৰুধিব নোৱাৰা।
তুমি দুচকুত নিবিচাৰিবা
দুপাখি মেলি উৰিব পৰাকৈ
বিশালতাৰ নীলা প্ৰান্তৰ
মোৰ দুচকুৰ হাজাৰ সপোনক তিয়াই
প্ৰতি নিশাতে সৰি থাকে
বিষাদৰ মৰহা নিয়ৰ।
কোনোদিনেই মই পাহৰিব নোৱাৰা
তুমি হিয়াৰ এটি গোপন কবিতা হোৱা
যেন মই থাকো ইয়াত, তুমি আকাশত।।

B.H.B. College, Sarupeta

# অনুভূতি

**মমী নাথ**
স্নাতক তৃতীয় ষাণ্মাসিক

তুমি আহিবানে
মোৰ হৃদয়ৰ মাজলৈ
এজাক বাৰিষাৰ বৰষুণ হৈ?

নীলিম তুমি আহিবানে
শৰতৰ নিয়ৰৰ টোপাল হৈ?

মোৰ উকণ্ঠা হৃদয়খন
জীপাল কৰিবলৈ?

নীলিম তুমি আহিবানে
মোৰ বুকুৰ আঁউসীৰ এন্ধাৰ
গুচাই পূৰ্ণিমাৰ পোহৰ হৈ
মোৰ ভগ্ন হৃদয়খনত
আশাৰ ৰেঙনি হৈ
পোহৰ বিলাবলৈ।

নীলিম তুমি আহিবানে...।





# স্বাধীনতা

**নিৰ্মল বৰ্মণ**
স্নাতক তৃতীয় ষাণ্মাসিক

আজি অসমত লাগিছে
কটা-কটি মৰা-মৰি
অসমত বৈছে তেজৰ নদী।
আজি অসমত লাগিছে
জাতি-ধৰ্মৰ অহংকাৰ
কেঁচা তেজৰ গোন্ধ
আৰু বাৰুদৰ ধোঁৱাত
আজি চাৰিওদিশ প্ৰবাহিত হৈছে
একেখন চিতাতে জ্বলি উঠিছে
শ শ মৃতদেহ
কাৰোবাৰ পুত্ৰ বা
কাৰোবাৰ স্বামী।
কিন্তু কি জাতি ক'ব পাহৰিছে কোনোবাই
তেতিয়াহ'লে আমি কিয় থাকিব
লগা হৈছে ইজনে আনজনৰ
শত্ৰুতা লৈ, নাই কোনো ধৰ্ম
ইয়াত নাই কোনো জাতি।
আহা আমি সকলোৱে মিলি
সোণৰ অসম গঢ়োঁ।

B.H.B College, Sarupeta

# প্ৰত্যাশা

**মীনাক্ষী দাস**
সহকাৰী অধ্যাপিকা
দৰ্শন বিভাগ

জীৱনত কেতিয়াবা প্ৰবাহিত হয়
আঁউসী এন্ধাৰ, ধুমুহা-গাজনি-বজ্ৰপাত
প্ৰচণ্ড বৃষ্টিয়ে আনে
মনলৈ ঘনঘোৰ প্লাৱন
জীৱনৰ দুয়ো কুলত নেদেখো
ইপাৰ-সিপাৰ।
মনৰ নাৱৰীয়াই নাও বাই যায়
কোনোবা অজান দেশলৈ!
আশাৰ মাজতেই জীৱন
কামনা-বাসনাৰ সপোন দেখি
কিবা পাম বুলি থাকো বৈ!

জীৱনৰ সোণালী নিশাবোৰ
পুনৰ এন্ধাৰ হৈ যায়;
এন্ধাৰ আৰু পোহৰৰ মাজতেই ৰচো
ন-জীৱন গঢ়াৰ সংগ্ৰাম।
কেতিয়াবা সুখ আহে
মায়াবী নিশাৰ শেৱালি ফুলাৰ দৰে
কেতিয়াবা দুখ আহে
বাৰিষাৰ প্লাৱনৰ প্ৰবল সোঁতৰ দৰে
প্ৰবল [illegible]য়াই
মনৰ বান্ধ [illegible]হাই নিয়াৰ দৰে।।





# এটি স্মৃতিৰ গান

**বন্দনা তালুকদাৰ**
স্নাতক প্ৰথম ষাণ্মাসিক

সেইজাকী মলয়া বতাহে
মোৰ খবৰ জানো দিব
তেওঁ যে এদিন মোৰেই
অপেক্ষাত আছিল।
মোৰ কথাবোৰ তেওঁ
সুৰীয়া গানৰ দৰে শুনিছিল।
পথভ্ৰষ্ট মোৰ জীৱনক
সেন্দুৰীয়া পথেৰে যাবলৈ
আঙুলিয়াই দিছিল।
অথচ তেওঁকেই যে মই
দূৰলৈ ঠেলি দিলোঁ।
হায়! মোৰ আত্মা
এবাৰো নকঁপিল।।

B.H.B College Sarupeta

# যন্ত্ৰণাৰ দিনলিপি

**অক্ষয় সৰকাৰ**
স্নাতক তৃতীয় ষাণ্মাসিক



চিকুণাই থোৱা পদূলিৰে — ভাবিছিলোঁ
পূৰ্ণিমাৰ জোনৰ পোহৰবোৰ সোমাই আহিব বুলি
কিন্তু নাট হেৰুৱাই ক'লৈ গ'ল নাজানো কিন্তু ....
অমাৱস্যাৰ অন্ধকাৰে গোটেই
পদুলিখন নাওঠ হৈ ৰ'ল।
সদায়ে কওঁ চকুপানীবোৰ আঁতৰি যা
এই চকুযুৰিৰ পৰা
হাঁহিৰ খোৰাকৰ বাটত তহঁতবোৰে জানো
আগভেটি কিয় দিয়?
তোমাৰ নিসংগতাই উটুৱাই লৈ গ'ল দুচকুৰ
আশা আৰু সম্ভাৱনীয়তাৰ ৰংবোৰ
কিন্তু কি কৰিবা মানৱ সমাজৰ কেইটামান
নৰপিশাচৰ তাণ্ডৱলীলাই ধ্বংস কৰিব
আমাৰ সেই ৰঙীন সপোনবোৰ।।



# জীৱন

**কুঁৱলী ডেকা**
উঃ মাঃ প্ৰথম বৰ্ষ

জীৱন এক গতিশীল নৈৰ নিচিনা
যি সদায় গতিত চলিত হৈ থাকে
জীৱনৰ আশাবোৰেও পোখা মেলে
এখন সেউজীয়া পৃথিৱীলৈ।
কিন্তু কিছুমান ভুলৰ বাবেই সেই সকলোবোৰ
এসময়ত নোহোৱা হৈ যায়।
মাথোঁ ৰৈ যায় কিছুমান স্মৃতি ....
যিবোৰ কেতিয়াও পাহৰিব নোৱাৰি
হেজাৰবাৰ চেষ্টা কৰিলেও।।
জীৱনৰ প্ৰতিটো ঘাট-প্ৰতিঘাটক নেওচি
সৎ পথেৰে সৎ কৰ্মৰ দ্বাৰা
জীৱন গঢ়ি লৈ জীয়াই থাকিব
পৰাটোৱে জীৱনৰ লক্ষ্য।

B.H.B College Sarupeta

# মোৰ মন যায়

**পৰিস্মীতা বৰ্মন**
উঃ মাঃ প্ৰথম বৰ্ষ



মোৰ মন যায় ফুল হৈ
ফুলনিত ফুলি থাকিবলৈ,
মৌ-মাখি হৈ উৰি
ফুলে ফুলে মৌ চুহিবলৈ।

মোৰ মন যায় কুলি হৈ
বসন্তৰ আগজাননী দিবলৈ
মোৰ মন যায় চৰাই হ'বলৈ
উৰি উৰি আকাশখন চুবলৈ।

মোৰ মন যায় কবি হ'বলৈ
ধুনীয়া ধুনীয়া কবিতা লিখিবলৈ।
মোৰ মন যায় চিত্ৰকাৰ হ'বলৈ
ভাল ভাল দৃশ্যৰ ছবি আঁকিবলৈ।

মোৰ মন যায় শিক্ষক হ'বলৈ
ছাত্ৰ-ছাত্ৰী সকলক জ্ঞান দিবলৈ
মোৰ মন যায় সমাজ সেৱক হ'বলৈ
দেশৰ নৱ জনগণক পোহৰ দিবলৈ।



# সেতুৰ শেষ সীমা বিচাৰি

**হিমি মেধি**
উঃ মাঃ প্ৰথম বৰ্ষ

মই ইহকাল পৰকালৰ
এখন জীৱন্ত সেতু।
শৈশৱ, কৈশোৰ, যৌৱনৰ
এজাক সেউজীয়া স্মৃতিৰ
বোজা কঢ়িয়াই
পল পল কৰি —
সময় পাৰ হৈ গ'ল
উভতি নহাৰ প্ৰতিশ্ৰুতিত।
অবিৰত চলমান গতিত।
ভাৰাক্ৰান্ত সময়ৰ খোজ হ'ল
থৰক-বৰক।
লেতু-সেতু হ'ল সেতুৰ খোপনি
ধূসৰ দৃষ্টিয়ে বিচাৰে
অচিনাকি পৰিধিৰ সীমা
য'ত নিস্পন্দ ঢেউকাই
হেৰুৱায় সময়ৰ গতিশীলতা।।

B.H.B. College Sarupeta

## ৰঙা ফুল মোৰ অপ্ৰিয়

**নন্দলাল বড়ো**
স্নাতক তৃতীয় ষাণ্মাসিক

বুকুৰ হেঁপাহকণ সাৱটি
কোন কাহানিবাই এৰি আহিলোঁ
ৰঙচুৱা আশা সৌদিনাই
হেৰাই গ'ল।

হৃদয়ৰ কোনোবা একোণত
চিনাকি গোন্ধৰ সুবাসকণ
ল'বলৈও অসন্তুষ্ট হৈ পৰিছিলা
তথাপিও হেঁপাহকণক বুকুত
থিতাপি ল'বলৈ নিদিলা।

নিষ্ঠুৰভাৱে ভাঙি থৈ গুচি গ'লা
তুমি উমলি থকা হৃদয়খনক
সেই ফুলৰ সেমেকা গোন্ধ
উন্মুক্ত হৃদয়ত আজিও বিন্ধি যায়
ৰঙা ফুলপাহ সেই মোৰ অপ্ৰিয়।।





## কলেজ

**পদুমী দাস**
হোষ্টেল সহায়কাৰী

সোণোৱালী যৌৱনৰ পাঁচটা মধুৰ পৃষ্ঠা
আৰু হেজাৰটা ক্ষণিকতাৰ মুহূৰ্ত
কেতিয়াবা এন্ধাৰৰ, কেতিয়াবা জোনাকৰ
আজি সকলোবোৰ মোৰ ওচৰত
কিন্তু মোৰ ডায়েৰীৰ পৃষ্ঠাবোৰত
আজি যেন মোৰ কলমটো নীৰস হৈ পৰি
দুটিমান চকুলোৰ টোপাল দুগালেদি বৈ
ওঁঠত লাগিছে তাৰ লুণীয়া স্বাদ
কিন্তু!
মোৰ ভাষা যে ক্ৰমান্বয়ে নিশ্চিহ্ন হোৱাত
কিয় বাৰু সময়বোৰ নিৰৱচ্ছিন্নভাৱে গতি

B.H.B. College, Sarupeta

# আপোনাৰ প্ৰতি মোৰ অনুভৱ

হিল্লোল পাঠক
স্নাতক পঞ্চম ষাণ্মাসিক

আপুনি যদি আপত্তি নকৰে
আপোনাৰ বিশ্বাসী হাতখন
মোৰ কৰি ল'ব বিচাৰিম।

আপুনি যদি আপত্তি নকৰে
আপোনাৰ হাঁহিৰ কাৰণ
মই হ'ব বিচাৰিম।

আপুনি যদি আপত্তি নকৰে
সুখবোৰ আমাৰ আৰু দুখবোৰ
ভগাই ল'ব বিচাৰিম।

আশাবোৰতো সদায় ফুলে
মাথোঁ সপোনবোৰ বাস্তৱ
কৰিব বিচাৰিম।।



B.H.B. College, Sarupeta

## নীলা খামৰ চিঠি

প্ৰতি,

মোৰ মৰমৰ,

পোন প্ৰথমে মোৰ হিয়াভৰা মৰম ল'বা। আজি বহুদিনৰ পৰা মই তোমালৈ চিঠি লিখো বুলি ভাবি আছো। সম পোৱা নাই ও..। তুমি অবিহনে মই বৰ আধৰুৱা ও 'মা'...। এই বৃহৎ পৃথিৱীত মোক তুমি মোক কিয় নিঠৰুৱা কৰি গ মোক 'মা'...!

যেতিয়া মোৰ লগৰবোৰে মোক সোধে তোৰ 'মা' নাই নেকি, কিমান দুখ অনুভৱ কৰো সেয়া কেৱল মই জানো 'মা'। তোমাৰ অলপো বেয়া নালাগেনে মোক অকলে থৈ যাবলৈ। এই পৃথিৱীখন কিমান জটিল তুমি জানা তুমি অবিহনে মই বৰ অকলশৰীয়া হৈছো। যিওবা মোৰ দেউতাজন, মোৰ কোনো ধৰণৰ দায়িত্ব, খবৰ একোকে ন 'মা'।

যেতিয়া মোৰ টোপনি নাহে মোৰ তোমাৰ কোলাত মূৰ থৈ শুবলৈ বৰ মন যায় 'মা'। শেষত উপায় নাপা তোমাৰ ফটোখন বুকুৰ মাজত লৈ শুবলৈ চেষ্টা কৰো। মোক সোণ বুলি মাতিবলৈ তুমি আহিব নোৱাৰানে 'মা'? তু এবাৰ আহিবানে?

মোক ঘৰৰবোৰে কয় তুমি হেনো ভগবানৰ ওচৰলৈ গৈছা 'মা'। তোমাক হেনো ভগৱানে ভাল পায়।

এই মায়াময় পৃথিৱীত হিংসা, অসূয়া, জেদ ইত্যাদিৰ মাজতে জীয়াই থাকিব লাগিব। দেউতাই মোৰ কা নতুন 'মা' এজনী আনিছে। কিন্তু তোমাৰ দৰে হ'ব নোৱাৰে। তেওঁৰ মা হোৱাৰ যোগ্যতা নাই। মোৰ কাৰণে তুমি দৈ আৰু যশোদাও। কিন্তু দেউতাই অনা নতুন 'মা' জনী যশোদা হ'ব নোৱাৰিলে। সকলোৰে এই ধৰণৰ সক্ষমতা নাই।

'মা' শব্দটোৰ তাৎপৰ্য নাজানেও 'মা'। কেৱল নিজৰ মাকেহে নিজৰ সন্তানক মৰমত ৰাখিব পাৰে। আনে কেতিয় নোৱাৰে। তুমি মোক ইমান বেয়া ক্ষণত জন্ম দিলানে 'মা'? যেনিয়ে যাওঁ সকলোতে শূন্যতা কেৱল।

এফালৰ পৰা চাবলৈ গ'লে মই বৰ ভাগ্যবান মা। তোমাৰ দৰে মাকৰ পেটত জন্ম ল'ব পৰাটো সৌভাগ্য ভগৱানে যি কৰে ভালেই কৰে। এনেকৈয়ে মই এদিন তুমি অবিহনে ডাঙৰ মানুহ হ'ব লাগিব। পাৰিমনে 'মা'? পাৰিবই লাগিব। তেতিয়াহে মোক সকলোৱে জানিব।

'মা' তুমি কিন্তু মই ডাঙৰ মানুহ হোৱাৰ দিনা আহিবাদেই। আৰু মোক আশীৰ্বাদ কৰিবা দে।

শেষত মোৰ মৰমখিনি কাকো নিদিবাদে। আৰু তোমাৰ অপেক্ষাত মই সদায় বাট চাই থাকিম 'মা'। মোৰ কা তোমাৰ হৃদয়ৰ দুৱাৰ সদাই খোলা ৰাখিবা দেই। ইতি —

তোমাৰ মৰমৰ 'বুল' (বাবুল)

ভবিতা দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক

B.H.B. College Sarupeta

মৰমৰ প্ৰিয়তমা,

আশা কৰো তুমি ভালে আছা। তোমালৈ আজি বৰকৈ মনত পৰিছে সেইবাবে তোমালৈ এখন হৃদয়ৰ বাৰ্তা লিখিলো। ডাকোৱালে বা এইখন পঠিয়ায় নে নপঠিয়া নাজানো। কিন্তু যদি তুমি এইখন পোৱা তেতিয়াহ'লে উত্তৰ দিবা। আজি বহুদিন হ'ল তোমাক লগ নোপোৱাৰ। মনত কিবা এটা ভয় লাগি আছে। কিজানি তুমি মোক মনত নকৰাই।

এহ, মইও কিবা ভাবো। তোমাৰ অবিহনে নো মোৰ আছে কোন? তুমি এইবাৰ পূজাৰ বন্ধত ঘৰলৈ আহিলে মোক লগ দিবা। তোমাৰ পঢ়া-পাতি কেনে চলি আছে?

আজি মোৰ বকুল তললৈ বহুত মনত পৰিছে, জানা তাত তোমাৰ লগত কটোৱা প্ৰতিটো মুহূৰ্ত বৰকৈ মনত পৰিছে। তুমি কাষত নহ'লে হৃদয়খন এটা পানী নোহোৱাকৈ থকা মাছ যেন লাগে। তোমাৰ পৰশত হৃদয়ত থকা মৰহি যোৱা গোলাপ পাহও ফুলি উঠে। তুমি নোহোৱা প্ৰতিটো মুহূৰ্ত মোৰ বাবে আধৰুৱা।

চিঠিখন পালে মোলৈ উত্তৰ পঠিয়াবা। আশাৰে বাট চাম।

ইতি —

তোমাৰ হৃদয়ৰ আপোন

পুনঃ ও এইবাৰ তোমাক তোমালোকৰ কলেজৰ ফাংচনত ধুনীয়া দেখা হৈছিল।

**ভবজ্যোতি তহবিলদাৰ**
উঃমাঃ প্ৰথম বৰ্ষ

---

মৰমৰ

'অনামিকা'

আশাকৰো তোমাৰ ভাল। মোৰ খবৰ নুসুধিবা। একুৰা জলন্ত অগ্নিৰ মাজৰ হেলনীয়া শুকান কাঠ চাৰিডালৰ দৰে ভগ্ন হৃদয় এখন লৈ আছো। ঐ মনত পৰেনে তোমাৰ, সেই প্ৰেমৰ বাগীত মতলীয়া হোৱা নৈ পাৰৰ নিবিড় মুহূৰ্তৰ কথাবোৰ? সঁচাকৈ জানা আজি তুমি মোৰ হৃদয়ত নাই। কিন্তু মোৰ আলফুলে ফুলা হৃদয়ৰ দলিচাখনত তুমিয়েই থাকা ও অনামিকা। সিক্ত ৰঙা সেই চকুযুৰি চাবলৈ তোমাৰ সময় নাই আজি। এই মায়াৰ মাজত নিজকে ওলাব পৰা নাই। মই জানো মোৰ মন স্ফটিকৰ দৰে স্বচ্ছ নাছিল। কিন্তু সেই পল্লা নৈ খনৰ দৰে চিৰপ্ৰবাহিত আছিল মোৰ প্ৰেম। নাজানো মোৰ ভুল ক'ত! অতৃপ্ত আংশিকতাই মোক ৰুদ্ধ কৰিব পৰা নাই ও অনামিকা। জীৱনৰ সমস্তখিনিৰ এ আমাৰ কৰিবলৈ যত্ন কৰিছিলো।

'অনামিকা' তুমি গ'লাগৈ এজাক ধুমুহা হৈ, সীমাহীন মৰমেৰে ধুৱাই এক নতুনত্ব বিচাৰ কৰিবলৈও আজি মোৰ তপত অশ্ৰুৰ অভাব। অনামিকা আজিলৈ এৰিলো। আশাকৰো প্ৰত্যুত্তৰ আহিব। ইতি —

তোমাৰ বিৰক্তিৰ আন এজন

'মই পাগল প্ৰেমিক'

**ৰাহুল কলিতা**
স্নাতক ষষ্ঠ ষাণ্মাসিক

B.H.B. College, Sarupeta

মৰমৰ প্ৰিয়তমা,
তোমালৈ মোৰ এখনি চিঠি।

বহুদিন হ'ল তোমাক দেখা নাই। তোমাৰ মৰমে মোক নিশাবোৰ শুবলৈ দিয়া নাই। আজি চিঠিৰ মাজেৰে কথা কৰিব ওলাইছোঁ, মৰমেৰে আদৰি ল'বা। তোমাক লগ নোপোৱা দিনৰ পৰা দিনবোৰ নোযোৱা হ'ল, নিশাবোৰ অন্ত আজিও। তুমি কেতিয়া দেখা দিবা বাৰু? মই আৰু নোৱাৰা হৈছোঁ। তোমাৰ খবৰ ভাল নে? মই আছোঁ দিয়া ভা তোমাক লগ পোৱাৰ আশাত। মোৰ চিঠিখনত এটা এটা শব্দত তোমালৈ মৰম লুকাই আছে, বাচি ল'বা। মোৰ মন আজলিটি। ....

ইতি —
তোমাৰ মৰম

চন্দ্ৰমোহন তালুকদাৰ
উঃমাঃ প্ৰথম বৰ্ষ

---

মৰমৰ বৰষা,

পোন প্ৰথমে মোৰ হিয়াভৰা মৰম যাচিলো। বন্ধৰ দিনৰ প্ৰতিটো সময়ে মোক আবেগিক কৰি তুলিছিল নিস্তব্ধ হৈ পৰিছিল মোৰ হৃদয়ৰ কম্পমান। সময়বোৰ পাৰ হ'ব ধৰিছে। ক'ব পৰা নাই সপোনবোৰ যেন এতিয়া যাব ধৰিছে। ভাল পাবলৈ হেঁপাহ অবশ্যে বহুত আছে। মাথো ভয় লাগে তুমি আৰু বহুদূৰলৈ আঁতৰি যাবা। তথাপিও কবিতাৰ শিৰোনাম হৈ জিলিকি থাকিবা মিচ বৰষা বৰুৱা। আজিলৈ ইমানেই।

ইতি —
তোমাৰ মৰমৰ

অম্লান দাস
উঃ মাঃ প্ৰথম বৰ্ষ

B.H.B College, Sarupeta

মৰমৰ তোমালৈ ...........

কি নামেৰে নো মাতো ভাবিছো তাকে। কেনে আছা তুমি? মোৰ সিক্ত হৃদয়ৰ পৰা নিসৃত অভিমানী মৰমবোৰ গ্ৰহণ কৰিবা। আজি বহুদিনৰ মূৰত কিয় জানো তোমালৈ লিখিব মন গৈছে। মনত পৰে তোমাক দেখা সেই প্ৰথম দিনটোলৈ যিদিনা মোৰ হৃদয়ৰ কোণত বাজি উঠিছিল অচিন সুৰৰ ঝংকাৰ। কিয় জানো তোমাক প্ৰথম দৃষ্টিতেই আপোন কৰি ল'ব মন গৈছিল। সেয়া আছিল কলেজৰ লাইব্ৰেৰীত আগষ্ট মাহৰ প্ৰথম সপ্তাহ। তোমাৰ প্ৰেমৰ বৰষুণজাকত তিতি আপ্লুত হৈ পৰিছিলো। তোমাৰ প্ৰেমৰ উন্মাদনাত উত্তাৱল মোৰ মনৰ বতৰ। হৃদয়ৰ কোঁহে কোঁহে মোৰ তোমাৰ প্ৰেমৰ খলকনি। মতলীয়া হৈ পৰিছিলো মই। অ ...। এৰা না এই অভিমানবোৰ এইবাৰও এই চিঠিৰ উত্তৰ নিদিয়াকৈ নাথাকিবা প্লিজ। তুমি জানো নুবুজা মোৰ হৃদয়ৰ আকুলতাখিনিক। হঠাৎ তুমি মোৰ জীৱনত আবিৰ্ভাৱ হ'লা। নিঃসংগতা দূৰ কৰি মোৰ হিয়াৰ লগৰী হ'লাহি। এতিয়া তুমিয়ে মোৰ সকলো। হৃদয়ৰ কোঠালিত ঘৰ সাজি বুকুৰ আপোন হ'লাহি। মই মোৰ প্ৰতিটো পল তোমাৰ লগতেই উপভোগ কৰি গৈছো আৰু আগলৈও কৰি যোৱাৰ কল্পনা কৰো। সময় কিন্তু বৰ নিষ্ঠুৰ, সদায় একে নাথাকে। সলনি হৈ থাকে ঠিক তেনেদৰে তুমিও সলনি হ'লা। লাহে লাহে আঁতৰি থাকিব ধৰিছা মোৰ জীৱনৰ পৰা। হয়তো বিশ্ববিদ্যালয়ত কোনোবা নতুন লগ পাই গ'লা ন? মই আজিও বুজি নাপালো মোৰ ওপৰত কিয় ইমান অভিমান কৰি আছা তুমি? যেতিয়া তুমি অভিমান কৰি মোৰ পৰা আঁতৰি থকা বহুত কষ্ট হয় ও। মোৰে শপত এইবাৰ যাবৰ পৰত তুমি বিচৰাটো মোৰ পৰা খাটাং পাবা। প্লিজ প্লিজ আৰু অভিমান কৰি নাথাকিবা। চিঠিৰ মাজতে পঠাইছো মোৰ অফুৰন্ত মৰম... বুটলি ল'বা।

ইতি তোমাৰ —
নিৰ্ভেজাল প্ৰেমিকা

**ইউজিনা বৰ্মন**
স্নাতক ষষ্ঠ ষাণ্মাসিক

B.H.B. College, Sarupeta

নোপোৱাৰ স্পষ্টীকৰণ দেখিও
হৃদয়ৰ কোনোবা এটা কোণত
তোমালৈ বুলি সাঁচি ৰখা
মৰম, অভিমান আৰু ভালপোৱাবোৰেৰে
তোমালৈ লিখিলো আজি এখনি
'নীলা খামৰ চিঠি'

মৰমৰ

'অনাম', মৰম ল'বা। আশা কৰো তুমি ভালেই আছা। তোমাক লগ পোৱাৰ আজি চাৰি বছৰ মানেই হ... তোমাৰ জানো মনত আছে? নাই চাগে, আৰু থাকিবনো কেনেকৈ? আমাৰ জানো সম্পৰ্কৰ কিবা পৰিচয় আছিল? ... জানো ইয়াৰ অস্তিত্ব? 'অনাম' তোমাক লগ কৰিব বহুত হেঁপাহ। কিন্তু কি কৰিম লগ কৰিব নোৱাৰো। আমাৰ সম্প... মাথো মোবাইলৰ টেক্স মেছেজত আৰু হোৱাটচ্এপৰ মেছেজ আৰু ভিডিঅ' কলৰ মাজত আবদ্ধ হৈ ৰ'ল। এ... শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰিও আমি এজনে আন জনৰ লগত অচিন লোকৰ দৰে ব্যৱহাৰ কৰো বা আচৰণ কৰো। ... তোমাক দেখা পোৱা এটা মুহূৰ্তও মই এৰি দিব নুখুজো। কাৰণ মুখেৰে মাত এষাৰ নিদিলেও মনেতো সদায় তোমাক ... মাতো। শব্দবোৰ আজি হেৰাই গৈছে, যেন চন্দুক এটাতহে বন্ধ কৰি ৰাখিছো। আচলতে তোমাক মনৰ কথাবোৰ ... ক'বলৈ মোৰ শব্দৰ প্ৰয়োজন নহয়। মনৰ পৰা লিখিলেই হ'ল।

অনাম আমাৰ জানো আকৌ মিলন হ'বনে? আমি জানো আৰু আগৰ দৰে মৰম, অভিমানবোৰৰ লগতে এ... আনজনৰ প্ৰতি ৰখা ভালপোৱাবোৰ প্ৰকাশ কৰিম নে?? তুমি এৰি যোৱাৰ দিনৰে পৰা মই প্ৰতিটো নিশা উজাগৰে ... আছো — দুচকুত অশ্ৰুৰ নৈখন সঘনাই বৈ আহে মাথো তোমাৰ অপেক্ষাত অনাম। কিন্তু তুমি বিচৰা ধৰণে মই ... সপোনবোৰ সাৰ্থক কৰা ত্যাগ কৰা নাই। তুমি যিবিলাক গান শুনি ভাল পোৱা তাৰেই প্ৰতিটো গানেই মোৰ প্ৰিয়। মই তু... আশা কৰা ধৰণেই আগবাঢ়ি যাব প্ৰয়াস কৰি আছো অনাম।

যাহক, শুনিব পাইছো তুমি এতিয়া বহুত ব্যস্ত থাকা। নিজৰ ঘৰখনৰ ভালৰ কাৰণে আৰু পৰিয়ালবৰ্গৰ ক... তোমাৰ ত্যাগ অতুলনীয়। তোমাৰ এইটো স্বভাৱৰ কাৰণে মই তোমাক পাহৰিব খুজিও পাহৰিব নোৱাৰো অ' অ... চকুযুৰি জপালেই তোমাৰ ছবি মোৰ দুচকুত ভাঁহি উঠে। তোমাৰ মাতৃস্নেহে মোক তোমাৰ পৰা আঁতৰাই আনিলেও ম... আঁতৰ হ'ব পৰা নাই। যিজন ল'ৰাই নিজৰ মাতৃক ইমান সন্মান কৰে তেওঁ তেওঁৰ জীৱন সংগীক কেতিয়াও অৱহে... কৰিব নোৱাৰে, কেতিয়াও দুখ দিব নোৱাৰে।

হ'ব দিয়া আৰুনো কিমান ব্যক্ত কৰিম মোৰ মনৰ কথাবোৰ। আজিলৈ সামৰিছোঁ।

অ'হ আৰু এটা কথা, কি জানা অনাম, এইবাৰ সৰস্বতী পূজাত তোমাক দেখা পাই মোৰ মনত সীমাহীন আন... সৃষ্টি হৈছিল। কিন্তু সেই আনন্দ খন্তেকীয়া হে আছিল। তুমি অবিহনে তিনিটা সৰস্বতী পূজা পাৰ কৰিলো। এ... তোমাৰ ছায়া মই দেখা নাপালো। কিন্তু এইবাৰ আমাৰ কলেজীয়া জীৱনৰ অন্তিমটো সৰস্বতী পূজাত তোমাক দেখা পা... মই শব্দহীনৰ লগতে আচৰিত হৈ গৈছিলো। প্ৰেম হেনো 'জীৱনে-মৰণে শয়নে-সপোনে' কিন্তু আমাৰ এনেকুৱা নহ'ল ... অনাম। আধৰুৱা হৈ ৰ'ল। হ'ব দিয়া আজিলৈ সামৰিছো। পুনৰবাৰ মোৰ মৰম ল'বা আৰু তোমাৰ যত্ন ল'বা। ইতি —

তোমাৰ মৰমৰ
'অনামি'

**বৰষা দাস**
স্নাতক ষষ্ঠ ষাণ্মাসিক।

B.H.B College, Sarupeta



# ইংৰাজী বিভাগ (English Section) : 63 - 73

**Mental Health of Students and Way to Improve It**
*Prabodh Kalita, Asstt, Prof, Dept. of Economics*

**A Cat and a House : An Untold Story**
*Dr. Diganta Borgohain, Asstt, Prof, Dept. of English*

**Fake News and Social Media**
*Samalay R. N. Kashyap*

B.H.B. College, Sarupeta

# Mental Health of Students and Way to Improve It

**Prabodh Kalita**
Assistant Professor, Department of Economics

**What is mental health?**

Mental health includes our emotional, psychological, and social well-being. It affects how we think, feel, and act as we cope with life. It also helps to determine how we handle stress. Mental health is important at every stage of life - from childhood and adolescence through adulthood to aging.

**Why is mental health important?**

Mental health is important because it can help us to:

- Cope with the stresses of life
- Be physically healthy
- Have good relationships
- Make meaningful contributions to community
- Work productively
- Realize ones full potential

**Why mental health needs are often neglected:**

Even in today's advanced world, many of us are often reluctant—or unable—to concentrate on our mental health needs. This can stem from a variety of reasons, including:

- In some societies, mental and emotional issues are seen as less legitimate than physical issues. They are considered as a sign of weakness.
- Some people, especially youths, would often bottle up their feelings rather than seek help from others.
- During depression, people generally look for connection with others in social media instead of reaching out to people in the real world. For example, to boost our mood and ease depression, we do grab a pill rather to tackle the issues.
- Many people think that if they do seek help for mental and emotional problems, the only treatment options available are medication (which comes with unwanted side effects) or therapy (which can be lengthy and expensive).

**Study Result in India:**

Findings disclosed in study (Sibnath Deb at. all) in India that 37.7%, 13.1%, and 2.4% of the students were suffering from moderate, severe, and extremely severe depression. A significant difference was found across semester, that is, semester II students reported a higher level of depression than semester III students. So far as academic stream is concerned, students from humanities and social science were found to be suffering from more depression compared to students from science and management streams. The study further disclosed that the students who reported positive views about

B.H.B. College, Sarupeta

the university academic environment and living arrangements had lower level of depression compared to their counterparts. Personal resilience's such as being able to sharing personal problems with others and doing regular exercise were found to be associated with positive mental health. The findings of the study emphasize the need for immediate mental health support services for about 15.6% of the students who were either suffering from severe or extremely severe depression at the University.

Another study estimated that 14 per cent of India's young people aged 15-24 years reported feeling depressed and uninterested, against an international median of 19 per cent, according to UNICEF's new 'State of the World's Children (SOWC)' Report, released on 05-Oct-2021.

**How can students improve mental health?**

There are many different things you can do to improve your mental health, including:

• **Staying positive :**

It's important to try to have a positive outlook and to balance between positive and negative emotions. Staying positive doesn't mean that you never feel negative emotions, such as sadness or anger. You need to feel them so that you can move through difficult situations. They can help you to respond to a problem.

- Trying to hold on to the positive emotions when you have them.

